মে 2002 Rs. 10/-

চান্দমামা

আপুনি বাৰু জানিছিল নে যে ভাৰতত ৫০,০০০ বিধ ধান আছে ?

ইয়াৰ বাবে আৰুইয়াতকৈও অধিক তথ্য জানিবলৈ পঢ়ক

বসুধা

চান্দমামাৰ ২০০২ জুন সংখ্যাত বায়োডাইভাৰচিটিৰ ওপৰত বিশেষ ১৬ পৃষ্ঠা সন্নিবিষ্ট থাকিব

খেলা-ধুলা নিবন্ধ কুইজ কাৰ্য্যকলাপ গল্প

Sponsored by

NATIONAL FOUNDATION FOR INDIA

বায়োডাইভাৰচিটি-বন্ধুত্বপূৰ্ণ হবলৈ শিকক !
৫ জুনৰ বিশ্ব পৰিবেশ দিবস উপলক্ষে।


A
ACTIVE
B
BUZZ
BOSS
C
CADET DX
D
DEVIL DX
E
ELEPHANT
F
FISH
G
GIRAFFE
H
HEN
I
INSECT
J
JOKER
K
KIDD DX
L
LI'L ANGEL
LAMBADA
LIMBO
M
MISSILE
MISS INDIA Jr
N
NEST
O
ORANGE
P
PIRANHA
Q
QUEEN Jr
R
ROBO COP
S
SPARKY
SALSA
T
TERMINATOR
HERO CYCLES
V
W
The largest range of kids bikes
HERO CYCLES
THE ABC OF CYCLING
ITA.5979.2001

এই সংখ্যাত আছে

বৰ্ষ : ২৯ মে ২০০২ সংখ্যা -৫

ভাৰতৰ পৌৰাণিক আখ্যান ২৫

দেৱী মা ১৯

মায়া সৰোবৰ ১১

গণেশ ৪৫

এই মাহৰ বিশেষ আকৰ্ষণ

★ পাঠকৰ চিঠি-পত্ৰ ... ৮ ★ ৰাক্ষসৰ পুণ্য কাম ... ৯ ★ মায়া সৰোবৰ ... ১১ ★ সন্ন্যাসীৰ লালসা ... ১৮ ★ ৰজা বিক্ৰম আৰু বেতালৰ নতুন কাহিনী (বেতাল কথা) ... ১৯ ★ ভাৰতৰ পৌৰাণিক আখ্যান ... ২৫ ★ ভাৰতৰ বিষয়ে জানি লোৱা ... ২৮ ★ উপকাৰী স্বভাৱ ... ২৯ ★ ৰসিক ব্যক্তি--তেনালীৰাম ... ৩২ ★ গ্ৰীষ্মকাল -- শীতল ৰখাৰ উপায় ... ৩৪ ★ ইণ্ডিয়াস্কোপ ... ৩৭
★ বিহাৰৰ লোক কথা ... ৩৮ ★ সংবাদ বিচিত্ৰা ...৪৪
★ গণেশ ... ৪৫ ★ পৰিশ্ৰমৰ ফল মিঠা ... ৫১
★ বজৰঙৰ সাহস ... ৫৫ ★ মোৰ পিতা চিলিঙৰ ওপৰত নাই... ৫৮ ★ অজেয় গৰুড় ... ৬১
★ চিকাৰীৰ কুকুৰ ...৬৫ ★ ফটো নামকৰণ প্ৰতিযোগিতা ... ৬৬

SUBSCRIPTION

For USA and Canada
Single copy $2
Annual subscription $20
Remittances in favour of Chandamama India Ltd.
to
Subscription Division
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony,
Ekkatuthangal, Chennai - 600 097
E-mail : subscription@chandamama.org

বৰঙণি

বিমান ডাকযোগে পৃথিৱীৰ সকলো দেশলৈ বাৰটা সংখ্যা ৯০০ টকা
সাধাৰণ ডাকত ভাৰতৰ ভিতৰত বাৰটা সংখ্যা ১২০ টকা
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফ্‌ট্ বা মণিঅৰ্ডাৰ যোগে 'চান্দমামা ইণ্ডিয়া লিমিটেড'ৰ নামত পঠাব লাগিব

এই আলোচনীখনত ঠাই সংৰক্ষিত কৰাৰ বাবে যোগাযোগ কৰক

চেন্নাই
ফোন : ০৪৪-২৩৪৭৩৮৪, ২৩৪৭৩৯৯
e-mail : advertisements@chandamama.org

দিল্লী
মিচ মোনা ভাটীয়া
ফোন : ০১১-৬৫১৫১১১ / ৬৫৬৫৫১৩ / ৬৫৬৫৫১৬

মুম্বাই
মিঃ শকীল মোল্লা
মোবাইল : ৯৮২০৩-০২৮৮০
ফোন : ০২২-২৬৬১৫৯৯ / ২৬৬১৯৪৬ / ২৬৫৩০৫৭

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

সংস্থাপক

বি. নাগি ৰেড্ডি আৰু চক্ৰপাণি

10-5-2002

আগতে শান্তি স্থাপন হওক

বিশ্বৰ ছয়টা প্ৰধান ধৰ্মৰ ভিতৰত চাৰিটা ধৰ্ম--হিন্দু, বৌদ্ধ, জৈন আৰু শিখ ধৰ্মৰ গৃহভূমি হ'ল ভাৰত। খৃষ্টীয় প্ৰথম শতিকাত খৃষ্টান ধৰ্মই ভাৰতত প্ৰৱেশ কৰিছিল আৰু এই ধৰ্ম ভাৰতৰ মাটিত সমৃদ্ধিশালী হৈ উঠিছিল। ইয়াৰ প্ৰায় পাঁচ শতিকাৰ পিছত ইছলাম ধৰ্মৰ আবিৰ্ভাৱ হৈছিল। এই ধৰ্মৰ অনুগামী ব্যক্তিসকল প্ৰথমতে বেপাৰী আৰু ভ্ৰমণকাৰী হিচাবে আৰু তাৰপাছত আক্ৰমণকাৰী আৰু বিজাতা হিচাবে ভাৰতলৈ আহিছিল। মুছলমান সকলে আনকি প্ৰায় পাঁচ শতিকা জুৰি ভাৰতবৰ্ষ শাসন কৰিছিল। সেই সকলৰ ভিতৰত প্ৰখ্যাত শাসক আছিল সম্ৰাট আকবৰ। তেওঁ দিন-ইলাহি ধৰ্ম প্ৰবৰ্তন কৰিছিল। এই ধৰ্ম মতে প্ৰতিজন মানুহে নিজৰ ইচ্ছামতে নিজ ধৰ্ম মানি চলাৰ স্বাধীনতা আছে। তেওঁৰ দিনতে শিখ ধৰ্মৰ আবিৰ্ভাৱ হৈছিল।

ভাৰতৰ স্বাধীনতা আন্দোলনত সকলো ভাৰতীয়ই এক হৈ থিয়দি উঠিছিল। দুৰ্ভাগ্যবশতঃ ভাৰতে স্বাধীনতা লাভ কৰাৰ আগতে এই দেশখন ধৰ্মৰ নামত দুভাগত বিভক্ত হৈছিল। সীমাক লৈ ভাৰত আৰু পাকিস্তানৰ মাজত যুদ্ধ হৈছিল। আমাৰ নেতাসকলে ধৰ্মীয় ভ্ৰাতৃত্বৰ কথা কৈ সংবিধান সংশোধন কৰিছিল আৰু ভাৰতক এখন ধৰ্মনিৰপেক্ষ দেশ হিচাবে ঘোষণা কৰিছিল। কিন্তু স্বাধীনতাৰ ৫৫ বছৰ পিছতো ধৰ্ম বিশ্বাসীসকলৰ মাজত বিৰোধ এৰাব পৰা নাই। কাৰ দোষ সেইটো ডাঙৰ কথা নহয়। অলপতে ঘটা কিছুমান ঘটনাত, য'ত বহুতো নিৰীহ মানুহৰ করুণ মৃত্যু ঘটিছে তাৰ বাবে লাজতে আমাৰ মূৰ দো খাই যায়। আমাৰ জাতিৰ পিতা মহাত্মা গান্ধী অহিংসাত বিশ্বাসী আছিল আৰু আমি তেওঁৰ মতৰ অনুসৰণকাৰী বুলি নিজকে দাবী কৰো!

চান্দমামাই ইয়াৰ লিখনিৰ মাজেৰে শান্তিপূৰ্ণ সহাৱস্থানৰ বিশ্বাসৰ ওপৰত বাণী প্ৰচাৰ কৰি আহিছে। আমি মাথোঁ আহ্বান জনাও ধৰ্মীয় শত্ৰুতাকাৰী অপৰাধী সকলৰ মনত শুভ বুদ্ধি উদয় হওঁক আৰু শান্তি প্ৰতিস্থা হওঁক।

সম্পাদক : বিশ্বম

Visit us at : http://www.chandamama.org

হিৰোজ অফ ইণ্ডিয়া কুইজত যোগদান কৰা আৰু অভূতপূৰ্ব পুৰস্কাৰ লাভ কৰা

হিৰোজ অফ ইণ্ডিয়া -৮

ভাৰত বুৰঞ্জীৰ পাতবোৰ হিৰোবোৰৰ কথাৰে পূৰ্ণ হৈ আছে। তাৰ ভিতৰত তুমি কিমানজনক চিনাক্ত কৰিব পাৰিবা ?

আটাইবোৰ শুদ্ধ উত্তৰ দিওতাৰ ভিতৰত তিনিজনক বাইচাইকেল পুৰস্কাৰ দিয়া হব। *

1. ৬০৬ খৃষ্টাব্দত ১৬ বছৰ বয়সত মই থানেশ্বৰৰ ৰজা হৈছিলো। মই সদায় প্ৰজাহিতৈষী আৰু দানশীল হবলৈ চেষ্টা কৰিছিলো। মই কোন কব পাৰানে?

----

2. বিজয়নগৰ ৰাজ্যৰ মহান শাসক বুলি মই বিবেচিত হৈছিলো। ১৫০৯ খৃষ্টাব্দৰ পৰা ১৫২৯ খৃষ্টাব্দলৈ মই ৰাজত্ব কৰিছিলো। মই কোন বাৰু ?

----

3. মই নিজকে মহাৰাষ্ট্ৰৰ শাসক বুলি ঘোষণ কৰিছিলো আৰু ৰায়গড়ত মোক 'ছত্ৰপতি' উপাধি দিয়া হৈছিল। মোক চিনাক্ত কৰিবলৈ এইখিনি কথাই যথেষ্ট নহয় নে বাৰু ?

----

4. মই, মেৱাৰৰ ৰাজকুমাৰে সম্ৰাট আকবৰৰ হাতত হলদিঘাটৰ যুদ্ধত পৰাস্ত হৈছিলো যদিও ৰাজ্য পৰিত্যাগ কৰিবলৈ অস্বীকাৰ কৰিছিলো। মোৰ নাম কোৱাচোন।

----

5. মহাবলীপুৰমত মই শিল কাটি মন্দিৰ নিৰ্মাণ কৰিছিলো। মোক সুবিখ্যাত পল্লৱ শাসক বুলি কোৱা হৈছিল। মই চালুক্য ৰজা ২য় পুলকেশীক যুদ্ধত পৰাস্ত কৰিছিলো। মই কোন কব পাৰানে ?

প্ৰতিটো প্ৰশ্নৰ তলত থকা খালী ঠাইত স্পষ্টকৈ উত্তৰ লিখিবা। এই পাঁচজনৰ ভিতৰত তোমাৰ ভাল লগা হিৰো কোনজন আৰু কিয় ভাল লাগে ? মোৰ ভাল লগা বুৰঞ্জী প্ৰসিদ্ধ হিৰোজন হল ....এই বিষয়ে ১০ টা শব্দ লিখা।

....

....

প্ৰতিযোগীৰ নাম...

বয়স.......................... শ্ৰেণী..............................

ঠিকনা...

পিন.......................... ফোন..............................

প্ৰতিযোগীৰ চহী..

দেউতাক/মাকৰ চহী..

এই পৃষ্ঠাটো ফালি তলৰ ঠিকনালৈ পঠাবা

Heroes of India Quiz-8
Chandamama India limited
No 82, Defence Officers Colony
Ekkatuthangal, Chennai-600097.

২০০২ চনৰ ৫ জুনৰ আগতে পোৱাকৈ পঠাবা।

নিয়মাৱলী :

১.এই প্ৰতিযোগিতা ৮-১৪ বছৰ বয়সৰ শিশুৰ বাবেহে।

২.সকলো ভাষাৰ প্ৰতিযোগীৰ ভিতৰৰ পৰা ৩ জন বিজয়ী প্ৰতিযোগী বাচনি কৰা হব। বিজয়ী প্ৰতিযোগীয়ে উপযুক্ত চাইজৰ বাইচাইকেল পাব। যদি শুদ্ধ উত্তৰ দিয়া প্ৰতিযোগীৰ সংখ্যা বেচি হয়, তেতিয়াহলে মোৰ ভাল লগা হিৰোৰ বৰ্ণনাৰ ওপৰত নিৰ্ভৰ কৰি বিজয়ী প্ৰতিযোগী বাচনি কৰা হব।

৩.বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত।

৪.এই সম্পৰ্কে কোনো চিঠি পত্ৰ আদান প্ৰদান কৰা নহব।

৫.সকলো বিজয়ী প্ৰতিযোগীকে ডাকযোগে জনোৱা হব।

তোমালৈ পুৰস্কাৰ আনিছে

HERO CYCLES

HEY PEOPLE! TELL US HOW CLOSE YOU'RE TO POPEYE AND YOU COULD WIN A POPEYE WATCH FROM DASH!



Put your knowledge on Popeye to test by ticking the right answers to the following questions and you could win an exciting Dash! watch.

1. What does Popeye do for a living? He's a
   a. Sailorman ☐ b. Tailorman ☐
   c. Cobblerman ☐

2. What's Popeye's source of strength?
   a. Roast Beef ☐ b. Hotdogs ☐
   c. Spinach ☐

3. What's Popeye's girlfriend's name?
   a. Olive Oyl ☐ b. Coconut Oyl ☐
   c. Sunflower Oyl ☐

Now dash this contest form to:
The Dash! Chandamama Contest,
Titan Industries Ltd, Airport Road,
Bangalore-560 017.

My name is: ______________________
I am a Boy ☐ **Girl** ☐. **I am** ______ **years old**
My address is: ______________________
____
Tel: ______________________
I read Chandamama in English ☐ **Hindi** ☐
Others ☐ **(Please specify)** ______________

Rules and regulations:
1. Judges decision is final and binding.
2. Incomplete forms will not be considered.
3. Prizes are not exchangeable in lieu of cash.
4. All entries should reach us by 15th May 2002.

Rs. 295 onwards.

DASH!

Wow watches from Titan

পাঠকৰ চিঠি-পত্ৰ

চান্দমামাৰ কাহিনী আৰু চিত্ৰ দুয়োটাই মনোমোহা হৈছে । এইখন অকল শিশুসকলেই নহয় ডাঙৰবোৰেও মনোযোগেৰে পঢ়ে । ৰঙিণ চিত্ৰবোৰ দি থাকিব । তাৰ দ্বাৰা কাহিনীবোৰ বুজি পোৱাত সহজ হয় । চন্দ্ৰৰ দৰে 'চান্দমামা'ইও যেন ইয়াৰ আলোকেৰে আমাৰ মন আলোকিত কৰে ।

বীৰেণ, ধুবুৰী

চান্দমামা পুনৰ প্ৰকাশ কৰাৰ পিছত আৰু বেছি ভাল লাগিছে । "ভাৰত কথা', 'দেৱী ভাগৱত' আদি আখ্যানৰ পৰা আমি পুৰণি ভাৰতৰ কথা জনাত সহায়ক হৈছে । আমাৰ দেশৰ কথা জানিবলৈ এনে ধৰণৰ ৰচনা অতি আৱশ্যক । ইয়াৰ দ্বাৰা শিশুৰ মনত দেশপ্ৰেম জাগি উঠে ।

নন্দকিশোৰ, তিনিচুকীয়া

বহুদিন ধৰি চান্দমামাৰ মই নিয়মিয়া গ্ৰাহক । ইয়াত প্ৰকাশিত গল্প, কাহিনীবোৰ মোৰ বৰ ভাল লাগে । আগতে প্ৰকাশিত ধাৰাবাহিকবোৰ বেচি ভাগ লাগিছিল । এতিয়াৰবোৰ সিমান মনোগ্ৰাহী নহয় । আমাৰ বাবে ৰসাল কাহিনী প্ৰকাশ কৰিব বুলি আশ কৰিলো ।

বিনীতা, নখেতি

চান্দমামাত কাহিনীৰ প্ৰাধান্যতা কমি গৈছে । ইয়াৰ ঠাইত সাধাৰণ জ্ঞান বেচিকৈ প্ৰকাশ কৰিছে । সাধাৰণ জ্ঞানৰ কিতাপ বজাৰতো পোৱা যায় । সেইবোৰ পঢ়িয়ে এই বিষয়ে জানিব পাৰি । এটা কথা, 'চান্দমামা' যে শিশুয়েহে অকল পঢ়ে সেইটো নহয় । ডাঙৰবোৰেও পঢ়ে । গতিকে সকলোৰে মনোগ্ৰাহীকৈ চান্দমামা প্ৰকাশ কৰিব ।

বসন্ত বৰা, গুৱাহাটী

'চান্দমামা' মোৰ প্ৰিয় আলোচনী । ভাৰতীয় সংস্কৃতি সম্পৰ্কে যিবোৰ নিবন্ধ প্ৰকাশ কৰিছে সেইবোৰ অতি জ্ঞান বৰ্দ্ধক । কিন্তু কেতিয়াবা সেইবোৰ বেচি দৰ্শনমূলক হোৱাত আমি শিশুবোৰে বুজাত টান লাগে । সহজ আৰু ৰসাল কাহিনী প্ৰকাশ কৰিব বুলি আশা ৰাখিলো ।

জিতেন, ভঙাগড়, গুৱাহাটী



ৰাক্ষসৰ পুণ্য কাম

দুষ্কামে নিধিক বিচাৰি বিচাৰি দণ্ডকাৰণ্য পালে। তাতে তেওঁক ৰাক্ষস এটাই আগভেটি ধৰিলে । তেওঁ ভয়তে থৰথৰকৈ কঁপিবলৈ ধৰিলে।

ৰাক্ষসটোৱে তেওঁক ধৈৰ্য্য ধৰিব দিলে আৰু বুজাই বঢ়াই নিজৰ কাহিনী শুনালে । "বহুবছৰ ধৰি মই মানুহ আৰু জন্তু খাই আহিঁছো আৰু সাধাৰণ জীৱন ধাৰণ কৰি আহিছো । এদিনাখন এজন ঋষিৰ লগত মোৰ দেখাদেখি হ'ল । তেওঁক মই মোৰ কাহিনী শুনালো । তেওঁক মই প্ৰাৰ্থনা কৰি কলো মোক যেন ৰাক্ষসৰ পৰা মুক্তি দিয়ে আৰু মানুহৰৰূপত জন্ম দিয়ে । ঋষিবৰে মোৰ প্ৰাৰ্থনা শুনিলে আৰু এই বুলি আশ্বাস দিলে যে যদিহে মই কোনো পুণ্য কাম কৰো তেতিয়াহলে ই সম্ভৱ হব আৰু মই মানৱ জন্ম লবৰ যোগ্য হম।"

নিজৰ কাহিনী কোৱাৰ পাছত ৰাক্ষসটোৱে দুষ্কামক কলে, "তোমাক দেখি মোৰ এনে লাগিছে যেন মোৰ পুণ্য কাৰ্য্য কৰাৰ সময় আহি পাইছে । মোৰ শক্তি অব্যৰ্থ । কোৱা, তোমাক কি লাগে?"

দুষ্কামে ভাবিলে এইবাৰ নিশ্চয় তেওঁ নিধিক বিচাৰি পাব । তেওঁ ৰাক্ষসৰ পৰা জানিব বিচাৰিলে নিধি কত আছে ।

"সঁচা কথা কোৱা, নিধিৰ লগত তোমাৰ কিহৰ সম্পৰ্ক ? যদি তুমি মিছা কথা কোৱা তেতিয়াহলে মই দেখা পোৱা নিধিক তুমি লগ পাব নোৱাৰিবা" ৰাক্ষসে কলে ।

দুষ্কামে কলে, "নিধিক পোৱাৰ পাছত মই এজন ধনী ব্যক্তি হব পাৰিম । সেই ধনেৰে মই শক্তিশালী মল্লযোদ্ধাক ভৰণ-পোষণ দিম । যিয়ে মোৰ বিৰোধিতা কৰিব, মোৰ কথা মানিবলৈ অস্বীকাৰ কৰিব তেওঁক মই উচিত শিক্ষা দিম । যি বিজয়লক্ষীক মই ভাল পাওঁ, তাইক বিবাহ কৰাম।

"ইমান সৰু কথাৰ বাবে ধনৰ কি আৱশ্য-কতা? মল্লযোদ্ধাৰ কিয় দৰকাৰ ? যি বিজয়লক্ষীক তুমি ভাল পোৱা, তাইক ভাল ভাৱেৰে সৈমান কৰাম । তোমাৰ লগত বিয়া হবলৈ তাইক সন্মত কৰাম" ৰাক্ষসটোৱে কলে।

"কিন্তু বিজয়লক্ষীয়ে সেই মানুহজনৰ লগত

মহেশ গুপ্তা

বিয়াত বহিবলৈ সন্মত হবনে, যিজনে আগতেই বিবাহ কৰাইছিল। তাই মোৰ দ্বিতীয় পত্নী হবলৈ কেতিয়াও ইচ্ছুক নহব।" দুষ্কামে কলে।

তেওঁৰ এই উত্তৰত ৰাক্ষসটোৱে আশ্চৰ্য্য প্ৰকাশ কৰি কলে, "তেতিয়াহলে তোমাৰ প্ৰথমা পত্নীৰ কি হল? তেওঁ এতিয়া কত আছে?"

ৰাক্ষসৰ এই প্ৰশ্নই দুষ্কামক গভীৰ সমস্যাত পেলালে। তেওঁ ভয়ে ভয়ে কলে, "গ্ৰামদেৱীৰ ওচৰত মই তাইক বলি দিছো। এজন তান্ত্ৰিকে কৈছিল যে তেনেকুৱা কৰিলে মোৰ ঘৰ ধন-সম্পত্তিৰে ভৰি পৰিব। কিন্তু ধন-সম্পত্তি একোয়ে নহল। এই ঘটনা চিপাহীৰ কাণত পৰাত তেওঁলোকে মোৰ পিচ ললে। তেওঁলোকৰ পৰা ৰক্ষা পাবলৈও মোক ধনৰ দৰকাৰ। ইপিনে বিজয়লক্ষীক পাবলৈও ধনৰ আৱশ্যক। সেয়েহে মোক নিধিক বিচাৰি দিয়া।"

"মানুহক পুনৰ্জন্ম দিয়াৰ শক্তি মোৰ আছে। তোমাৰ পত্নীক জীয়াই দিওঁ। তেতিয়াহলে তোমাৰ সকলো সমস্যাই দূৰ হৈ যাব। মই ঠিক কৈছোনে বাৰু? কি সেইটোকে কৰো নেকি?" ৰাক্ষসটোৱে কলে।

"মোৰ পত্নী যদি জীয়াই উঠে তেন্তে মই বিজয়লক্ষীক বিয়া কৰাব নোৱাৰিম।" দুষ্কামে কলে।

"এই দুষ্ট, তুমি মানৱ নহয়। মোৰ দৰে ৰাক্ষসতকৈও অধম, পাপী আৰু নীচ। তোমাক ভাল মানুহ হিচাপে থকাৰ বাবে মই মিছাতেই চেষ্টা কৰিছো। ভাল মানুহক সহায় কৰাই হৈছে পুণ্যকাৰ্য্য। এতিয়া স্পষ্ট হৈছে যে আজিও মই এই পুণ্যকাৰ্য্য কৰিব নোৱাৰিম। অন্য এটা দিনলৈ আৰু প্ৰতিক্ষা কৰি তোমাক আজি খাই মই মোৰ ভোক দূৰ কৰিম।" এই বুলি কৈ সি দুষ্কামক মুখৰ ভিতৰত সোমাই ললে।

কিছুসময় পাছত সেই ঋষিজনে দেখা দিলে আৰু কলে, "দুষ্কামৰ দৰে নীচ, পাপী এজনক শেষকৰি তুমি পুণ্য কামেই কৰিলা। ঠিক এইদৰে তুমি নজনাকৈ আগতে আৰু যে কিমান পুণ্যকাম কৰিছা। কিন্তু আজি তুমি যি কৰিলা, এইটো সকলোতকৈ উত্তম পুণ্যকাৰ্য্য। এতিয়া তুমি ৰাক্ষসৰ পৰা মুক্তি পালা। অতি সোনকালেই তুমি মানৱ জন্ম লব পাৰিবা। ধন্য হোৱা," এই বুলি কৈ ঋষিজন অদৃশ্য হৈ গ'ল।

মায়া সৰোবৰ

2

(জয়শীল শুই আছিল। মাজনিশা তেওঁ কাৰোবাৰ আৰ্তনাদ শুনি টোপনিৰ পৰা সাৰ পাই উঠিছিল। শ্মশানত তেওঁ এক বিচিত্ৰ আঁকাৰৰ লোকৰ শিৰচ্ছেদ কৰিছিল। তাৰ পাছত তেওঁ ওচৰতে থকা ঘৰ এটালৈ গৈছিল! সেই ঘৰৰ ঘৰাকী এজনী বুঢ়ী আছিল। যেতিয়া তেওঁ বুঢ়ীৰ সৈতে কথা কৈ আছিল, সেই সময়তে হিৰণ্য নগৰৰ ৰক্ষক, দুজন সঙ্গীৰে সৈতে তালৈ আহি দুৱাৰত খটখটাই দিছিল। ইয়াৰ পিছত-)

বুঢ়ী দুৱৰাৰ ওচৰলৈ আহি অলপ ৰল, তাৰপিছত তেওঁ জয়শীলক সুধিলে, "বাচা, তুমি কিবা অপৰাধ কৰিছা নেকি? কোনো চিপাহীৰ হাতৰ পৰা ৰক্ষা পোৱাৰ উদ্দেশ্যে ইয়াত আহি আশ্ৰয় লোৱা নাইতো?"

"বুঢ়ীমা, মই তেনে কোনো অপৰাধ কৰা নাই। মোৰ নিজৰ পেট প্ৰবৰ্তনৰ বাবে জীৱিকা বিচাৰি অ'ত ত'ত ঘূৰি ফুৰিছো। কৰবাত কিবা চাকৰি পাওঁনেকি তাৰ সন্ধান কৰিছো।" জয়শীলে বুঢ়ীক কলে।

বুঢ়ীয়ে জয়শীলৰ কথা বিশ্বাস কৰি দুৱাৰ খুলি দিলে।

নগৰ ৰক্ষকে দুৱাৰমুখতে থিয় হৈ সুধিলে, "বুঢ়ীমা! শ্মশান ৰখীয়াৰ পুতেক আৰু এজন সিদ্ধ সাধকৰ মাজত কাজিয়া লাগিছিল। সেই কাজিয়াৰ মিমংসা কৰিবলৈ মই ইয়ালৈ আহিব লগ হ'ল। কঁকালত তৰোৱাল বান্ধি লোৱা যুৱক এজন তোমাৰ ঘৰত সোমাইছে নেকি?"

জয়শীল তৎক্ষণাৎ আহি তাত উপস্থিত হ'ল। তেওঁক দেখিয়েই শ্মশান ৰখীয়াৰ পুতেকজনে চিঞৰি উঠিল, "মহাশয়, এওঁয়েই মোৰ পিতাৰ মূৰটো কাটিছে।"

সিদ্ধ সাধকজনে তাৰ কথাত অসন্তুষ্ট হৈ কলে, "হে মুৰ্খ, তোমাৰ পিতাৰা মৰা বুলি কিয় কৈছা? তেওঁতো জীয়াই আছে। মৰা

মানুহ কেতিয়াবা জীয়াই উঠিব পাৰে নেকি? এই যুৱকে নিজৰ অদ্ভুত তৰোৱালেৰে যাৰ শিৰশ্চেদ কৰিছে সেইজন তোমাৰ পিতা নহয়, তেওঁ এজন কালহে, যিয়ে তোমাৰ পিতাৰ ওপৰত ভৰ কৰিছিল । এই ৰহস্যৰ বিষয়ে মই তেওঁৰ মুখৰ পৰাই শুনিছো ।"

নগৰৰক্ষকে সিহঁত-দুজনক খুব ধমক দিলে তাৰপাছত তেওঁ জয়শীলৰ ফালে চাই কিবা কব খুজিছিল, এনেতে জয়শীলে নগৰৰক্ষকক কলে, "মহাশয়, মোৰ নাম জয়শীল, মই অমৰাৱতী নগৰত বাস কৰো। শ্মশানত এক বিকৃত আকাৰৰ লোকে মোৰ ওপৰত জঁপিয়াই পৰিব খুজিছিল । মই নিজকে ৰক্ষা কৰাৰ কাৰণে তাৰ মূৰটো কাটি দিছো । উপায়হীন হৈ মই এইটো কৰিব লগা হৈছিল ।"

"তুমি কালৰ নহয়, মোৰ পিতাৰহে মূৰটো কাটিছা । যেতিয়া মই জানিব পাৰিছিলো তেওঁক প্ৰাতঃকালতে মাৰি পেলোৱা হৈছে তেতিয়া মই তেওঁক শ্মশানলৈ লৈ আহিছিলো। মই যেতিয়া খৰি আনিবলৈ গৈছিলো তেতিয়া তেওঁ কোনো দেৱতাৰ দয়াত জীয়াই উঠিছিল । মই খৰি লৈ উভতি আহোতে তুমি তেওঁৰ শিৰশ্চেদ কৰা মই নিজ চকুৰে দেখিছিলো ।" শ্মশান ৰখীয়াৰ পুতেকে খং ভাবেৰেই কথাখিনি কৈছিল ।

"আৰে বালক, সেই শটো কাৰ আছিল মই সেইটো চোৱা নাছিলো । মই নিজৰ মন্ত্ৰ শক্তিৰে তাৰ ভিতৰলৈ কালক আহ্বান কৰিছিলো । তাৰ পাছতে সেই শটোয়ে প্ৰাণ পালে । কালক মই নিয়ন্ত্ৰন কৰিব নোৱাৰাত সি পলাই যাব খুজিছিল, তেতিয়া এই বীৰ যুৱকে কালৰ শিৰশ্চেদ কৰি মোক তাৰ হাতৰ পৰা ৰক্ষা কৰে ।" সিদ্ধ সাধকজনে একে উশাহতে কথাখিনি কলে ।

নগৰ ৰক্ষকে এটা হাঁহিমাৰি জয়শীলক কলে, "তুমি তোমাৰ নাম জয়শীল বুলি কৈছিলা নহয় নে ? ইহঁত দুজনে চাৰি-পাঁচ ঘন্টা ধৰি মিছাকৈয়ে একেটা কথাক লৈয়ে কাজিয়া কৰি আছে । এওঁলোকে এতিয়াও জানিব পৰা নাই তুমি যাৰ শিৰশ্চেদ কৰিছা, তেওঁ আচলতে কোন । মোৰ অনুমান হয় ইয়াত কোনো ৰহস্য লুকাই আছে । মন্ত্ৰীয়েহে এই সমস্যাৰ সমাধান কৰিব পাৰিব । আহা, তোমালোক তিনিওজনে মোৰ লগত আহা।" এইবুলি আটাইকেইজন তাৰপৰা ওলাই গ'ল ।

তেওঁলোকে গৈ যেতিয়া ৰাজভৱনত উপস্থিত হৈছিল সেই সময়ত মন্ত্ৰীয়েও তাত প্ৰৱেশ কৰিছিল । নগৰৰক্ষকে সকলো কথা মন্ত্ৰীৰ আগত বিৱৰি কলে ।

মনোযোগেৰে কথাখিনি শুনাৰ পাছত

মন্ত্রীয়ে অলপ সময় চিন্তা কৰি কলে, "বৈদ্য তথা আত্মীয় স্বজনৰ সম্পূৰ্ণ বিশ্বাস হৈছে যে শ্মশানৰখীয়াৰ মৃত্যু হৈছে। পুনৰ তেওঁ জীয়াই উঠাতো অসম্ভৱ । সিদ্ধ সাধকে কোনোমতে তেওঁৰ শৰীৰত কোনো কালে প্ৰৱেশ কৰিছে। সি যিয়েই নহওঁক তেওঁ জীয়াই উঠিলে আৰু ঘূৰি ফুৰিবলৈ ধৰিলে । এনে এজন প্ৰাণীৰ মূৰটো এই যুৱকে কাটি পেলাইছে । ইয়াৰ মানে এয়ে, এই যুৱক এজন হত্যাকাৰী, কিন্তু..." ইয়াকে কৈ তেওঁ অলপ সময় ৰল।

এই 'কিন্তু' শব্দটোৰ সুযোগ লৈ জয়শীলে কলে, "মহাশয়, নিজকে ৰক্ষা কৰাৰ উদ্দেশ্যে যদি শত্ৰুক বধ কৰিব লগা হয় সেইটো কেনেকৈ অপৰাধ হব পাৰে ?"

"হয়, হয়, তুমি যি যুক্তি দিছা সেইটোও সঁচা যেন লাগিছে ।" মন্ত্ৰীয়ে কলে । তেওঁৰ এনে লাগিল যেন তেওঁ মূৰৰ পৰা এটা বোজা আঁতৰি গৈছে ।

তাৰপাছত মন্ত্ৰীয়ে তাতে তেওঁলোকক ৰবলৈ গৈ তেওঁ অকলে ৰজাক দেখা কৰিবলৈ গ'ল । সেই সময়ত কনকাক্ষ ৰজাৰ সৈতে সেনাপতিৰ পুত্ৰ মঙ্গল বৰ্মাই কিবা আলোচনা কৰি আছিল । মন্ত্ৰী সোমাই অহা দেখি ৰজাই কলে, "মহামন্ত্ৰী, মঙ্গল বৰ্মাই যুৱৰাজ আৰু ৰাজকুমাৰীক বিচাৰি উলিয়াৰ কাৰণে অনুমতি বিচাৰিছে । এই বিষয়ে আপুনি কি কব খোজে ?"

"মহাৰাজ, জয়শীল নামৰ এজন যুৱকৰ সৈতে মোৰ দেখা হৈছে । তেওঁ অতি পৰাক্ৰমী আৰু সাহসী । তেওঁ অদ্ভুত আৰু অলৌকিক শক্তিৰ ভঁৰাল । মই এইটোও জানিব পাৰিছো তেওঁৰ তৰোৱাল এক অমোঘ শক্তিৰ অধিকাৰী ।" মন্ত্ৰীয়ে কলে ।

মন্ত্ৰীৰ কথা শুনি ৰজা কনকাক্ষ বৰ চিন্তাত

পৰিল । মঙ্গল বৰ্মাই মনে মনে মন্ত্ৰীৰ ওপৰত অসন্তুষ্ট হ'ল । তেওঁ সেই অসন্তুষ্টিৰ ভাব লুকাই নাৰাখি প্ৰকাশ্যে কৈ দিলে, "জয়শীল নামৰ সেই যুৱকজন কোনো উচ্চ বংশৰ লোক নেকি? মহাৰাজে ঘোষণা কৰি দিছে যে, যিয়ে যুৱৰাজ আৰু ৰাজকুমাৰীক বিচাৰি আনি দিব পাৰিব তেওঁকে অৰ্দ্ধ ৰাজ্য দিয়া হব । তেওঁ সেই অৰ্দ্ধৰাজ্য পোৱাৰ উপযুক্ত নে বাৰু ?"

এই অসঙ্গত প্ৰশ্ন শুনি মন্ত্ৰীয়ে খংভাৱে কলে, "আমি এতিয়ালৈকে জানিব পৰা নাই যিয়ে যুৱৰাজ আৰু ৰাজকুমাৰীক অপহৰণ কৰি নিছে তেওঁলোক মানৱ নে দানৱ নে দেৱতা । এনে এক বিষম পৰিস্থিতিত যাৰ তেওঁলোকক বিচাৰি অনাৰ শক্তি আছে, তেওঁ নিশ্চয় শক্তিশালী, পৰাক্ৰমী, আৰু সুযোগ্য হব । এনে এজন বীৰক অৰ্দ্ধৰাজ্য দিয়াতো নিশ্চয় সমুচিত হব । তেওঁ ইয়াৰ লায়ক ।"



"তেওঁৰ তৰোৱালৰ শক্তি অমোঘ নে অদ্ভুত মই কেনেকৈ বিশ্বাস কৰিম । সেই তৰোৱালখন মোক এবাৰ দিয়ক । মই তাৰ পৰীক্ষা কৰি চাম ।" মঙ্গল বৰ্মাই কলে ।

ৰজা কনকাক্ষই মঙ্গল বৰ্মাৰ কথাটো সমৰ্থন কৰি কলে, "মন্ত্ৰীবৰ, জয়শীলৰ তৰোৱালখন পৰীক্ষা কৰাৰ সুযোগ মঙ্গল বৰ্মাক এবাৰ দিয়া যাওঁক । যদি সঁচাকৈয়ে সেই তৰোৱাল শক্তিশালী বুলি প্ৰমাণিত হয়, তেতিয়াহলে সেই যুৱকক পুৰস্কৃত কৰা হব আৰু নিজৰ দৰবাৰতে তেওঁক চাকৰি দিয়াৰ ব্যৱস্থা কৰিম ।"

"কেনে ধৰণৰ পৰীক্ষা মহাৰাজ ?" মন্ত্ৰীয়ে সুধিলে ।

"আমাৰ পশুশালাৰ অধিপতিক আদেশ দিয়া হওঁক তেওঁ যেন পিঁজৰাবদ্ধ দুটা ডাঙৰ বাঘ লৈ আহে । অমোঘ আৰু অদ্ভুত শক্তিশালী সেই তৰোৱাল হাতত লৈ মঙ্গল বৰ্মাই পিঁজৰাৰ পৰা ওলাই অহা সেই বাঘ দুটাৰ সন্মুখীন হব । ৰজাই কলে ।

মন্ত্ৰীয়ে কোৱাৰ লগে লগে জয়শীলে আনন্দ মনে তেওঁৰ তৰোৱালখন মঙ্গল বৰ্মাক অৰ্পণ কৰিলে । পিঁজৰাত আবদ্ধ দুটা ডাঙৰ বাঘ লৈ অহা হ'ল । সেই বাঘ দুটা চাৰিওফালে ওখ দেৱালেৰে আগুৰা ৰঙ্গভূমিত ৰখা হ'ল । পশুশালাৰ অধিপতিয়ে মঙ্গল বৰ্মাক সাৱধান কৰি দি ওপৰৰ পৰা পিঁজৰাৰ দুৱাৰ খুলি দিলে । ৰজা, মন্ত্ৰী আৰু জয়শীলে ওপৰ তলাত বহি ঘটনাৰ ৰেহ-ৰূপ চাই আছিল । পিঁজৰাৰ দুৱাৰ খোলাৰ লগে লগে দুয়োটা বাঘে গৰ্জন কৰি মঙ্গল বৰ্মাৰ ফালে আগবাঢ়িবলৈ ধৰিলে । সেনাপতিৰ পুত্ৰ মঙ্গল বৰ্মা তৰোৱাল যুদ্ধ আৰু ধনুৰ্বিদ্যাত পাৰ্গত হলেও, যেতিয়া দুয়োটা বাঘে একেলগে মুখ মেলি খেদি আহিছিল তাকে দেখি তেওঁ ভয়তে কঁপিবলৈ ধৰিলে ।

ওপৰৰ পৰা এই দৃশ্য চাই থকা জয়শীলে ভাবিছিল নিজৰ প্ৰাণ ৰক্ষা কৰিবলৈকে হলেও মঙ্গল বৰ্মাই অন্ততঃ তৰোৱালখন ব্যৱহাৰ কৰিব । কিন্তু মঙ্গল বৰ্মাই ভয়তে মনে মনে থিয় হৈ থাকি কঁপিবলৈ ধৰিলে । তেওঁক উৎসাহ দিবলৈকে বুলি জয়শীলে ওপৰৰ পৰা চিঞৰি কৈছিল. "মঙ্গলবৰ্মা, তোমাৰ হাতত যিখন তৰোৱাল আছে সেইখন অমোঘ শক্তিৰ অধিকাৰী । ভয় নকৰিবা । সেই তৰোৱালেৰে সিহঁতক আঘাত কৰা ।"

তাৰ পিচতে এটা বাঘে মঙ্গল বৰ্মাৰ ওপৰত জঁপিয়াই পৰি হাতোৰাৰে তেওঁৰ কান্ধত আঘাত কৰিলে । মঙ্গল বৰ্মাই তেওঁৰ মৃত্যু নিশ্চিত বুলি জানি মনতে সাহস গোটাই তৰোৱালখন বাঘৰ বুকুত সুমুৱাই দিবলৈ চেষ্টা কৰিছিল । কিন্তু থৰ থৰকৈ কঁপি থকা হাতৰ পৰা তেওঁৰ তৰোৱালখন মাটিত পৰি গৈছিল।

সিদ্ধ সাধকে বিপদৰ সঙ্কেত পাই জোৰেৰে চিঞৰি উঠিল, "বীৰ যুৱক জয়শীল ।"

জয়শীলে হাততালি বজাই তৎক্ষণাত দহফুট ওপৰৰ পৰা জাঁপ মাৰি বাঘৰ সম্মুখত আহি পৰিল আৰু বিজুলী বেগেৰে মাটিত পৰি থকা তৰোৱাল হাতত তুলি ললে ।

ৰজা কনকাক্ষই জয়শীলৰ সাহসক প্ৰশংসা কৰি কলে, "বাঃ, ইমান সাহস ! এনে যুৱকৰ সহায়তে আমি নিশ্চয় যুৱৰাজ আৰু ৰাজকুমাৰীক বিচাৰি উলিয়াব পৰিম ।"

ইয়াৰ মাজতে জয়শীলে মাটিত ভৰি দিয়েই জানি-বুজি চাৰি খোজ পিচুৱাই গ'ল। এটা বাঘে তেওঁক আক্ৰমণ কৰিলে । জয়শীলে সুযোগ লৈ এখোজ আগবাঢ়ি আহি বাঘৰ বুকুত তৰোৱালখন সুমুৱাই দিলে ।

বাঘটো মাটিত বাগৰি পৰি চটফাতাবলৈ ধৰিলে । সঙ্গীটোৰ এই অৱস্থা দেখি অন্য বাঘটোৱে ভয়খাই পিচুৱাই গৈ দুৱাৰ খুলি থোৱা পিঁজৰাটোত গৈ সোমল । ওপৰৰ পৰা কনকাক্ষ ৰজাৰ লগতে সকলোৱে হৰ্ষধবনি কৰিবলৈ ধৰিলে ।

ইয়াৰ পাছত মঙ্গল বৰ্মাই চকুমেলি চালে । তেওঁ মৃত বাঘটো আৰু পিঁজৰাত সোমাই থকা বাঘটো দেখি ভয়তে কঁপি কঁপি ৰজাক কলে, "মহাৰাজ, নিসন্দেহে এই তৰোৱালৰ শক্তি অমোঘ আৰু অদ্ভুত । দুৰ্ভাগ্যবসতঃ সেইখন মোৰ হাতৰ পৰা পিচলি পৰিল । এই বাবে ইয়াৰ শক্তি পৰীক্ষা কৰিব নোৱাৰিলো । জয়শীলেই সেই কাম কৰি দেখুৱালে ।"

"তুমি ঠিক কথাই কৈছা । ভাগ্যক্ৰমেহে আজি তুমি কোনোমতে বাচি গ'লা ।" এইবুলি কৈ মন্ত্ৰীয়ে অলপ হাঁহিলে ।

"মই প্ৰথমতেই আপোনাক কৈছো । স্বয়ং কালেই এই তৰোৱালক আশীৰ্বাদ দিছে । ইয়াৰ সৈতে যদি মোৰ সহায়ো লগ হয়, তেনেহলে জয়শীল বিশ্ববিজয়ী হব ।" সিদ্ধ সাধকজনে কলে ।

“কিন্তু ইমান শক্তিশালী তৰোৱাল থকা স্বত্বেও মঙ্গল বৰ্মাই একো কৰিব নোৱাৰিলে।” ৰজাই কলে ।

মন্ত্ৰী ধৰ্মমিত্ৰই ওপৰৰ পৰা হালি জয়শীলক কলে, “জয়শীল, এতিয়া ওপৰলৈ আহা । তোমাৰ সাহস দেখি আমি অতি আনন্দিত হৈছো । তুমি আমাৰ সেনাপতিৰ পুত্ৰৰ প্ৰাণো ৰক্ষা কৰিলা । ইয়াৰ কাৰণে আমি তোমাক আন্তৰিক ধন্যবাদ জনাইছো।”

তেতিয়া জয়শীলে কলে, “মহাশয়, আগতে বাঘ সোমাই থকা পিঁজৰাটোৰ দুৱাৰখন বন্ধ কৰি দিয়ক । ওই এপৰলৈ গলে ইয়াতে মঙ্গল বৰ্মা অকলে থাকিব । মিছাকৈ কিয় বিপদ চপাই লওঁ ।”

এই কথা শুনি সিদ্ধ সাধকে জোৰেৰে হাঁহি মাৰি কলে, “মঙ্গল বৰ্মাৰ হাতত অস্ত্ৰ থাকিলেও কি লাভ । এনে যুৱকৰ হাতত ইন্দ্ৰৰ বজ্ৰও নিৰৰ্থক বুলি প্ৰমাণিত হব ।

মন্ত্ৰীয়ে হাতখন আগবঢ়াই দিলে আৰু জয়শীলে তাতে ধৰি ওপৰলৈ উঠি গ'ল । তেওঁ ওপৰলৈ উঠি যোৱাৰ লগে লগে সিদ্ধ সাধকে তেওঁক সাবতি ধৰি কলে, “তুমি এজন সাহসী পুৰুষ । তোমাৰ দৰে নিৰ্ভিক লোকক দেখি ভয়ো পলাই যায় । কালক নিজৰ বশ কৰিবলৈ মোক তোমাৰ সহায়ৰ আৱশ্যক হব। লগতে যুৱৰাজ আৰু ৰাজকুমাৰীক বিচাৰি লৈ অহাৰ ক্ষমতা কেৱল তোমাৰহে আছে । ইয়াৰ দ্বাৰা মহাৰাজৰ সমস্যা দূৰ হব আৰু তেওঁ চিন্তামুক্ত হব পাৰিব।”

ইয়াৰ পিছত সকলোৱে তললৈ নামি আহি ৰাজভৱনত প্ৰৱেশ কৰিলে । এনেতে দুৱাৰৰ ওচৰত থিয় হৈ থকা পহৰাদাৰৰ পুতেকে চিঞৰি কলে, “প্ৰভু, মোৰ মৃত পিতা আকৌ জীয়াই উঠিছিল । পিছত তেওঁক আকৌ বধ কৰা হল । ইয়াৰ মোক ক্ষতিপূৰণ দিয়ক ।”

মন্ত্ৰী ধৰ্মমিত্ৰই তাৰ ফালে এবাৰ চাই আশ্বাস দি কলে, “পিতাৰৰ মৃত্যুৰ কাৰণে চিন্তা নকৰিবা । ভৱিষ্যতে তুমিয়েই নগৰৰ সকলো শ্মশানৰে পৰ্য্যবেক্ষক হবা । এতিয়া তুমি যিমান টকা পোৱা তাৰ দহ গুণ তুমি পাবা । বেচি চিঞৰ-বাখৰ নকৰিবা, ইয়াৰ পৰা গুচি যোৱা ।”

“মহাশয়, মই যিমান দিন জীয়াই থাকো আপোনাৰ উপকাৰৰ কথা নাপাহৰো । আজি যদি মোৰ পিতা জীয়াই থাকিলহেতেন মোৰ পদোন্নতি দেখি অতি আনন্দিত হ'ল হেতেন।” এইবুলি কৈ চকুপানী মচি মচি তাৰ পৰা গুচি গ'ল । সি গুচি যোৱাৰ পিছত ৰজা, মন্ত্ৰী, জয়শীল আৰু সিদ্ধসাধক গৈ সভাকক্ষ পালে ।

ৰজা কনকাক্ষই সিংহাসনত বহি চিন্তা

কৰিবলৈ ধৰিলে । অলপ সময় পিছত তেওঁ মন্ত্ৰীক কলে, "মহামন্ত্ৰী, এতিয়া আমি কি কৰো ? যুৱৰাজ আৰু ৰাজকুমাৰীক বিচৰা কাৰ্য্যত সকলোৱে বিফল হৈছে । এনে পৰিস্থিতিত ইয়াৰ দায়িত্ব যদি সাহসী যুৱক জয়শীলক অৰ্পণ কৰা হয় এইটো জানো ঠিক হব ?"

মন্ত্ৰীয়ে জয়শীলৰ ফালে চাই কিবা কব খুজিছিল, এনেতে সিদ্ধসাধকে কলে, "অতি উত্তম হব মহাৰাজ । আপোনাৰ সন্তানক বিচাৰি আনিবলৈ কেৱল সাহস আৰু শক্তিয়েই যথেষ্ট নহয় । ইয়াৰ বাবে অলৌকিক জ্ঞান থকাও নিতান্ত আৱশ্যক । সেয়েহে মোকো জয়শীলৰ লগত যাবলৈ অনুমতি দিয়ক ।"

সিদ্ধসাধকৰ প্ৰস্তাৱটো জয়শীলৰ ভাল নালাগিল । সেয়েহে তেওঁ ৰজাক কলে, "মহাৰাজ, মোৰ এটা অনুৰোধ আছে ।"

"কোৱা, কোৱা, কি কব লগা আছে নিৰ্ভীকভাবে কোৱা । আমিও তোমাৰ মত শুনিবলৈ সাজু আছো ।" ৰজাই কলে ।

"মহাৰাজ, মই নিজ দেশ এৰি চাকৰিৰ সন্ধানত ইয়ালৈ আহিছো । মোক কোনো এটা চাকৰি দিলে মই আনন্দিত হম । মই আপোনাৰ ওচৰত সদায় কৃতজ্ঞ হৈ থাকিম ।" জয়শীলে কলে ।

ৰজাই এবাৰ মন্ত্ৰীৰ ফালে চালে । তেতিয়া মন্ত্ৰীয়ে জয়শীলক কলে, "জয়শীল, মহাৰাজৰ দৰবাৰতে তোমাক চাকৰি দিয়া হব । এতিয়াৰ পৰা ৰজাৰ সেৱক সকলৰ ভিতৰত তুমিও এজন । ৰজাৰ আজ্ঞা পালন কৰা সেৱকসকলৰ প্ৰথম কৰ্ত্তব্য ।"

"নিশ্চয় । মই নিজৰ কৰ্ত্তব্য পালন কৰিবলৈ প্ৰস্তুত আছো । মহাৰাজে যি আদেশ দিয়ে তাক মই আখৰে আখৰে পালন কৰিম ।" জয়শীলে সবিনয়ে কলে ।

মন্ত্ৰীয়ে জয়শীলৰ উত্তৰত আনন্দিত হৈ কলে, "জয়শীল, মহাৰাজৰ এই আদেশ, তুমি যথাশীঘ্ৰে যুৱৰাজ আৰু ৰাজকুমাৰীক বিচৰা কামত লাগি যোৱা আৰু তেওঁলোকক বিচাৰি আনা ।"

এনেতে তালৈ এজন ৰজাৰ সেৱক সোমাই আহি এডাল মুকুতাৰ হাৰ আৰু এখন চিঙা তৰোৱাল দেখুৱাই কলে, "মহাৰাজ, যিডাল গছৰ তলৰ পৰা যুৱৰাজ আৰু ৰাজকুমাৰী নোহোৱা হৈছিল তাতে এজন ভীলৰ পৰা এইবস্তুবোৰ পোৱা গৈছে । তাৰ মানসিক অৱস্থা ভাল নহয় আৰু পাগলৰ দৰে কথা কৈ থাকে ।"

-আগলৈ



পঁচিশ বছৰ পূৰ্বে প্ৰচাৰিত কাহিনী

সন্ন্যাসীৰ লালসা

ৰামনাৰয়ণে তেওঁৰ পত্নী আৰু দুটা সন্তানেৰে সৈতে বৰ সুখেৰেই জীৱন যাপন কৰিছিল। কিন্তু হঠাৎ তেওঁৰ মনত সন্ন্যাসী হোৱাৰ ইচ্ছা হ'ল । তেওঁৰ ঘৈণীয়েকে তেওঁক বহুত বুজালে যাতে তেওঁলোকক এৰি থৈ তেওঁ নাযায়, কিন্তু ৰামনাৰায়ণে তেওঁৰ কোনো কথায়ে নুশুনিলে।

"সন্ন্যাসী হোৱাৰ যোগ্যতা সকলোৰে গাত নাথাকে; তাৰোপৰি তোমাৰ সন্তানো এতিয়া বহুত সৰু। সেয়েহে তুমি সন্ন্যাসী নহবা" এইদৰে কেবাজনেও বুজালে, তথাপিও ৰামনাৰায়ণে নিজৰ মতৰ সলনি নকৰিলে ।

এদিন ৰাতিপুৱাই ঘৰৰ পৰা ওলাই যাবাৰ বাবে ৰামনাৰায়ণ সাজু হ'ল, তেতিয়া তেওঁৰ পত্নীয়ে কলে, "বাটত তোমাৰ ভোক লাগিব পাৰে, ৰাতিৰে ভাত অকণমান বান্ধি দিলো, লৈ যোৱা।"

টোপোলাটোলৈ ৰামনাৰায়ণ ওলাই পৰিল । কিছুদূৰ গৈ তেওঁৰ ভোক লগাত এজোপা গছৰ তলত বহি খোৱাবস্তু অনা টোপোলাটো খুলিলে । কিন্তু তেওঁ তাত ভাতৰ সলনি দেখিলে কাঠৰ ভুচি! ৰামনাৰায়ণৰ ঘৈণীয়েকৰ ওপৰত খুৱ খং উঠিল, তেওঁ ঘৰলৈ উলতি আহি ঘৈণীয়েকক খুব বকিলে ।

"সন্ন্যাসীৰ মনত পাৰিবাৰিক বন্ধন আৰু কামনা থাকিব নালাগে । তেওঁলোকৰ নিজক নিয়ন্ত্ৰন কৰাৰ শক্তি থাকিব লাগে ।" ঘৈণীয়েকে তেওঁক বুজালে । ইয়াৰ পাছত ৰামনাৰায়ণে সন্ন্যাসী হোৱাৰ ইচ্ছা মনৰ পৰা ত্যাগ কৰিলে ।



ৰজা বিক্ৰম
আৰু বেতালৰ
নতুন কাহিনী

দেৱী মা

দৃঢ়প্ৰতিজ্ঞ ৰজা বিক্ৰমাদিত্য পুনৰ গছজোপাৰ ওচৰলৈ গ'ল । গছৰ পৰা মৰাশটো নমাই কান্ধত লৈ মৌন ভাৱে শ্মশানৰ ফালে যাবলৈ ধৰিলে । তেতিয়া শটোৰ ভিতৰত থকা বেতালে মাত লগালে-- “ৰাজন, সংসাৰত এনেকুৱা মানুহ পোৱা যায়, যিসকলৰ মাজত এইটো ভয় থাকি যায় যে কোনো এটা কাৰ্য্য সম্পূৰ্ণ হোৱাৰ আগতেই বন্ধ হৈ যাব । এই ধৰণৰ লোকে যিকোনো কাৰ্য্যৰে পুৰ্ণতাত বিশ্বাস নকৰে । তেওঁলোকৰ মাজত বিশ্বাসৰ অভাৱ ঘটে । কিন্তু তোমাৰ কথা অন্য । তুমি এইসকল লোকৰ দৰে নহয় । তথাপিও এই অন্ধকাৰ ৰাতি তোমাক

সন্তান জন্ম পালে। তাইৰ নাম ৰাখিলে অন্নপূৰ্ণা। খুব আদৰ যত্নেৰে তেওঁলোকে তাইৰ দেখা-শুনা কৰিলে । তেওঁলোকৰ বাবে তাইয়ে সকলো আছিল। কিন্তু হঠাৎ পাঁচ বছৰ বয়সত তাই এক অচিনাকি ৰোগত ভোগে। অন্নপূৰ্ণাই যি খাইছিল, তাইৰ গাত একোয়ে নাথাকিছিল। সদায় পুৰা গধূলি তাইৰ খুব জোৰকৈ মূৰ বিষাইছিল। বিষতে তাই কান্দি উঠিছিল। কিমান যে বেজৰ দ্বাৰা চিকিৎসা কৰালে, কিন্তু কোনো ফল নহল । একো উপায় নাপায় ৰত্নগুপ্তই ওচৰৰে জঙ্ঘললৈ গ'ল। তেওঁ তাত থকা অঙ্গদ মুনিক নিজৰ দুখভৰা কাহিনী শুনালে।

মুনি কিছুসময় ধ্যানত আছিল আৰু তাৰ পিছত চকু মেলি কলে, "কন্যা জন্ম হোৱাৰ পাছত তাইৰ প্ৰতি তোমাৰ অনুৰাগ লগাতকে বেছি হৈছে । তুমি দেৱভক্তি পাহৰি গৈছা । তোমাৰ ছোৱালীৰ ৰোগ তোমাৰ বাবে ভগৱানৰ এক ৰকম সাৱধান বানী। তাইৰ মনত দেৱভক্তি যোগোৱা। ইয়াৰ দ্বাৰাই প্ৰভাৱিত হৈ তাই এই সত্য জানিব যে ভগৱান মা-দেউতাতকৈও মহান।"

ৰত্নগুপ্তই অঙ্গদ মুনিয়ে কোৱাৰ দৰেই কাম কৰিলে। সেইদিনাৰ পৰা অন্নপূৰ্ণাই ভগৱানৰ পুজা-পাতালত মন দিলে । খাবলৈ দিয়া আহাৰখিনি তাই ভগৱানৰ প্ৰসাদ বুলি খাব ধৰিলে। লাহে লাহে তাইৰ বেমাৰ কিছু কমিলে। কিন্তু তাই সদায় বালক ধ্ৰুৱৰ দৰে, ভক্ত প্ৰহ্লাদৰ দৰে ভক্তিত লীন হৈ থাকিল । দৈৱ ধ্যানত লীন হৈ থাকিল।

এইটো দেখি ৰত্নগুপ্তৰ খুব দুখ হৈছিল যে দেৱভক্তিয়ে অন্নপূৰ্ণাৰ বেমাৰৰ কাৰণ আছিল। তাই যেতিয়া ডাঙৰ হৈ আহিল দেউতাকে তাইৰ

শ্মশানত দেখি মই আচৰিত হৈছো আৰু তোমাৰ প্ৰতি মোৰ দয়া উপজিছে । তোমাৰ এই কাম মোৰ একেবাৰেই উচিত লগা নাই । দেখা যায় কেতিয়াবা কেতিয়াবা জ্ঞানী মানুহেও এই কাৰণেই বহুত কষ্ট সহ্য কৰিব লগা হয়, যাৰ তেওঁলোক ভক্ত, যাক তেওঁলোকে আৰাধনা কৰে।

উদাহৰণ স্বৰূপে মই তোমাক অঙ্গদ নামৰ এজন মুনিৰ কাহিনী শুনাম, যিজনে বয়সৰ কাৰণে নিজৰ বিবেক হেৰুৱাইছে আৰু হেৰুৱাইছে তাৰ্কিক দৃষ্টি । লগতে তুমি সেই বিশ্বেশ্বৰৰ কাহিনীও মোৰ পৰা শুনা, যিজনে সেই মুনিজনক বিশ্বাস কৰিছিল ।" ইয়াৰ পাছত বেতালে অঙ্গদ মুনিৰ কাহিনী কবলৈ ধৰিলে।

ৰত্নাগিৰি নগৰত ৰত্নগুপ্ত নামৰ এজন ভাগ্যবান ব্যক্তি আছিল। ৰত্নৱতী আছিল তেওঁৰ পত্নী। দুয়ো পৰোপকাৰী আৰু দেৱভক্ত আছিল। বহুত বছৰৰ মূৰত তেওঁলোকৰ এজনী কন্যা

বিয়াৰ যোজা আৰম্ভ কৰা দেখি তাই কলে, মোৰ জীৱন ভগৱানক সমৰ্পণ কৰিছো। মই কেতিয়াও বিবাহ নকৰো।"

ৰত্নগুপ্তই তাইক বহুত বুজালে, ধমক দিলে, ভয় দেখুৱালে কিন্তু তাই অলৰ অচৰ হৈ থাকিল। তেওঁ যেতিয়া অনেক চেষ্টা কৰিও হাৰ মানিলে তেতিয়া আকৌ অঙ্গদ মুনিৰ কাষলৈ গৈ গোটেই ঘটনা বিবৰি কলে। তেওঁক ৰত্নগুপ্তই নিজৰ ঘৰলৈ নিমন্ত্ৰন কৰিলে। অঙ্গদ মুনিয়ে অন্নপূৰ্ণাক কলে, "প্ৰত্যেক মানুহৰ শৰীৰত ভগৱান আছে। তুমি মানুহৰ মাজত ভগৱানক চাব খোজা যদি তেওঁক বিবাহ কৰোৱা, যিজনক তোমাৰ মা-দেউতাই তোমালৈ ঠিক কৰিছে। নিজৰ পতিৰ মাজত ভগৱানক চোৱা। তেতিয়াহে ভগৱানে তোমাৰ প্ৰতি দয়া কৰিব আৰু তোমাক সন্তান লাভ কৰাৰ বৰ দিব। সেই সন্তানক ভগৱানে নিজৰ অংশ প্ৰদান কৰিব।

সকলো স্ত্ৰীয়ে মা হব বিচাৰে। এইটো তেওঁলোকৰ সহজ গুণ। অন্নপূৰ্ণাই মুনিৰ কথা মানি ললে। বৈভৱ নামৰ সম্ভ্ৰান্ত বেপাৰী যুৱক জনৰ লগত তাইৰ বিয়া হ'ল। এবছৰৰ পাছত সিহঁতৰ এটা সুন্দৰ পুত্ৰ সন্তান জন্ম হ'ল। অন্নপূৰ্ণাই ভাবিলে ভগৱানেই সিহঁতৰ ঘৰত পুত্ৰ হৈ জন্ম লৈছে। মাক দেউতাক দুয়ো লগলাগি ল'ৰাটোৰ নাম ৰাখিলে, বিশ্বেশ্বৰ।

বিশ্বেশ্বৰে এফালে মাকৰ -- পৰা বহুতমৰম পাইছিল আৰু আনফালে ভক্তিপূৰ্ণ পৰিবেশত সি ডাঙৰ দীঘল হৈছিল। তেওঁলোকৰ ঘৰত সদায় পূজা-পাতাল চলিয়েই আছিল। অতি কম বয়সতে তাৰ ব্যহিক সুখৰ প্ৰতি বিৰক্তি ভাব উপজিছিল। দেৱ-দৰ্শনৰ প্ৰতি তাৰ মন ব্যাকুল হৈ পৰিছিল। এই কথাভাৱি অন্নপূৰ্ণাৰ দুখ



লাগিছিল যে তাইৰ লৰাটো আনতকৈ বেলেগ আৰু বিশেষ ধৰণৰ।

বৈভৱে ঘৈনীয়েকৰ দুখৰ কাৰণ গম পাই তেওঁক পৰামৰ্শ দি কৈছিল, "তুমিয়েই তোমাৰ ল'ৰাৰ মনত ইমান দেৱভক্তি যোগাইছা। তোমাৰ বাবেই সি ইমান ডাঙৰ দেৱভক্ত হ'ল। এতিয়া অন্ততঃ তাক ভগৱানৰ পৰা দূৰত ৰাখা।"

অন্নপূৰ্ণাই গিৰীয়েকৰ কথা সঠিক বুলি মানি ললে। পিছদিনাখন তেওঁ বিশ্বেশ্বৰক খং ভাৰত কলে, "এতিয়া তোমাৰ বয়স হৈছে খেলাধূলা কৰাৰ। আজিৰ পৰা তুমি ভগৱানক পূজা কৰা বন্ধ কৰি দিয়া আৰু আনবোৰ ল'ৰা-ছোৱালীৰ দৰে পঢ়া-শুনা কৰা, খেলাধূলা কৰা।"

মাকৰ সকলো কথা মানি চলা বিশ্বেশ্বৰে কিন্তু এইটো মানি লব নোৱাৰিলে। তেওঁ যাকেই তেওঁৰ মনৰ কথা কৈছিল, সকলোৱে কিন্তু অন্নপূৰ্ণাকহে সমৰ্থন কৰিছিল। তেওঁ ঘৰৰ পৰা

ওলাই আহি অৰণ্যলৈ গ'ল আৰু এডাল গছৰ তলত বহিলৈ তপস্যা কৰিব ধৰিলে । সেই অৰণ্যত থকা হিংস্ৰ জন্তুয়ে তেওঁক কোনো আক্ৰমণ নকৰিলে । হয়তো তেওঁৰ শৰীৰত ভগৱানৰ অংশ থকা বাবেই নাইবা মাকৰ অকৃত্ৰিম মৰমৰ বাবেই তেওঁ হিংস্ৰ জন্তুৰ পৰা ৰক্ষা পৰিছে । আনকি তাত থকা বিষাক্ত সাপবোৰেও তেওঁক আঘাত কৰিব সাহস কৰা নাছিল । তেওঁৰ যেতিয়া ভোক লাগিছিল, চকু মুদি প্ৰাৰ্থনা কৰা মাত্ৰেই তেওঁৰ ওচৰত ফলমূল আহি গৈছিল ।

কোনেও বিশ্বেশ্বৰক চিনি পোৱা নাছিল । তেওঁ যেতিয়া ঘৰ এৰি গুছি আহিছিল তেতিয়া তেওঁৰ বয়স আছিল মাত্ৰ দহ বছৰ । অৰণ্যত তেওঁ একেৰাহে দহবছৰ তপস্যা কৰিছিল । তথাপিও তেওঁ ভগৱানক দৰ্শন কৰিব নোৱাৰিলে।

এদিন ৰাতিপুৱা বিশ্বেশ্বৰ সৰোবৰত গা ধুই আছিল । সেইসময়ত এজন চিকাৰী হৰিণাপহু চিকাৰ কৰিবলৈ তালৈ আহিছিল । বিশ্বেশ্বৰক দেখিয়েই তেওঁ আচৰিত হৈ কলে, "হে পৰমেশ্বৰ, সেইদিনা যেনেকে অৰ্জুনক দৰ্শন দিছিলে, ঠিক তেনেদৰে আজি মোকো দৰ্শন দিয়ক ? মই যে কিমান ভাগ্যবান," এইবুলি কৈ তেওঁ হাত যোৰ কৰিলে । বিশ্বেশ্বৰ সৰোবৰৰ পৰা বাহিৰলৈ উঠি আহি কলে, "মই নাজানো, আপুনি কোন ? কিন্তু আপুনি বয়সত মোতকৈ ডাঙৰ । মোক প্ৰণাম কৰা আপোনাৰ উচিত হোৱা নাই ।"

তেতিয়া চিকাৰীজনে কলে, "আপোনাৰ মুখমণ্ডলত সূৰ্য্যৰ পোহৰ আছে । গলত সাপৰ মালা আছে । গতিকে প্ৰণামেই নহয় বৰং আপোনাৰ চৰণ চুব লাগে, এইবুলি কৈ তেওঁ সাষ্টাঙ্গে প্ৰণাম কৰিলে । বিশ্বেশ্বৰ আচৰিত হৈ ৰ'ল । তেওঁ তেওঁৰ মূৰ আৰু গ'ল খেপিয়াই চালে কিন্তু কোনো পৰিবৰ্তন দেখা নাপালে ।

তেওঁ চিকাৰীজনক কিবা কব খুজিছিল এনেতে চিকাৰীবানে কলে, "বাহ্, স্বামী আপুনি মোৰ ওপৰত দয়া দেখুৱালে আৰু অন্তৰ্ধান হৈ গ'ল। মোৰদৰে ভাগ্যবান এই সংসাৰত আৰু কোনো নাই।" তেওঁ এনেকুৱা আচৰণ কৰিলে, যেন তাত বিশ্বেশ্বৰ নাইয়ে। তাৰ পাছত চিকাৰীজন তাৰ পৰা গুচি গ'ল।

"মই, আৰু পৰমেশ্বৰ ? মোৰ ওপৰত ভগৱান অন্তৰ্ভুক্ত হোৱা নাইতো। যাক মই দেখা নাপাওঁ, কিন্তু আনে মোৰ তাত ভগৱানক দেখা পায়।" তেওঁ সেইবুলিয়ে ভাবিলে। এতিয়া তেওঁৰ মন খুব অস্থিৰ হৈ পৰিল। বহুত সময় চিন্তা কৰাৰ পাছত তেওঁ ইয়াৰ সত্যতা জানিবৰ বাবে মানুহৰ মাজলৈ যোৱাটো ঠিক কৰিলে। তেওঁ ভাবিলে যে মানুহে হে এইটো কব পাৰিব যে সচাঁ কোনটো বা মিছা কোনটো ?

তেওঁ যেতিয়া ৰত্নগিৰিৰ ফালে গৈ আছিল বাটতে মুনি অঙ্গদৰ লগত তেওঁৰ ভেটাভেটি হয়। এতিয়া মুনিৰ গাত বুঢ়া বয়সৰ লক্ষণ দেখা দিছে। কথাই কথাই মুনিয়ে গম পালেয়ে এই অচিনাকি মানুহজন ৰত্নগিৰিলৈ যাব। তেতিয়া তেওঁ কলে, "পুত্ৰ, প্ৰথম বছৰ এবাৰেই ভগৱান দৰ্শন হৈছিল। কিন্তু যোৱা দহবছৰ ভগৱান মোৰ ওপৰত সন্তুষ্ট হোৱা নাই। তেওঁক দৰ্শন কৰিবই পৰা নাই। ৰত্নগিৰিত অন্নপূৰ্ণা নামেৰে এগৰাকী পতিব্ৰতা স্ত্ৰী আছে। তেওঁৰ এজন বিশ্বেশ্বৰ নামৰ পুত্ৰও আছিল। এগৰাকী দেৱীয়ে মোক সপোনত কৈছিল যে তেওঁক দৰ্শন কৰিলে মোৰ সমস্যাৰ সমাধান হব। সেয়েহে প্ৰত্যেক বছৰ ৰত্নগিৰিলৈ গৈ বিশ্বেশ্বৰক দেখা কৰোঁ। কিন্তু মোৰ সমস্যা আগৰ দৰেই আছে। তুমি তেওঁক কবা বৰ্তমান মোৰ স্বাস্থ্য ঠিক নহয় সেয়েহে তেওঁক মই দেখা



কৰিব নোৱাৰিম। কিবা খবৰ থাকিলে মোক জনাব দিবা।"

অঙ্গদ মুনিৰ কথাই বিশ্বেশ্বৰক আৰু বেছি চিন্তাত পেলালে। তেওঁ মুনিক গোটেই ঘটনাটো বিবাৰি কলে যে যোৱা দহবছৰ ধৰি মই এই অৰণ্যত তপস্যা কৰিছো আৰু আপুনি কৈছে যে আপুনি মোক প্ৰত্যেক বছৰে মোৰ ঘৰত দেখা কৰিছে। এইটো কেনেদৰে সম্ভৱ হব পাৰে ?"

তেতিয়া অঙ্গদ মুনিয়ে বিশ্বেশ্বৰক মনোযোগেৰে চলে আৰু কলে, "মোৰ দৃষ্টিশক্তি কমি গৈছে. সেয়েহে তোমাক এতিয়ালৈ চিনিবই পৰা নাই। তোমাকেতো ইমানদিনে তোমাৰ ঘৰত লগ ধৰিবলৈ আহিছিলো। এতিয়া সকলোবোৰেই মই বুজি পাইছো। তোমাৰ মায়ে তেওঁৰ পুত্ৰৰ গাত ভগৱানক দেখিছে আৰু তোমাক তেওঁ এৰি দিছে। পৰমেশ্বৰে নিবিচাৰে যাতে তেওঁৰ ভক্তৰ মনোক্লেশ হয়। সেয়েহে

তেওঁ তোমাৰ ৰূপ ধাৰণ কৰি তোমালোকৰ ঘৰত আছে। মইও যে কিমান মূৰ্খ যিয়ে তোমালোকৰ ঘৰলৈ গৈ ভগৱান দৰ্শন কৰিছো আৰু এই সত্যৰ লগত অপৰিচিত হৈ আছো। ভগৱানেই চিকাৰীৰ ৰূপত তোমাৰ ওচৰলৈ আহি তোমাক ঘৰলৈ যোৱাত বাধ্য কৰাইছে। দহবছৰ তপস্যা কৰাৰ পাছত তুমি ভগৱান দৰ্শন কৰিব পাৰিছা। এতিয়া ঘৰলৈ যোৱা। পৰমাত্মাকো মুগ্ধ কৰি দিয়া মাতৃপ্ৰেমৰ পৰা তুমি দহবছৰ বঞ্চিত আছিলা। মাতৃদেৱীৰ তাত ভগৱানক দেখিয়েই জীৱনৰ শেষ সময়চোৱা কটোৱা।"

বিশ্বেশ্বৰে একো উত্তৰ নিদি মুনি অঙ্গদক নমস্কাৰ কৰিলে আৰু বেগেৰে ঘৰ আভিমুখে খোজ ললে।

বেতালে এই কাহিনী শুনোৱাৰ পাছত নিজৰ সংশয় প্ৰকট কৰি সুধিলে, "ৰাজন, বিশ্বেশ্বৰৰ জীৱনৰ ধৈৰ্য্য আছিল, তপস্যা কৰি ভগবানক তেওঁ দৰ্শন কৰিব বিচাৰিছিল। ইয়াৰ বাবে তেওঁ শাৰীৰিক সুখ তথা মাতৃপ্ৰেমকো ত্যাগ কৰি তপস্যা কৰিবলৈ অৰণ্যলৈ আহিছিল। সদায় ভগৱানক ধ্যান কৰা বিশ্বেশ্বৰক মুনিয়ে কৈছিল যে তোমাৰ মায়ে ভগবান, এইটো অসংগত লগা নাইনে? ইয়াত মই কোনোধৰণৰ ধাৰ্মিক চিন্তা বা তাৰ্কিক দৃষ্টি দেখা পোৱা নাই। মুনিৰ এই অসংগত ব্যৱহাৰৰ কাৰণ কি, তেওঁৰ বাৰ্দ্ধক্য নে অসুস্থতা? মোৰ এই সন্দেহৰ কাৰণ জানিও যদি তুমি মনে মনে থাকা তেন্তে তোমাৰ মূৰ টুকুৰা-টুকুৰ হব।"

তেতিয়া বিক্ৰমাদিত্যই কলে, "ভগবান কৰুণাময়ী। তেওঁ যেতিয়াই দৰ্শন দিবলৈ ইচ্ছা কৰে তেতিয়াই যিকোনো ৰূপত ভক্ত সকলক দৰ্শন দিয়ে। বিশ্বেশ্বৰে এই বিষয়ে বুজি পোৱা নাছিল। অঙ্গদ মুনিয়ে যেতিয়া বিশ্বেশ্বৰৰ পৰা অৰণ্যত ঘটা সকলো ঘটনা শুনিছিল তেতিয়া তেওঁ বিশ্বেশ্বৰক কবলৈ বাধ্য হৈছিল যে চিকাৰীৰ ৰূপত তেওঁ ভগৱানক দৰ্শন কৰিছে আৰু তেওঁৰ তপস্যা সফল হৈছে। এই সত্য প্ৰকট হোৱাৰ পিছতো যদি বিশ্বেশ্বৰ অৰণ্যলৈ গৈ তপস্যা কৰে বা তপস্যা কৰিবলৈ যায় তেন্তে ই হব তেওঁৰ মূৰ্খতা, অবিবেক ভৰা বা অনুচিত কাৰ্য্য।

সেইকাৰণে মুনিবৰে তেওঁক উপদেশ দিছিল যে তেওঁ যেন নিজৰ মাতৃৰ ভিতৰতে ভগবানক দৰ্শন কৰে। এইটো অঙ্গদ মুনিৰ ধাৰ্মিক বা আধ্যাত্মিক পৰিপক্কতাৰ পৰিচায়ক আছিল। বাৰ্দ্ধক্য বা অসুস্থতাৰ লগত ইয়াৰ কোনো সম্বন্ধ নাই।

ৰজাৰ মৌনতা ভঙ্গ কৰাত সফল হৈ শটোৰে সৈতে বেতালে অদৃশ্য হৈ গছৰ ডালত পুনৰ ওলমি থাকিল। বসুন্ধৰাৰ ৰচনাৰ আধাৰত

হাবিৰ ওচৰৰ আচৰিত গৃহস্থ

প্ৰায় এহেজাৰ বছৰ আগৰ কথা। ইল্লৱাল আৰু বাতাপী নামৰ দুজন দৈত্য ভাই ককাই আছিল । তেওঁলোকে চহৰৰ কাষতে থকা এখন হাবিৰ ওচৰত বাস কৰিছিল । অইনৰ সম্পত্তিৰ প্ৰতি তেওঁলোকৰ বৰ লোভ আছিল আৰু এক অনন্য উপায়েৰে তেওঁলোকে সেইবোৰ নিজৰ হস্তগত কৰিছিল ।

তেওঁলোকে নিজৰ উদ্দেশ্য পুৰণৰ কাৰণে বিভিন্ন উপায় অবলম্বন কৰিছিল । ইল্লৱালে এজন অতি ধাৰ্মিক লোকৰ ৰূপ ধাৰণ কৰি হাবিৰ কাষেৰে যোৱা ৰাস্তাটোত ঘূৰি ফুৰিছিল। তেওঁ প্ৰায়ে ধনী সদাগৰ আৰু ৰাজসভালৈ যোৱা ব্ৰাহ্মণসকলক অনুসৰণ কৰিছিল । ইল্লাৱালে তেওঁলোকৰ পথৰ ভাগৰ দূৰ কৰিবলৈ তেওঁৰ ঘৰত বিশ্ৰাম লবলৈ অনুৰোধ কৰিছিল । তেওঁ ইমান নম্ৰভাবে ব্যৱহাৰ কৰিছিল, যাৰ কাৰণে বাটৰুৱাসকলে তেওঁক অকণো সন্দেহ কৰা নাছিল আৰু তেওঁৰ পিছে পিছে তেওঁৰ ঘৰলৈ গৈ আতিথ্য গ্ৰহণ কৰিছিল।

ইল্লৱালে অতি আদৰ সাদৰকৈ তেওঁলোকক ঘৰলৈ লৈ গৈছিল আৰু তেওঁৰ চৌহদত থকা পুখুৰীটোত গা ধুবলৈ দিছিল । তাৰপাছত তেওঁ বাটৰুৱাসকলক বাৰান্দাত বিশ্ৰাম লবলৈ দি ইল্লাৱালে তেওঁলোকৰ কাৰণে এক বিশেষ ধৰণৰ আহাৰৰ ব্যৱস্থা কৰা বুলি কৈছিল ।

এই বিশেষ ধৰণৰ আহাৰ বিধ এক বিশেষ ধৰণৰ ভেড়াৰ মাংসৰে তৈয়াৰ কৰা হৈছিল। ইল্লৱালৰ সৰু ভায়েক বাতাপীয়ে ভেড়াৰ ৰূপ ধাৰণ কৰিছিল । সেই ভেড়াটো কাটি তাৰ মাংস আলহীসকলৰ কাৰণে ৰন্ধা হৈছিল আৰু সেই মাংস তেওঁলোকক খাবলৈ দিছিল । অতিথিসকলে এই বিষয়ে একো নাজানিছিল আৰু তেওঁলোকে মহাআনন্দে আহাৰ গ্ৰহণ কৰিছিল ।

ইল্লৱালৰ হঠাতে ভায়েকৰ কথা মনত পৰাত তাক নাম ধৰি এইদৰে মাতিছিল --



"বাতাপী, হে মোৰ মৰমৰ ভাই বাতাপী তুমি ক'ত আছা ?"

তেতিয়া অতিথিসকলে পেটত কিবা লৰাচৰা কৰা অনুভৱ কৰিছিল । তাৰপাছত তেওঁলোকৰ পেটত অসহ্য বিষ আৰম্ভ হৈছিল। তেওঁলোকৰ পেটত কিনো হৈছে এইটো বুজি পোৱাৰ আগতে তেওঁলোকৰ পেট ফাটি গৈছিল আৰু তাৰপৰা বাতাপীৰ হাড়-মূৰবোৰ ওলাই আহিছিল । ইল্বলে সেই হাড়-মূৰবোৰ লগলগাই তাত মন্ত্ৰ মাতি পানী চতিয়াই দিয়াত লাহে লাহে বাতপীয়ে জীয়াই উঠিছিল আৰু হাঁহিমুখে তাত থিয় হৈ আছিল ।

কোৱা বাহুল্য যে সেই অতিথিবোৰৰ মৃত্যু হৈছিল । দুয়ো ভায়েকে সিহঁতৰ মৰাশবোৰ টানি নি হাবিৰ মাজৰ এটা গাঁতত পেলাই দিছিল ।

এইদৰে ইল্বল আৰু বাতাপীয়ে বাটৰুৱা সমলৰ ধন আত্মস্যাৎ কৰি দিনে দিনে ধনী হৈ গৈছিল । মানুহবোৰে তেওঁলোকে ধন সংগ্ৰহ কৰা এই গুপ্ত ৰহস্যৰ কথা নাজানিছিল । মানুহবোৰে ভাবিছিল তেওঁলোকে কৰবাত পুতিথোৱা ধন পাইছে অথবা কোনোবা ধনী মানুহে তেওঁলোকক নিজৰ সম্পত্তি দান কৰিছে । দৈত্য ভায়েক দুজনৰ কাষতে কোনো চুবুৰীয়াৰ ঘৰ নথকাত এই বিষয়ে কোনেও একো নাজানিছিল ।

এদিনাখন অগস্ত্য মুনিৰ কিছু ধনৰ আৱশ্যক হৈছিল । মুনিয়ে কেইজনমান ধনী মানুহৰ ওচৰলৈ গৈ তেওঁক সহায় কৰিব পাৰে নেকি সুধিছিল । তেওঁলোকে সহায় কৰিব পাৰো বুলি কৈছিল যদিও ইল্বল আৰু বাতাপীৰ ওচৰলৈ গলে বেচি সুবিধা হব বুলি কৈছিল । কাৰণ এই অঞ্চলৰ ভিতৰতে তেওঁলোক ধনী মানুহ । মুনিয়ে যিমান ধন বিচাৰে তেওঁলোকে দিব পাৰিব !

অগস্ত্য মুনিয়ে দৈত্য ভ্ৰাতৃক বিচাৰি তেওঁলোকৰ ঘৰলৈ গৈছিল । দুয়ো ভ্ৰাতৃয়ে হাঁহিমুখে মুনিক আদৰণি জনাই কৈছিল -- "হে মুনিবৰ, আপোনাৰ পদধুলি পাই আমাৰ ঘৰ ধন্য হ'ল ।"

তেতিয়া অগস্ত্য মুনিয়ে কৈছিল, "হে ধৰ্মপৰায়ণ ব্যক্তি, তোমালোকে যে সুখে সন্তোষে কাল কটাইছা তোমালোকৰ চেহেৰা দেখিয়ে মই বুজিব পাৰিছো ।" ইয়াকে কৈ অগস্ত্য মুনিয়ে ইল্বলৰ চকুৰ ফালে ভালদৰে চাই তেওঁৰ স্বভাৱৰ বিষয়ে জানিবলৈ চেষ্টা কৰিলে ।

"হয়, হয়, সঁচা কথা কবলৈ হলে আপোনা লোকৰ দৰে ভাল ভাল মানুহৰ আশীৰ্বাদ পাই মই আজি ইমান ঐশ্বৰ্য্যশালী ব্যক্তি হব পাৰিছো," ইল্বলে কৈছিল । অন্য ভাবে কবলৈ হলে তেওঁ সঁচা কথাই কৈছিল ।

"মুনিবৰ আপুনি অলপ বিশ্ৰাম লওক,

মই আপোনাৰ আহাৰৰ বাবে এটা ভেড়া পোৱালী মাৰো," ইল্লৱালে কৈছিল। বাতাপীয়ে ইতিমধ্যে ভেড়া পোৱালীৰ ৰূপ ধাৰণ কৰি মুনিক আকৰ্ষণ কৰিবলৈ চোতালত থিয় হৈ আছিল।

"আঃ, মোৰ আহাৰৰ কাৰণে ইমান সুন্দৰ ভেড়া পোৱালীটো মাৰিব লাগে কিয়! নিৰামিষ আহাৰ তৈয়াৰ নকৰা কিয়?" মুনিয়ে উপদেশ দি কৈছিল।

"মুনিবৰ, এই বিষয়ে একো নাভাবিব, আপোনাৰ লগতে মইও এসাজ ভালদৰে খাবলৈ পাম," ইল্লৱালে মুনিক কৈছিল।

ইল্লৱালে ভেড়া পোৱালীটো মাৰি তাৰে মাংস ৰান্ধি মুনিৰ কাৰণে লৈ আহিছিল। মুনিয়ে এটিও কথা উচ্চাৰণ নকৰাকৈ সেই আহাৰ গ্ৰহণ কৰিছিল। ইল্লৱালে ওচৰতে থিয় হৈ থাকি এটা অৰ্থপূৰ্ণ হাঁহি মাৰিছিল।

"এই সুস্বাদু আহাৰৰ কাৰণে তোমাক অশেষ ধন্যবাদ জনাইছো।" মুনিয়ে ইল্লৱালক কৈছিল।

"ইয়াৰ লগতে আপোনাক ইয়াকো জনাই হওঁ যে যিয়ে এবাৰ এই আহাৰ গ্ৰহণ কৰিছে দ্বিতীয়বাৰ আৰু তেওঁ এই আহাৰ গ্ৰহণ কৰাৰ আৱশ্যক নাই। ইল্লৱালে খুব জোৰে হাঁহি এটা মাৰি কৈছিল। তাৰপাছত তেওঁ নিজকে সংযত কৰি ভায়েকক জোৰে জোৰে চিঞৰি মাতিছিল। মুনিয়ে তেওঁৰ পেটত হাত এখন থৈ সাৱধানে বহি আছিল।

"বাতাপী, বাতাপী, হে মোৰ মৰমৰ ভ্ৰাতৃ তুমি সোনকালে ওলাই আহা।" ইল্লাৱালে ভায়েকক চিঞৰি চিঞৰি মাতি আছিল। কিন্তু মুনিৰ পেট ফাটি বাতাপী ওলাই অহাৰ কোনো লক্ষণেই দেখা নাগৈছিল। তেওঁ ভয়ে ভয়ে মুনিৰ ওচৰলৈ গৈ মুনিৰ মুখৰ ফালে এবাৰ ভালদৰে চাইছিল।

"বাচা ইল্লৱাল, তোমাৰ ভ্ৰাতৃ আৰু উলতি নাহে। মই তাক হজম কৰি খাই পেলাইছো।" মুনি অতি শান্তভাৱে কথাখিনি কৈছিল।

ইল্লৱালে ভয়তে কঁপি কঁপি মুনিৰ ভৰিত পৰি গৈছিল। তেওঁ মুনিক যিমান ধন লাগে সিমান ধন দিছিল আৰু আগলৈ এনে কাম নকৰো বুলি প্ৰতিজ্ঞা কৰিছিল।

এইদৰে ইল্লৱাল আৰু বাতাপীৰ মানুহক ভাবুকি দিয়াৰ অন্ত পৰিছিল। এই কাৰ্য্যৰ দ্বাৰা দৈত্যৰ শক্তিতকৈ মুনিৰ শক্তি অধিক শক্তিশালী বুলি প্ৰমাণিত হৈছিল।

বিন্দুসাৰ

ভৰতৰ বিষয়ে জানি লোৱা

প্ৰশ্নাৱলী

অৱশেষত বহুদিনৰ অপেক্ষিত বন্ধ আৰম্ভ হ'ল। অহা ৫০/৬০ দিনৰ কাৰণে তোমালোকে স্কুল, ক্লাছ, পাঠ্য কিতাপ আৰু নোট-বুকৰ কথা পাহৰি থাকিব পাৰিবা। বহুতে আকৌ অন্য ঠাইলৈ ফুৰিবলৈ যাবা। এই মাহৰ প্ৰশ্নাৱলী তুমি ভ্ৰমণ কৰিবলৈ যাব খোজ ঠাইৰ ওপৰত সোধা হব। এই প্ৰশ্নাৱলীয়ে সেই ঠাইবোৰ আৰু তাত বাস কৰা মানুহবোৰ সম্পৰ্কে তোমাৰ জ্ঞান বৃদ্ধি কৰিব।

১. কৰ্ণাটকৰ গুলবৰ্গ এসময়ত এখন ৰাজ্যৰ ৰাজধানী আছিল। সেই ৰাজ্যখনৰ নাম তুমি জানানে? কোনে কেতিয়া সেই ৰাজ্যখন প্ৰতিষ্ঠা কৰিছিল?

২. এটা প্ৰণালীয়ে দুটা দ্বীপপুঞ্জক পৃথক কৰিছে। প্ৰণালীটো আৰু দ্বীপপুঞ্জ দুটাৰ নাম কোৱা।

৩. মহান পৰিব্ৰাজক ইবন বতুতাই পূব ভাৰতৰ এখন চহৰৰ নাম অল-কটকা বুলি কৈছিল। সেই চহৰখনৰ বৰ্তমান নাম কি?

৪. বিখ্যাত লিখক ৰুডয়োৰ্ড কিপলিঙে ভাৰতৰ এখন চহৰত জন্ম গ্ৰহণ কৰিছিল। সেই চহৰখনৰ নাম কি?

৫. ভাৰতৰ এখন মেট্ৰোপলিটান চহৰৰ পূৰ্বৰ নাম আছিল ছাহজাহানাবাদ। চহৰখনৰ নাম কোৱা।

৬. অন্য এখন মেট্ৰোপলিটান চহৰক আলিনগৰ নামে জনা গৈছিল। সেই চহৰখনৰ নাম কি?

৭. পোল্ড বংশৰ ৰাজ্যৰ ৰাজধানীৰ মাজেৰে এটা নদী বৈ গৈছে। ৰাজধানী চহৰ আৰু নদীটোৰ নাম কোৱা।

৮. ৰামেশ্বৰম প্ৰধান ভূমি অংশৰ সৈতে সংযোগ হৈ থকা নাই; দুয়ো খণ্ডৰ মাজত পানী প্ৰসাৰিত হৈ আছে। ইয়াৰ নাম কব পাৰিবানে?

(উত্তৰ অহা সংখ্যাত)

এপ্ৰিল মাহৰ প্ৰশ্নাৱলীৰ উত্তৰ

১. ১৯৮০ - ৰোম
২. খৃষ্টিয়ান মেডিকেল কলেজ, ভেলোৰ।
৩. এখন মুক্ত ৰাজ্যত
৪. কৰাছি, (তেতিয়াৰ ভাৰতত)
৫. গোদাৱৰী
৬. এ.বি. বাজপায়ী
৭. সিংহ
৮. দক্ষিণ গঙ্গোত্ৰী
৯. হাদৰাবাদৰ বেগমপেট
১০. আন্দামান আৰু নিকোৱৰৰ দ্বীপপুঞ্জৰ বেৰেন আইলেণ্ড

উপকাৰী স্বভাৱ

সীতাৰাম বৈদ্য নহলেও তেওঁ মূৰৰ বিষৰ ভাল দৰৱ দিব পাৰিছিল । সাধাৰণতে সকলো ঠাইতে পোৱা এবিধ গছৰ পাত চিঙি আনি সেইবোৰ সমান ভাগত ওজন কৰি লৈছিল । তাৰপাছত তেওঁ সেইবোৰ পতাত পিহিছিল। পিহিলোৱা সেই পাতবোৰ তেওঁ ৰোগীৰ মূৰত পাতলকৈ লেপন কৰি ৰাখিছিল । ঠিক কেইমুহূৰ্ত্তমানৰ ভিতৰতে ৰোগীৰ মূৰৰ বিষ নোহোৱা হৈছিল । এনে লাগিছিল যেন তেওঁ মূৰৰ বিষটো নিজ হাতেৰে উলিয়াই লৈ গৈছে।

প্ৰতিদিন অন্ততঃ এজন মানুহ তেওঁৰ ওচৰলৈ এই কামৰ কাৰণে আহিছিল । ইয়াৰ কাৰণে অহা মানুহবোৰক তেওঁ তৰ্জু আনিবলৈ কৈছিল । তাৰপাছত তেওঁ পিছদুৱাৰেৰে গৈ গছৰ পাত চিঙি লৈ আহিছিল। তেওঁ এই বৈদ্যগিৰিৰ কাৰণে কাৰোপৰাই কোনো মাননি দাবী কৰা নাছিল। মানুহে নিজ মনে জানি যি দিছিল তাকে আনন্দ মনে গ্ৰহণ কৰিছিল ।

সীতাৰামৰ ঘৰৰ সন্মুখতে জানকীৰামৰ ঘৰ আছিল । অইনৰ উপকাৰ কৰা স্বভাৱৰ কাৰণে তেওঁ মানুহৰ মাজত প্ৰসিদ্ধ আছিল। গাঁৱৰ কাৰোবাৰ ঘৰত যদি তেওঁৰ সহায়ৰ আৱশ্যক হৈছিল তেওঁক নামাতিলেও তাত গৈ তেওঁ উপস্থিত হৈছিল ।

জানকীৰামে আচাৰৰ বেপাৰ কৰিছিল । তেওঁ তৈয়াৰ কৰা আচাৰ সুস্বাদু আৰু অধিক গুণযুক্ত আছিল, সেয়েহে ওচৰ-পাজৰৰ চহৰবোৰত তেওঁৰ আচাৰৰ চাহিদা অধিক আছিল । আচাৰ তৈয়াৰ কৰিবলৈ যিবোৰ বস্তুৰ আৱশ্যক হৈছিল উচিত মাত্ৰাত দিবলৈ তেওঁ সেইবোৰ জুখি লৈছিল । ইয়াৰ কাৰণে তেওঁ তৰ্জু ব্যৱহাৰ কৰিছিল । জানকীৰামৰ ঘৰত তৰ্জু থকা কাৰণে সীতাৰামৰ ওচৰলৈ মূৰৰ বিষৰ দৰৱ নিবলৈ অহা লোকে লগত তৰ্জু লৈ অহা নাছিল । তেওঁ জানকীৰামৰ পৰাই তৰ্জুখন খুজি লৈ গৈছিল ।

ইয়ালৈকে সকলো ঠিকেই আছিল । পিছে

নন্দকুমাৰ



সীতাৰামৰ এটা আপত্তি আছিল । মানুহে তেওঁতকৈ জানকীৰামকহে বেচি প্ৰশংসা কৰে আৰু জানকীৰামৰ উদাৰ স্বভাৱৰ গুণগান গায় । ইয়াৰ কাৰণে সীতাৰামৰ মনত জানকীৰামৰ প্ৰতি ঈৰ্ষা ভাব জন্মিছিল ।

মানুহে জানকীৰামৰ প্ৰশংসাত কিয় পঞ্চমুখ হৈ থাকে, তেওঁতকৈ জানকীৰামক কিয় ভাল বুলি কয়, এই ৰহস্যৰ বিষয়ে জানিবলৈ তেওঁ সদায় চেষ্টা কৰি আছিল । পিছে কিছুমান কথা তেওঁ নিজেই বুজিব পাৰিছিল ।

জানকীৰাম হাঁহিমুখীয়া আছিল । তেওঁ কেতিয়াও খং নকৰিছিল । আনৰ মনত দুখ দিব পৰা কোনো কাম তেওঁ নকৰিছিল । কিন্তু নিজৰ ব্যৱসায়ৰ ক্ষেত্ৰত তেওঁ খুব সচেন আছিল । তেওঁ যি দাম নিৰ্দ্ধাৰণ কৰিছিল তাতকৈ এক পইচা কম বা বেচি নলৈছিল । তেওঁ কেতিয়াও বাকী নিদিছিল । তেওঁ কাকো ধনেৰে সহায় কৰা নাছিল । অৱশ্যে বিনামূল্যে উপদেশ দিছিল ।

সীতাৰামৰ এই কথা লৈ মনত দুখ লাগিছিল যে তেওঁ দৰৱৰ কাৰণে কোনো লোককে পইচা নোখোজে, তাথাপিতো জানকীৰামকহে মানুহে প্ৰশংসা কৰে। তথাপি তেওঁ আশা কৰিছিল কোনোবা দিন মানুহে তেওঁৰ হিতকাৰী বুদ্ধিৰ কাৰণে প্ৰশংসা কৰিবই ।

এদিন সীতাৰামৰ নিজৰে মূৰৰ বিষ হ'ল। এতিয়া তেওঁ নিজৰ ঔষধে ব্যৱহাৰ কৰাৰ সিদ্ধান্ত ললে । তেওঁ ঔষধৰ গছৰ পাত চিঙি আনিবলৈ পিছফালে গৈ জীয়েকক জানকী-ৰামৰ পৰা তৰ্জুখন আনিবলৈ কলে ।

সীতাৰামৰ সম্পূৰ্ণ পাত চিঙা হোৱাই নাছিল এনেতে জীয়েকে আহি কলে যে, জানকীৰামে কৈছে যে তেওঁৰ ঘৰত তৰ্জু নাই।

সীতাৰামে কলে, "কাৰোবাক দিছে নেকি তুমি নুসুধিলা কিয় ?"

পিতা, মই সুধিবলৈ খুজিছিলো । কিন্তু মই জানিব পাৰিছিলো তেওঁৰ পত্নীয়ে ভিতৰত কিবা কামৰ কাৰণে তৰ্জুখন ব্যৱহাৰ কৰি আছে । যিহেতু তেওঁ আমাক তৰ্জুখন দিব খোজা নাই তেতিয়া সুধি আৰু কি লাভ ?" সীতাৰামৰ জীয়েকে কৈছিল ।

"তেওঁলোকৰ নিজৰে দৰকাৰ আছিল কিজানি । সোনকালে ওভতাই দিম বুলি কব লাগিছিল ।"

"কৈছিলো, পিছে তেওঁলোকে ইয়াকে মাথোঁ কৈছিল যে তেওঁলোকৰ ঘৰত তৰ্জু

নাই। তৰ্জুৰ যে তেওঁলোকৰ কিবা কাম আছে সেই কথা কোৱা নাই।" সীতাৰামৰ জীয়েক কৈছিল।

সীতাৰামে এতিয়াহে আচল কথা বুজিব পাৰিলে। গাঁৱৰ মানুহৰ মাজত পৰোপকাৰী বুলি খ্যাত জানকীৰামে সকলোকে তৰ্জুখন দিয়ে কেৱল তেওঁক দিবলৈহে অস্বীকাৰ কৰিলে। তাৰমানে তেওঁৰ অন্তৰত বেয়া ভাব আছে। তেওঁ এই ৰহস্য প্ৰকাশ কৰিবলৈ ঠিক কৰিলে। তৎক্ষণাত তেওঁ জানকীৰামৰ ঘৰলৈ গ'ল। সেই সময়ত জানকীৰামে তৰ্জুৰে কিবা জুখি আছিল। তেওঁক দেখিয়ে জানকীৰামে কলে, "আহা, আহা, সীতাৰাম! যেতিয়া আচাৰৰ কাম চলি থাকে তেতিয়া মই অন্য তৰ্জু ব্যৱহাৰ নকৰো। সেয়েহে মই তোমাৰ ছোৱালীৰ আগত তৰ্জু নাই বুলি কৈছিলো। তাতে বেয়া নাপাবা।"

"ইয়াত বেয়া পাব লগা কি কথা আছে! তুমিতো জানাই সদায় মোৰ ওচৰলৈ ৰোগী আহি থাকে। তুমি আৰু এখন তৰ্জু কিনিব লাগিছিল। তেতিয়া তোমাৰ আচাৰৰ কামো চলি থাকিব আৰু মোৰো ইয়াৰ দ্বাৰা সুবিধা হব।" সীতাৰামে ব্যঙ্গ সুৰেৰে কালে।

এই কথাত আচৰিত হৈ জানকীৰামে কলে, "তুমি কোৱাৰ আগতেই মই এই কাম কৰিছো। যেতিয়াৰ পৰা তুমি আমাৰ ঘৰৰ সম্মুখত থাকিবলৈ লৈছা তেতিয়াৰ পৰাই তৰ্জু খোজা বাঢ়ি গৈছে। মইতো এই কথা কব নোৱাৰো যে তৰ্জুখন মই ব্যৱহাৰ কৰি আছো তাৰ বাবে তোমাক মই দিব নোৱাৰিম। সেয়েহে মই অইন এখন তৰ্জু কিনি আনি ঘৰত ৰাখিছো। সেই তৰ্জুখন ভীমে আম জুখিবলৈ তাৰ ঘৰলৈ লৈ গৈছে।"

এই কথা শুনি সীতাৰামৰ মূৰ ঘূৰি গ'ল। তেওঁ নিজৰ ভুল বুজিব পাৰিলে। জানকীৰামক মানুহে কিয় প্ৰশংসা কৰে এই কথা বুজিবলৈ তেওঁৰ পলম নালাগিল। জানকীৰামে যে তেওঁৰ জীয়েকক তৰ্জু নাই বুলি কৈছে একপ্ৰকাৰ সেই কথাও সঁচা। কাৰণ ভীমে তৰ্জুখন লৈ গৈছে।

ইয়াকে ভাবি সীতাৰামে জানকীৰামক কলে, "উপকাৰী স্বভাৱ সকলো মানুহৰ গাত নাথাকে। এই স্বভাৱ তোমাৰ গাত সম্পূৰ্ণভাবে আছে। সঁচাকৈয়ে তুমি মহান উপকাৰী ব্যক্তি।"



ৰসিক ব্যক্তি -- তেনালীৰাম

তেনালী ৰামে ৰজা কৃষ্ণদেৱ ৰয়ৰ সৈতে ভালদৰে চিনাকি হোৱাৰ আগতে প্ৰায়ে ৰাজসভাত উপস্থিত আছিল । কিন্তু প্ৰধান চন্টৰী আৰু তেওঁৰ সহকাৰীজনে প্ৰাসাদৰ দুৱাৰমুখত তেওঁক বিৰক্ত কৰিছিল । তেওঁলোকে তেনালী ৰামক বিভিন্ন ধৰণে ঠাট্টা কৰিছিল আৰু বহু সময়ত ৰাজসভাৰ ভিতৰলৈ যোৱাত বধা দিছিল।

এদিনাখন ৰজা আৰু তেওঁৰ সভাসদসকলে এক নৃত্যানুষ্ঠান চাই আছিল । ৰজাই আদেশ দি কৈছিল কোনেও যাতে পলমকৈ সভা গৃহত প্ৰৱেশ নকৰে। তেনালীৰামে সময় মতেই অনুষ্ঠান চাবলৈ আহিছিল । তেওঁ ৰাজসভাত প্ৰৱেশ কৰিব খোজোতেই প্ৰধান চন্টাৰী আৰু তেওঁৰ সহকাৰীজনে তেনালীৰামক ৰখাইছিল। কোনো কথা-বতৰা নোকোৱাকৈয়ে চন্টৰী দুজনে তেওঁক ঠেলা মাৰি পেলাই দিছিল ।



তেনালীৰামে কাপোৰৰ ধুলিবোৰ জোকাৰি জোকাৰি যেন একোৱে হোৱা নাই এনে ভাব দেখুৱাই কৈছিল-- "তোমালোক ইমান বলবান! তোমালোকৰ ভাল স্বাস্থ্যৰ কাৰণে তোমালোকক পুৰস্কাৰ দিয়া উচিত । তেনালীৰ কথা বিশ্বাস কৰি চন্টৰী দুজনে কৈছিল "তেনালী, তোমাকহে ৰজাই প্ৰায়ে পুৰস্কাৰ দিয়ে । কোনেও আনকি আমাৰ ফালে চকুমেলিয়ে নাচায় ।"

"তোমালোকে দুখ নকৰিবা । মোক ভিতৰলৈ যাবলৈ দিয়া । ৰজাই মোক আজি যি দিয়ে তাৰে ভাগ মই তোমালোককো দিম ।" তেনালীয়ে কৈছিল । "এভাগ তুমি পাবা আৰু এভাগ পাব তোমাৰ সহকাৰীজনে;" তেনালীয়ে প্ৰধান চন্টৰীজনক কৈছিল । এই কথা শুনি চন্টৰী দুজনে তেওঁক আনন্দ মনে ভিতৰলৈ যাবলৈ দিছিল ।



তেনালীয়ে ৰাজসভাত প্ৰৱেশ কৰি মঞ্চলৈ উঠি গৈ মূৰটো তললৈ আৰু ভৰি দুখন ওপৰলৈ কৰি বৈ আছিল । নৃত্য প্ৰদৰ্শনকাৰীয়ে খঙতে নৃত্য পৰিবেশন বন্ধ কৰিছিল । ৰজাই অত্যন্ত খঙেৰে কৈছিল - "সেই মূৰ্খজন কোন ? মঞ্চৰ পৰা তেওঁক বাহিৰ কৰি দিয়া !"



তেতিয়া তেনালীৰামে ভৰিৰ ওপৰত থিয় হৈ কৈছিল, "মহাশয়, আপুনি এতিয়াই এই নৰ্তকীজনীক তেওঁৰ নৃত্যৰ কাৰণে পুৰস্কৃত কৰিব, মোৰ এই কামৰ কাৰণে মোক পুৰস্কৃত নকৰেনে?" "পুৰস্কাৰ ! হয়, তোমাক পুৰস্কাৰ দিয়া হব," এইবুলি কৈ ৰজাই তেওঁৰ অনুচৰজনক কৈছিল, "তেওঁক এশটা চাবুকৰ কোব দিয়া !"



"ধন্যবাদ মহাশয় । কিন্তু মই আজি যি পুৰস্কাৰ পাওঁ সেই পুৰস্কাৰ আপোনাৰ প্ৰধান চন্টৰী আৰু তেওঁৰ সহকাৰীৰ মাজত ভগাই দিম বুলি প্ৰতিজ্ঞা কৰি আহিছো !" তেনালীয়ে কৈছিল । এই কথাত ৰজা বিমোৰত পৰিছিল । তেতিয়া তেনালীয়ে কেনেদৰে চন্টৰী দুজনে তেওঁ ৰাজসভাত প্ৰৱেশ কৰিব খুজিলে বিৰক্ত কৰি থাকে তাকে ৰজাৰ আগত বৰ্ণনা কৰি কৈছিল আৰু আজি কি চুক্তি কৰি সভাত প্ৰৱেশ কৰিছে তাকো কৈছিল ।

চন্টৰী দুজনক ৰাজসভালৈ মাতি অনা হৈছিল আৰু ৰজাই তেওঁলোকক চাবুকেৰে কোবোৱাৰ আদেশ দিছিল । দৰাচলতে তেনালীৰ লগত তেওঁলোকৰ যি চুক্তি হৈছিল তাতকৈ তেওঁলোকে বেচিকৈ কোব খাইছিল । সেইদিনাৰ পৰা চন্টৰী দুজনে তেনালীয়ে ৰাজসভাত প্ৰৱেশ কৰিব গলে কোনো আমনি কৰা নাছিল ।

গ্ৰীষ্মকাল -- শীতল ৰখাৰ উপায়

গ্ৰীষ্মকালৰ নাম শুনিলেই আমাৰ মনলৈ আহে ৰ'দ, গৰম বতাহ, ঘাম, নীৰসতা, শিথিলতা । কিন্তু জুই ওলোৱা এই গৰমৰ দিনতো প্ৰকৃতিয়ে আমাক দিয়ে - আঙুৰ, আম, কঠাল, খেজুৰ আদি ফল আৰু চামেলীৰ নিচিনা ফুল ।

গৰমৰ পৰা ৰক্ষা পাবলৈ আজিকালি আমি এয়াৰ কুলাৰ, পাঙ্খা আদি যন্ত্ৰ ব্যৱহাৰ কৰো আৰু আইচক্ৰীম তথা শীতল পানীয় আদি খাওঁ, যাৰ কাৰণে এইবোৰে আমাক বহুত সময়লৈ গৰমৰ পৰা ৰক্ষা কৰে । কিন্তু পুৰণি কালত গৰমৰ পৰা ৰক্ষা পাবলৈ এনেদৰে ঘৰ নিৰ্মাণ কৰা হৈছিল যাৰ কাৰণে গৰম অনুভৱে নহৈছিল । সাধাৰণতে গাঁৱত বাস কৰা মানুহবোৰে জুপুৰী ঘৰত বাস কৰিছিল আৰু এই জুপুৰী ঘৰ সজাওতে তেওঁলোকে এই কথাৰ ওপৰত গুৰুত্ব দিছিল যাতে অনায়াসে তাত বতাহ সোমাব পাৰে। ৰাজভৱনবোৰ নিৰ্মাণৰ সময়তো এই দিশত বিশেষ গুৰুত্ব দিয়া হৈছিল ।

১৬৭২ চনত মধ্যপ্ৰদেশৰ ওৰ্ছা প্ৰদেশ মধুকৰশাহে শাসন কৰিছিল । তেওঁৰ শাসন কালত ৰায়পৰবীন নামৰ এজন কবি আছিল। তেওঁ থকা ভৱনটো এক অতুলনীয় ভৱন আছিল । এই ভৱনটো নানা ধৰণৰ ফল-ফুলৰ গছৰ মাজত নিৰ্মাণ কৰা দুই তলাৰ ঘৰ আছিল । ইয়াৰ প্ৰথম তলাটো মাটিৰ তলত আছিল । মাটিৰ তলৰ তলটো খুব শীতল আছিল । 'ফুলবাগ' নামৰ এই ভৱনৰ লতৰ

গৰম বতাহ বলিছিল । এনে লাগিছিল যেন বতাহৰ পৰা জুইহে ওলাইছে । ইয়াৰ কাৰণে পুখুৰীৰ পানীবোৰা গৰম হৈছিল । সেই পুখুৰীৰে এটা ভেকুলীয়ে গৰম সহ্য কৰিব নোৱাৰি ডুব মাৰি পুখুৰীৰ পাৰ আহি পাইছিল। ভেকুলীটোৱে ছাঁত আহি জিৰণি লৈছিল । কিন্তু ভেকুলীটোৱেতো জনা নাছিল সেই ছাঁ এডাল সৰ্পৰ ফণাৰ ছাঁ ।

সূৰ্য্যৰ কিৰণৰ উত্তাপ সহ্য কৰিব নোৱাৰি আৰু এটা সাপে ক্লান্ত হৈ আহি এটা ময়ূৰৰ ওচৰ পাইছিল । সি মূৰ্চা গৈ তাতে নিদ্ৰাদেৱীৰ কোলাত শুই পৰিছিল ।

ঋতুসংহাৰ কাব্যত কবি কালিদাসে গ্ৰীষ্ম ঋতুৰ বৰ্ণনা কৰিবলৈ গৈ এনেদৰে দৃশ্যৰ সৃষ্টি কৰিছে ।



তৰল ওপৰত থকা উদ্যানবনত পানীৰ ফোৱাৰাৰ ব্যৱস্থা আছিল । এই ফোৱাৰাৰ পানীৰ চিটিকনি তলৰ তলাৰ ঘৰত বৰষুণৰ কণিকাৰ দৰে চিটিকি পৰিছিল ।

ৰাণা জগতসিংহ ৰাজস্থানৰ মেৱাৰ আছিল। তেওঁ সুপ্ৰসিদ্ধ সৰোবৰ ভৱন (লেক পেলেচ) নিৰ্মাণ কৰাইছিল । এই ভৱনটো এটা সৰোবৰৰ মাজত থকা কাৰণে সদায় ঠাণ্ডা আছিল ।

গৰমৰ ছুটী কটাবলৈ প্ৰায়বোৰ মানুহে আমাৰ দেশৰ চিমলা, দেৰাদূন, মুচৌৰী, ৰাণীখেত, উদকমণ্ডলম, দাৰ্জিলিং, মহাবালেশ্বৰ, নৈনিতাল আদি ঠাইলৈ যায় । সেইবোৰ ঠাইত গৰমৰ ছুটী কটোৱাৰ আৱশকীয় সুবিধা আছে । তাত থাকিবলৈ অতিথিশালা আছে । বহুদিন আগতে বৃটিছ শাসকসকলে সেইবোৰ নিৰ্মাণ কৰাইছিল । তেওঁলোকে আমাৰ দেশৰ গৰম সহ্য কৰিব পৰা নাছিল । কিছুমান বিদেশীৰ গৰমৰ কাৰণে হোৱা বেমাৰত পৰি মৃত্যু হৈছিল । এইবাবে তেওঁলোকে পৰ্বতৰ ওপৰৰ ঠাণ্ডা ঠাইত ভৱন নিৰ্মাণ কৰাইছিল আৰু গৰমৰ কেইদিন তাতে বাস কৰিছিল ।

১৮৫০ চনলৈকে আমাৰ দেশত বৰফ তৈয়াৰ কৰা হোৱা নাছিল । বৃটিছসকলে বৰফ নোহোৱাকৈ গৰমৰ দিন কটাব নোৱাৰিছিল। সেয়েহে তেওঁলোকে আমেৰিকাৰ পৰা বৰফ আনি সুৰক্ষিত কৰি ৰাখিছিল । মাদ্ৰাজৰ মেৰিণা বিচৰ ওচৰত তেওঁলোকে 'আইচ হাউচ' নিৰ্মাণ কৰাই বৰফবোৰ সুৰক্ষিত কৰি ৰাখিছিল ।

ৰাজস্থান আৰু গুজৰাট অঞ্চলত অধিক



গৰম পৰে । ৪২ ৰ পৰা ৫২ ডিগ্ৰী চেল-চিয়াচলৈ ইয়াত গৰম পৰে । এই কাৰণে ইয়াৰ পুৰুষসকলে ডাঙৰ ডাঙৰ পাগুৰি মাৰে।

গুজৰাটৰ ৰজা আৰু ৰাণীয়ে যিটো ৰাজপথেৰে ফুৰিবলৈ যায় সেই পথৰ দাঁতিত ২০০ ফুট পৰ্যন্ত গভীৰ কুৱা খান্দি ৰখা হৈছিল। ভ্ৰমণৰ সময়ত যাতে ইয়াৰ পানী খাব পাৰে তাৰ বাবে এই ব্যৱস্থা কৰা হৈছিল । ২৫ শতাব্দীত বীৰসিংহ বাঘেলাই নিৰ্মিত 'অডালাজবাৱ' অতি প্ৰসিদ্ধ ।

যোধপুৰ আৰু বহপুৰ অঞ্চলৰ ঘৰবোৰত নীলা আৰু বগা ৰং দিয়ে । এই ৰঙে গৰম আৰু পোহৰৰ পৰিবৰ্তন ঘটায় । সেয়েহে ঘৰবোৰ ঠাণ্ডা হৈ থাকে ।

বিজুলী চালিত পাঙ্খা ব্যৱহাৰ কৰাৰ আগতে আমাৰ দেশৰ মানুহে তাল পাতৰ আৰু বাঁহেৰে তৈয়াৰ কৰা বিচনী ব্যৱহাৰ কৰিছিল । সেইবোৰ সুন্দৰকৈ ৰং দি তৈয়াৰ কৰা হৈছিল । ৰজাসকলে হাতীদাঁত আৰু

চন্দন কাঠেৰে তৈয়াৰ কৰা বিচনী ব্যৱহাৰ কৰিছিল। কালিদাসে তেওঁৰ কাব্যত এইদৰে লিখিছে যে, বিচনীবোৰ চন্দনৰ পানীত ডুবাই ৰখা হৈছিল।

বৃটিছসকলে গৰমৰ দিনত এক বেলেগ ধৰণৰ পাঙ্খা ব্যৱহাৰ কৰিছিল। তেওঁলোকে ডাঙৰ ডাঠ কাপোৰ এখন চিলিঙত ওলমাই ৰাখিছিল। সেই কাপোৰখনত ৰছী লগাই এজন চাপ্ৰাছীয়ে টানি আছিল আৰু তাৰে তলত বহি চাহেবসকলে কাম কৰিছিল।

গৰমৰ পৰা ৰক্ষা পাবলৈ আমাৰ দেশৰ ডাঙৰ ডাঙৰ লোকসকলে কিছুমান পদ্ধতি বাহিৰ কৰিছিল।

ৰাতিপুৱা আৰু সন্ধিয়া ঘৰৰ চাৰিওফালে পানী চতিয়াইছিল। খিৰিকিবোৰত খচ্‌খচ্‌ লগাইছিল। এইবোৰত মাজে মাজে পানী চতিয়াইদি তিয়াই ৰাখিছিল।

পানী, দৈ, ঘোল আদি মাটিৰ পাত্ৰত ৰাখিছিল, যাতে সেইবোৰ ঠান্ডা থাকে। কিছুমান মানুহে মূৰত ঠান্ডা তেল লৈছিল আৰু কিছুমানে আকৌ শিৰস্নান কৰিছিল। গৰমৰ পৰা ৰক্ষা পাবলৈ কিছুমানে গুলকন্দ তৈয়াৰ কৰি খাইছিল।

নাৰিকলৰ পানী, নেমুৰ চৰবত আৰু ৰসাল ফল বেচিকৈ খাইছিল। শৰীৰত চন্দন লেপন কৰিছিল।

সেই সময়ৰ শীতল পানীয়ৰ কথা কব লাগিলে মানুহবোৰে গুড়, নেমুৰ ৰস, শুকান আদা, ইলাইচিৰ চূৰ্ণ মিহলাই এবিধ চৰবত তৈয়াৰ কৰি খাইছিল। তেওঁলোকৰ বিশ্বাস আছিল এই চৰবত খালে শৰীৰ ঠান্ডা থাকে। উত্তৰ ভাৰতত যেনেদৰে লচ্চি প্ৰসিদ্ধ ঠিক তেনেদৰে দক্ষিণ ভাৰতত ঘোল প্ৰসিদ্ধ।

গুজৰাটত আমেৰে তৈয়াৰ কৰা ভাপ্পো, বেঙ্গলত বেলৰ ৰস, গোটেই দেশতে গুড়, নেমুৰ ৰস, দৈ মিহলাই তৈয়াৰ কৰা গুৰিকা চৰবত অতি প্ৰসিদ্ধ।

গৰমৰ দিনতে আম ওলায়। আমাৰ দেশত বিভিন্ন ধৰণৰ আম উৎপাদন হয়। ইয়াৰ দ্বাৰা চৰবত আৰু আচাৰ তৈয়াৰ কৰা হয়। ১৬ শ শতিকাত মোগল সকলে নতুন নতুন প্ৰকাৰৰ আম আবিষ্কাৰ কৰিছিল।

গৰমৰ দিনত ৰ'দত বাহিৰ ওলাব নালাগে। গৰমৰ ছুটীৰ, শেষত জুনত আকৌ স্কুল খুলিব। ছুটীৰ পিছত তোমালোক স্কুললৈ যাবলৈ সাজু হোৱা।

য'ত ভগবান এজন ৰজা

কিছুদিন আগতে আমি পঢ়িছিলো এজন ৰজাক ভগবান হিচাবে পূজা কৰা হৈছিল। এতিয়া এটা কাহিনী আছে য'ত এজন ভগবানক ৰজা হিচাবে পূজা কৰা হৈছে। ইয়াত মধ্য প্ৰদেশৰ ওৰছহাত থকা ৰাম ৰজা মন্দিৰৰ কথা কোৱা হৈছে। কাহিনী মতে ৰজা ৰামৰ মন্দিৰটো ১৫০০ শতিকাত বুন্দেল বংশৰ মধুকৰ শাহে সজাইছিল । ৰজা আছিল ভগবান কৃষ্ণৰ ভক্ত আৰু তেওঁৰ পত্নী ৰাণী গণেশ আছিল ভগবান ৰামৰ ভক্ত ।

এদিনাখন মধুকৰ শাহে তেওঁৰ পত্নীৰে সৈতে কৃষ্ণ ভক্তসকলৰ প্ৰিয় ঠাই বৃন্দাবনলৈ যাবলৈ বিচাৰি-ছিল। কিন্তু ৰাণীয়ে যাবলৈ নুখুজিলে, তাৰ পৰিবৰ্তে তেওঁ ভগবান ৰামৰ জন্মস্থান অযোধ্যালৈহে যাবলৈ ইচ্ছা প্ৰকাশ কৰিছিল। এই কথাত খং উঠি মধুকৰে ৰাণীক কৈছিল যে তেওঁ ৰামক অযোধ্যাৰ পৰা লৈ আহিব লাগে । এই কথাটো ৰাণীয়ে গভীৰভাবে লৈছিল । ৰাণীয়ে অযোধ্যালৈ গৈ এবছৰ কাল তাত প্ৰাৰ্থনা কৰি কটাইছিল।

এদিনাখন ৰাতি ৰামে ৰাণীক সপোনত দেখা দি কৈছিল যে তেওঁ ৰাণীৰ লগত যাবলৈ সন্মত আছে যদিহে তেওঁ ভগবান ৰামৰ পৰিবৰ্তে ৰজা ৰামক তেওঁৰ মন্দিৰত প্ৰতিস্থা কৰে । ৰাণীয়ে ৰামৰ কথাত সন্মত হৈছিল আৰু অতি সোনকালে তেওঁ সপোনত দেখা মূৰ্ত্তিটো পাইছিল ।

সপোনৰ কথাটো ৰাখি মধুকৰ শাহ আৰু ৰাণী গণেশে ওৰছহা মন্দিৰত ৰজা ৰামৰ মূৰ্ত্তিটো স্থাপন কৰিছিল য'ত ভগবান এজন ৰজা । ভাৰতৰ ভিতৰত এইটোয়ে একমাত্ৰ মন্দিৰ য'ত ভগবান ৰামক ৰজা ৰাম হিচাবে পূজা কৰা হয় ।

বিহাৰৰ লোক কথা

বিহাৰ ৰজ্যখন আমাৰ দেশৰ পূৰ্বাঞ্চলত অৱস্থিত । এই ৰাজ্যৰ নামটো আহিছে 'ৱিহাৰ' শব্দৰ পৰা যাৰ অৰ্থ হ'ল 'বৌদ্ধ মঠ' । বহু শতিকা আগতে বিহাৰ আছিল বৌদ্ধ ধৰ্মৰ প্ৰধান কেন্দ্ৰ । বৌদ্ধ ধৰ্মৰ প্ৰবৰ্তক গৌতম বুদ্ধই লুম্বিনি নামে ঠাইত জন্ম গ্ৰহণ কৰিছিল আৰু বোধগয়াত তেওঁ জ্ঞান লাভ কৰিছিল আৰু তাতে নিৰ্বান প্ৰাপ্তও হৈছিল । সম্ৰাট অশোকৰ দিনত ৰাজধানী পাটলিপুত্ৰ, ধৰ্ম৪ আৰু শিক্ষাৰ অন্য এক প্ৰধান কেন্দ্ৰ আছিল । বৰ্তমানৰ বিহাৰ ৰাজ্যৰ ৰাজধানী পাটনাই এসময়ৰ পাটলিপুত্ৰ আছিল ।

আয়তনৰ ফালৰ পৰা বিহাৰ ভাৰতৰ নবম বৃহত্তম ৰাজ্য । ইয়াৰ আয়তন ৯৪,১৬৩.০০ বৰ্গ কি.মি. । এই ৰাজ্যৰ জনসংখ্যা ৮২,৮৭৮,৭৯৬ জন । ভাৰতৰ ভিতৰতে এই ৰাজ্য দ্বিতীয় বৃহৎ জনবহুল ৰাজ্য । এই ৰাজ্যৰ উত্তৰে নেপাল, পশ্চিমে উত্তৰ প্ৰদেশ, পূবে পশ্চিম বঙ্গ আৰু দক্ষিণে ঝাৰখন্ড ৰাজ্য । বিহাৰৰ ৰাজ্যিক ভাষা হিন্দী । ইয়াৰ বাহিৰেও ইয়াত বহুতো উপ-ভাষা আছে । সেই উপ-ভাষাবোৰৰ ভিতৰত প্ৰধান হ'ল ভোজপুৰী আৰু মৈথিলি ।

বলৱান আৰু মূৰ্খ ৰাক্ষস

সীতাপুৰ নামে গাওঁ এখনত বলৱান নামৰ এজন মল্লবীৰে বাস কৰিছিল । গোটেই জিলাখনৰ ভিতৰতে তেওঁ এজন অতি শক্তিশালী মল্লবীৰ আছিল । ওচৰে-পাজৰে থকা মল্লবীৰসকলে তেওঁক কোনো দিন পৰাস্ত কৰিব পৰা নাছিল । সেয়েহে বলৱানৰ মনত সদায় এটা গৌৰৱভাব আছিল ।

এদিনাখন গাঁৱৰ মানুহবোৰে লগ হৈ ৰাজহুৱা ঠাইত যেতিয়া নানা ধৰণৰ গল্প গুজব কৰি আছিল সেই গল্পই গৈ ভয় লগা আলোচনাৰ



ৰূপ লৈছিল। তেতিয়া বলৱানে গৌৰৱ কৰি কৈছিল, "মই কাকো ভয় নকৰো, আনকি মই দৈত্য আৰু ভূতকো ভয় নকৰো।"

বলৱানৰ গৌৰৱপূৰ্ণ কথা শুনি গাঁৱৰ মানুহবোৰে তেওঁক সুধিছিল, "তুমি ৰাক্ষসক ভয় কৰা নে নকৰা? তুমি পানিগঞ্জ উপত্যকাত থকা ৰাক্ষসৰ সন্মুখীন হব পাৰিবানে?"

বলৱানে তেতিয়া কৈছিল, "মই সেই অঞ্চলৰ কথা অলপ অলপ জানো। কিন্তু তাত ৰাক্ষস থকাৰ কথাতো মনত নপৰে।"

এজন বুঢ়া মানুহে থিয় হৈ কৈছিল, "তানপুৰ আৰু ৰামপুৰ চহৰ দুখনৰ মাজতে পানিগঞ্জ উপত্যকা অৱস্থিত। কিন্তু তাৰ ৰাস্তাটো খুব ভয়লগা। সেই ৰাস্তাটো অকোৰা পকোৰা, শিলাময় আৰু মাজে মাজে সুৰঙ্গৰ মাজেৰে গৈছে। কিছু ঠাইত ডাঙৰ ডাঙৰ শিলবোৰ এনেদৰে ওলমি আছে, দেখিলে এনে অনুমান হয় যেন যিকোনো মুহূৰ্ত্ততে ৰাস্তাৰে গৈ থকা মানুহৰ ওপৰত বাগৰি পৰিব পাৰে।"



"ডাঙৰ ডাঙৰ শিল আৰু পথটো মোৰ বাবে কোনো সমস্যাই নহয়। সেইবোৰ মই অনায়াসে পাৰ হৈ যাব পাৰিম।" বলৱানে কৈছিল।

"কিন্তু আচল কাহিনীটো তুমি শুনাই নাই। সেই উপত্যকাটোত প্ৰাকৃতিক শক্তিতকৈ অতি প্ৰাকৃতিক শক্তিৰ প্ৰতিহে বেচি ভয়। সেই ৰাক্ষসবোৰ ভগবানৰ এক আচৰিত সৃষ্টি। সিহঁতে তালৈ যোৱা মানুহৰ মঙহ আৰু তেজ খায় আৰু সেই মানুহবোৰৰ লগত থকা ধন, সোণ, মূল্যবান বস্তু আদি লৈ যায়।" এজন ফল বেপাৰীয়ে কৈছিল।

"সেই ৰাক্ষসবোৰে সিহঁতৰ ইচ্ছা অনুসৰি ৰূপ ধাৰণ কৰিব পাৰে। সেইটো যে ৰাক্ষস তুমি ধৰিবই নোৱাৰিবা!" এজন বাচন বেপাৰীয়ে বৰ্ণনা কৰি কৈছিল।

বলৱানে তেতিয়া প্ৰত্যাহ্বান জনাই কৈছিল- "সেইবোৰ তোমালোকৰ মনে সজা গল্প মাথোঁ। মই উপত্যকাটোলৈকে যাম আৰু এটা ৰাক্ষসৰ লগত যুঁজ কৰি উভতি আহিম। মই মনতে ভাবিছো যিটো ৰাক্ষসকে আগতে লগ পাম তাকে মই মূৰ্খ বনাম।"

তাৰ পিছদিনাখনেই বলৱানে উপত্যকাটোলৈ যাত্ৰা কৰিছিল। তেওঁৰ ঘৰৰ ওচৰতে থকা বুঢ়ী তিৰোতা এগৰাকীয়ে বলৱানৰ কপালত তিলক আঁকি দি কৈছিল, "বাচা, ভগবানে তোমাক ৰক্ষা কৰক। তোমাৰ লগত এই কণী আৰু লোণৰ টোপোলাটো দিলো। বিপদৰ সময়ত এইবোৰ তোমাৰ সহায় হব।"

বালৱান গৈ যেতিয়া উপত্যকাটোত উপস্থিত হৈছিল তেতিয়া কোনোবাই তেওঁৰ নাম ধৰি

মাতি কৈছিল --"সেইটো বলৰাম নহয়নে ! বহুদিনৰ পিছত তোমাক দেখি ভাল লাগিছে । মই তোমাৰ বন্ধু গববৰ । ইয়ালৈকে আহা, তোমাৰ লগত অলপ কথা হওঁ ।"

বলৰামে তৎক্ষণাত বুজিব পাৰিছিল এই কথা কোৱা লোকজন নিশ্চয় ৰাক্ষস হব । তেওঁ তৎক্ষণাত সন্তম হৈ লৈছিল আৰু চিঞৰি কৈছিল-গববৰ, তুমি ক'ত আছা ? মই তোমাক দেখা নাই ।" ৰাক্ষসটোৱে তেতিয়া গববৰৰ ৰূপলৈ আহি বলৰামৰ সন্মুখত উপস্থিত হৈছিল।

বলৰামে কৈছিল, "আঃ ! ৰাক্ষস ! তেনেহলে তুমি ইয়াতে আছা । সেয়েহে তুমি গববৰৰ ৰূপ লৈ আহিছা, নহয়নে বাৰু ? মই কিয় ইয়ালৈ আহিছো তুমি জানানে ?"

বলৰামৰ কথা শুনি ৰাক্ষসটো আচৰিত হৈছিল । আগতে সি কেতিয়াও মানুহে এইদৰে কথা কোৱা শুনা নাছিল । "তুমি কিয় ইয়ালৈ আহিছা মই কেনেকৈ জানিম ।" ৰাক্ষসটোৱে উত্তৰ দি কৈছিল ।

"অ'! তেতিয়াহলে তুমি এজন মূৰ্খ ৰাক্ষস । তুমি মানুহৰ মনৰ কথা নাজানা । চোৱা, মই এজন মল্লবীৰ । মই গৰু ম'হ গিলি খোৱা ঘৰিয়াল বধ কৰিছো আৰু মানুহ খোৱা সিংহও বধ কৰিছো ! এতিয়া মই ৰাক্ষসক বধ কৰিব বিচাৰিছো ।" বলৰামে কৈছিল ।

ৰাক্ষসটোৱে তেতিয়া বলৰামৰ ভৰিৰ পৰা মূৰলৈকে এবাৰ চাই কৈছিল--"কিন্তু তোমাকতো সিমান শক্তিশালী যেন নালাগে ।"

ইয়াৰ উত্তৰত বলৰামে কৈছিল--"মই দেখাত বিশাল আকৃতিৰ নহব পাৰো । তোমাৰ ফালেই এবাৰ চোৱাচোন । তুমি দেখাত গববৰৰ নিচিনা হব পাবা কিন্তু তুমি গববৰ নহয় ।" তেওঁ শিল এটুকুৰা তুলি লৈ কৈছিল--"এই শিলটুকুৰাৰ কথাই ধৰা, এই শিলটুকুৰাৰ দেখাত শুকান হব পাৰে, কিন্তু ইয়াক চেপি দিলে ৰস ওলাব ।"

ৰাক্ষসটোৱে তেতিয়া শিলটো তুলি লৈ হাতেৰে খুব জোৰে চেপি দিছিল । কিন্তু তাৰ

নালন্দা বিশ্ববিদ্যালয়

খৃঃ পূঃ ৫ম শতিকাত গুপ্ত সম্ৰাটসকলে নালন্দা বিশ্ববিদ্যালয় স্থাপন কৰিছিল । এইখন শিক্ষাৰ এক বিখ্যাত কেন্দ্ৰ আছিল । ইয়াতে শিক্ষা দিয়া বিষয়বোৰ আছিল--বৌদ্ধ মত (মহায়ন আৰু হিনায়ণ উভয় মতবাদ), বেদ, হেতু বিদ্যা (তৰ্ক শাস্ত্ৰ), শব্দ বিদ্যা (ব্যাকৰণ) আৰু চিকিৎসা বিদ্যা । এই বিশ্ববিদ্যালয় খনত হাজাৰ হাজাৰ ছাত্ৰ আৰু শিক্ষক আছিল । ইয়াত শিক্ষা গ্ৰহণৰ কাৰণে দূৰ-দূৰণিৰ পৰা ছাত্ৰ আহিছিল । সেই ছাত্ৰসকলৰ ভিতৰত বিখ্যাত আছিল চীনা পৰিব্ৰাজক হিউয়েং চাং। সম্ৰাট হৰ্ষবৰ্দ্ধনে আৰু পাল বংশধৰ সকলেও ইয়াৰ পৃষ্ঠপোষকতা কৰিছিল ।



পৰা একো ৰস নোলাল । "অসম্ভৱ" ! বুলি কৈ সি শিলটো থৈ দিছিল ।

বলৱানে হাতৰ পাকতে শিলৰ সলনি মোনত থকা কণীটো মুঠি মাৰি ধৰি কৈছিল "এতিয়া মোৰ ফালে চোৱা । মই শিলটো জোৰে চেপি ধৰিম আৰু তাৰ পৰা ৰস বাহিৰ হব ।" এইবুলি কৈ বলৱানে কণীটো চেপি ধৰাত তেওঁৰ হাতৰ মুঠিৰ পৰা কণীৰ কুহুম আৰু বগা জোল বোৰ ওলাই আহিছিল ।

ৰাক্ষসটোৱে বলৱানৰ হাতৰ মুঠিৰ পৰা ওলোৱা জুলীয়া পদাৰ্থবোৰ দেখি তেওঁৰ প্ৰতি আকৃষ্ট হৈছিল ।

ইয়াৰ পিছত বলৱানে স্বচ্ছ শিল এটা তুলি লৈ ৰাক্ষসটোক কৈছিল - "তুমি এই শিলটো গুড়ি কৰি লোণ কৰি দিব পাৰিবানে ?

"নিমখ ?" ৰাক্ষসটোৱে সুধিছিল ।

"কি লাজৰ কথা । মই ভাবিছিলো তুমি মোৰ সমতুল্য হবা আৰু মই তোমাৰ লগত মল্লযুদ্ধ কৰিম ।" এইবুলি কৈ তেওঁ দুয়োখন হাত এনেদৰে ধৰিছিল যেন তেওঁ শিলটো গুড়ি কৰিবলৈ ধৰিছে । তাৰপাছত হাতৰ পাকতে তেওঁ শিলটো মোনাত থৈ মোনাৰ পৰা বুঢ়ীয়ে দিয়া লোণবোৰ উলিয়াই লৈছিল আৰু সেইবোৰ ৰাক্ষসটোক দেখুৱাই কৈছিল, "এয়া খাই চোৱাচোন লোণ হয় নে নহয় ?"

ৰাক্ষসটোৱে সেইবোৰ খাই চাই আচৰিত হৈছিল । 'এইজনতো সাধাৰণ মানুহ নহয়,' সি মনতে ভাবিছিল ।

তাৰপাছত বলৱানে কৈছিল--"মই তোমাক আমাৰ গাঁৱলৈ লৈ যাব বিচাৰো । আমাৰ গাঁৱৰ মানুহে ৰাক্ষস দেখা নাই । অহাকালি মোৰ লগত তুমি যাব পাৰিবানে ?"

ৰাক্ষসটোৱে ভাবিছিল, 'মই যদি আজি ইয়াক মোৰ ঘৰলৈ লৈ যাব পাৰো ৰাতি শুই থাকোতে মই ইয়াৰ মূৰটো গুড়ি কৰি পেলাব পাৰিম ।"

সি বলৱানক কৈছিল - "মই জানো, বহুতো ৰাক্ষসেই তোমাৰ লগত তোমাৰ গাঁৱলৈ যাবলৈ ইচ্ছা প্ৰকাশ কৰিব । এতিয়া ৰাতিটোৰ কাৰণে মোৰ গুহাতে আহি আশ্ৰয় লোৱাহি । ৰাতি পুৱালেই আমি আটায়ে লগ হৈ তোমাৰ গাঁৱলৈ যাম । অনুগ্ৰহ কৰি ৰাতিটোৰ কাৰণে মোৰ আতিথ্য গ্ৰহণ কৰা ।"



বলৱানে ৰাক্ষসৰ আতিথ্য গ্ৰহণ কৰি কৈছিল "মোৰ লগত বেচি চালাকি দেখুৱাবলৈ চেষ্টা নকৰিবা । মই চকুচকীয়া শিলকো লোণ কৰিব পাৰো । গতিকে তোমাৰ মনত থকা দুষ্ট প্ৰবৃত্তিকো সোণকালে ধৰা পেলাব পাৰিম ।"

ৰাক্ষসটোৱে বলৱানক ভাল ব্যৱহাৰ কৰাৰ প্ৰতিশ্ৰুতি দি তাৰ ঘৰলৈ লৈ গৈছিল । ৰাক্ষসৰ ঘৰটো এটা গুহাৰ ভিতৰত আছিল । তাৰে বহুতো কোঠালী বাটৰুৱাসকলক বধ কৰি পোৱা তেওঁলোকৰ ধন সোণেৰে উপচি আছিল । বলৱানে তাৰ ঘৰত মানুহৰ হাড় আৰু লাওখোলাও দেখিবলৈ পাইছিল । বলৱানে বুজিব পাৰিছিল ৰাক্ষসটোৱে মানুহবোৰ খাই হাড় মূৰবোৰ তাতে পেলাই থৈছে ।

হস্তশিল্প

হস্তশিল্পৰ কাৰণে বিহাৰ অতি বিখ্যাত । ইয়াৰে হস্তশিল্পত ব্যৱহাৰ কৰা সামগ্ৰীবোৰ হ'ল --শিল, কাঠ, চামৰা, ধাতু, লা আৰু আইনা ।

বিহাৰৰ বিখ্যাত লোক কলা হ'ল মধুবনি আৰ্হিৰ পেইন্টিং । এই কলাবিধ মহিলাসকলে পৰম্পৰাগত ভাবে শিকি আহিছে । তেওঁলোকে ঘৰৰ বেৰত, চোতালত এই আৰ্হিৰ ছবি আঁকে । ধৰ্মীয় বিষয়ক লৈ অঁকা ছবিবোৰত গছ আৰু শিলৰ পৰা প্ৰাকৃতিক ভাবে তৈয়াৰ কৰা ৰং ব্যৱহাৰ কৰা হয় ।



ৰাক্ষটোৱে বলৱানক ভাল ব্যৱহাৰেই কৰিছিল । সি তেওঁক ৰাতিৰ আহাৰ খাবলৈ দিছিল । তেতিয়া বলৱানে কৈছিল--"প্ৰত্যেক দিন মই মাথো এবাৰহে আহাৰ খাও । আজি মই ঘৰতে খাই আহিছো । কিন্তু তোমাৰ আতিথ্য গ্ৰহণ কৰি মই বাৰু অলপ ভাত খাম ।"

তেতিয়া ৰাক্ষসটোৱে কৈছিল-"ভাত ৰান্ধিবলৈ মই খৰি আনিবলৈ যাও । তুমি এই বটলটো লৈ গৈ নিজৰাৰ পৰা এবটল পানী লৈ আহা গৈ ।"

বলৱানে খালী বটলটোকে লৰাব পৰা নাছিল। সেইটো বহুটো গৰুৰ চালেৰে তৈয়াৰ কৰিছিল । বলৱানে মনতে ভাবিছিল 'যদি মই খালী বটলটোকে লৰাব নোৱাৰো সেইটোত পানী ভৰাই মই কেনেকৈ দাঙি আনিম । মই ইয়াৰ অন্য উপায়ৰ কথা চিন্তা কৰিব লাগিব ।'

বলৱানে তেতিয়া নিজৰাটোৰ পৰা গুহাৰ ভিতৰত থকা ৰান্ধনি ঘৰলৈ এটা সুৰঙ্গ তৈয়াৰ কৰিছিল । সেই সময়তে ৰাক্ষসটোৱে খৰি লৈ আহি তাত উপস্থিত হৈছিল । সি বলৱানৰ কাম দেখি চিঞৰি উঠিছিল, "এয়া তুমি কি কৰি আছা ? মই মাথোঁ তোমাক নিজৰাৰ পৰা পানী আনিবলৈহে কৈছিলো !"

"মই এনেকুৱা এক ডজন বটলত পানী আনিব পাৰো । কিন্তু তোমাৰ আতিথ্যৰ চিন স্বৰূপে মই তোমাৰ ঘৰলৈ পানী অনাৰ এটা স্থায়ী ব্যৱস্থা কৰিবলৈ বিচাৰিছিলো । সেয়েহে মই নিজৰাটোৰ পৰা সহজতে পানী বৈ অনাৰ বাবে এই সুৰঙ্গটো তৈয়াৰ কৰিছো ।" বলৱানে গৰ্বেৰে উত্তৰ দিছিল ।

ৰাক্ষসটো বৰ বিমোৰত পৰিছিল । বলৱানক বধ কৰাৰ পৰিকল্পনা এতিয়া অথলে যাব নেকি?

ৰাক্ষসটোৱে বলৱানক কৈছিল, "ইয়াৰ কাৰণে তোমাক অশেষ ধন্যবাদ । তুমি মিছাতে আৰু কষ্ট কৰিব নালাগে । বাকী কামখিনি ময়ে কৰিম । তুমি ভাত খাই সোনকালে শুই থাকা গৈ ।" বলৱানে ৰাক্ষসৰ কথাত কিবা ভিতৰুৱা উদ্দেশ্য থকাৰ কথা অনুমান কৰি লৈছিল ।

ৰাতিৰ আহাৰ খোৱাৰ পিছত সিহঁতে শুবলৈ গৈছিল । ৰাক্ষসটোৰ তৎক্ষণাত টোপনি আহিছিল । বলৱানে বিপদৰ কথা বুজিব পাৰি নিজে শুই থকা ঠাইত এটা গাৰু থৈ তাৰ ওপৰত এখন কাপোৰ ঢাকি দি নিজে আন ঠাইত লুকাই আছিল ।

পুৱাৰাতি ৰাক্ষসটোৱে সাৰ পাই বলৱানৰ বিচনাৰ ওচৰলৈ গৈ প্ৰচন্ড জোৰে গাৰুটোৰ ওপৰত আঘাত কৰিছিল । ৰাক্ষসটোৱে আনকি এটাও গেঙনি শুনিবলৈ নাপাই ভাবিছিল যে বলৱানৰ মৃত্যু হৈছে । তথাপি আৰু বেচি নিশ্চিত হবৰ কাৰণে তাৰ ওপৰত আৰু ছয়বাৰ আঘাত কৰি নিজৰ বিচনাত গৈ শুই আছিল ।

বলৱাণে তৎক্ষণাত ৰাক্ষসৰ বিচনাৰ ওচৰলৈ গৈ কৈছিল -- "বন্ধু, যি দেখিছো তোমাৰ ঘৰত বহুতো উৰহ আছে । এইমাত্ৰ মোক সাতটা উৰহে কামোৰা যেন লাগিছে !"

বলৱাণৰ কথা শুনি ৰাক্ষসটো আচৰিত হৈছিল । সি ভাবিছিল বলৱানৰ মৃত্যু হৈছে ।



ভ্ৰমণ স্থান

ইয়াৰ বোধ গয়াত ভগবান বুদ্ধই বুদ্ধত্ব লাভ কৰিছিল । যিজোপা গছৰ তলত বহি তেওঁ ধ্যান কৰিছিল সেই গছজোপক বোধিবৃক্ষ বুলি কোৱা হয় । বোধ গয়াত থকা মন্দিৰ আৰু পুৰাতাত্ত্বিক যাদুঘৰটো এক চাবলগীয়া ঠাই ।

পৰ্য্যটকসকলৰ কাৰণে অন্য এক আকৰ্ষণীয় ঠাই হ'ল ৰাজগীৰ । চাৰিওফালে পাহাৰ আৰু অৰণ্যৰে আবৰা এই ঠাইখন অতি মনোৰম । ভগবান বুদ্ধই জ্ঞান লাভ কৰাৰ পিছত ইয়াতে তেওঁ পাঁচ বছৰ কাল কটাইছিল । এই ঠাইখন জৈন ধৰ্মৰ মানুহৰ কাৰণেও সমানে আৱশ্যকীয় । ২৪ জন তীৰ্থঙ্কৰে ৰাজগীৰৰ পাহাৰৰ আশেপাশে কঠোৰ ব্ৰত পালন কৰিছিল বুলি জনা যায়।

কিন্তু বলৱানে এইয়া তাক কি কৈছে ! এই প্ৰচন্ড আঘাত কেইটাকে যদি সি কেৱল উৰহৰ কামোৰ বুলি কব বিচাৰে তেনেহলে ৰাক্ষৰ শক্তিৰ মৰ্য্যাদা থাকিল ক'ত ? মানুহেই এনে ধৰণৰ কথা কলে, আমাৰ অৱস্থা কি হব ?' ইয়াকে ভাবি ৰাক্ষসটোৱে ভয়তে এটা চিঞৰ মাৰি গুহাৰ পৰা দৌৰি পলাই গ'ল ।

বলৱানে ৰামপুৰৰ পৰা কেইটামান ঘোঁৰা লৈ আহি ৰাক্ষসৰ গুহাত থকা সকলো ধন সোণ তেওঁৰ গাঁৱলৈ লৈ গৈছিল । তাৰে এটা অংশ তেওঁ বুঢ়ীজনীক দিছিল, যিজনীয়ে দিয়া কণী আৰু লোণৰ বাবে তেওঁৰ জীৱন ৰক্ষা পৰিছিল ।

বলৱানে ৰাক্ষসবোৰক তেওঁৰ বন্ধু বুলি কৈছিল । ইয়াৰ পিছত তেওঁ কেতিয়াও অহঙ্কাৰ কৰা নাছিল । তেওঁ ৰাক্ষসৰ মাজৰ পৰা নিৰ্বিঘ্নে বাচি অহা বাবে ভগবানক তেওঁ কৃতজ্ঞতা জনাইছিল ।

সংবাদ বিচিত্ৰা

উদ্ধাৰকাৰী আইনা



ছানী আৰু চীনাৰ মনৰ বিষন্ন অৱস্থা দেখি লক্ষ্ণৌৰ চিৰিয়াখানা কৃত্তপক্ষ চিন্তিত হৈ পৰিছিল। ইয়াৰ কাৰণ, বৃহৎ আকৃতিৰ এই চিম্পাঞ্জী দুটাই সিহঁতক বেলেগ বেলেগকৈ ৰখা পৰিবেষ্টনাৰ মাজত অকলশকীয়া অনুভৱ কৰিছিল সিহঁতৰ ৰখীয়াকেইজনে ইয়াৰ এটা সমাধান বিচাৰিছিল। অৱশেষত তেওঁলোকে চিম্পাঞ্জী দুটা থকা পৰিবেষ্টনীৰ মাজত দুখন ডাঙৰ আইনা ৰখাৰ সিদ্ধান্ত কৰিছিল । চিম্পাঞ্জী দুটা সাৰ পাই উছিয়েই সিহঁতৰ সঙ্গী বিচাৰি পাইছিল । যদি সিহঁতে মূৰটো লৰায় আইনাৰ চিম্পাঞ্জীয়েও মবৰটো লৰায় । যদি সিহঁতে বাওঁ ভৰিখন দাঙে বিপৰীত ফালৰটোৱে সোঁ ভৰিখন দাঙে । সিহঁতে হাঁহিলে আইনাত থকা দুটাইও হাঁহে ! ছানী আৰু ছীনাৰ কাৰণে এইটো এক ধেমালি আছিল । ইয়াৰ পাছত আৰু সিহঁতে বিষন্ন মনে থকা নাছিল । দৰ্শক সকলেও সিহঁতক আনন্দমনে খেলি থকা দেখা পাইছিল ।

পোহনীয়া নে অনিষ্টকাৰী ?



বৃটিছ কলাম্বিয়াৰ কেলোৱনাত থকা কুপচ্ পৰিয়ালৰ এইটো এটা পোহনীয়া প্ৰাণী; কিন্তু সেই ঠাইৰ শিশু কল্যাণ বিভাগে ভাবে যে এইটো এটা অনিষ্টকাৰী প্ৰাণী আৰু ইয়ে বিপদৰ সৃষ্টি কৰিব পাৰে । ইয়াতে ৫ মিটাৰ দীঘল বোৱাজ নামৰ এটা অজগৰৰ কথা কোৱা হৈছে। এই অজগৰটো নটা শিশু থকা পৰিয়ালটোত ৫ বছৰ ধৰি আছে, যিটো পৰিয়ালৰ আটাইতকৈ সৰু শিশুটোৰ বয়স দুই বছৰ । কত্তৃপক্ষই শিশু কেইটাৰ নিৰাপত্তাক লৈ চিন্তিত । হয় বোৱাজ বাহিৰলৈ যায় অথবা শিশুকেইটা যতে ততে উমলি থাকে । কিন্তু কুপচ্ পৰিয়ালৰ গৰাকীজনে কত্তৃপক্ষক কৈছে যে বোৱাজ অতি বন্ধুত্বপূৰ্ণ । সেয়েহে প্ৰায়ে স্কুলৰ ছাত্ৰ-ছাত্ৰীবোৰক শিক্ষামূলক কাৰ্য্যসূচীত তেওঁলোকৰ ঘৰলৈ লৈ অহা হয় আৰু সিহঁতেও অজগৰটো ভয় নকৰাকৈ লৰাচৰা কৰে ।

গণেশ

পাৰ্বতীয়ে নিজৰ দুখ-শোক পাহৰি গণেশক কোলাত লৈ আদৰ কৰি থাকিল। শিৱই গণেশক মাতিলে আৰু তাৰ পাছত পাৰ্বতীৰ কোলাৰপৰা গণেশক দাঙি লৈ ক'লে, "হে বিঘ্নেশ্বৰ ! তোমাক লাভ কৰি আমি ধন্য হ'লো । তুমি চিৰজীৱি হোৱাঁ।"

গণেশে ক'লে, "হে পিতৃদেৱ । তেনেকৈ কৈ মোক লাজত নেপেলাবা । তোমালোকৰ পুত্ৰ হৈ জনমি মই নিজেই ধন্য মানিছোঁ ।" এই বুলি কৈ গণেশে প্ৰথমে পাৰ্বতী আৰু শিৱলৈ আৰু তাৰ পাছত বিষ্ণুলৈ শুঁৰেৰে প্ৰণাম কৰিলে ।

বিষ্ণুৱে গণেশক ক'লে, "আহাঁ, ভাগিন, বহাঁহি । তোমাৰ মংগল হওক ।"

তেতিয়া বিষ্ণুৰ দেহৰপৰা নীলাকাশৰ ৰং ওলাইছিল । তাত উপস্থিত অন্যান্য দেৱতাই বুজিলে যে গণেশৰ সৈতে বিষ্ণুৰ আগৰে-পৰাই পৰিচয় আছিল । তেওঁলোকে এই কথাটিও খাটাংকৈ জানিলে যে বিষ্ণু হ'ল মহাগণাধিপতি গণেশৰ মোমায়েক ।

তাৰ পাছত গণেশে ব্ৰহ্মালৈ প্ৰণাম জনালে । ব্ৰহ্মাই হাঁহি মাৰি গণেশক ক'লে, "মোক প্ৰণাম কৰাৰ আগতে তুমি পেট পূৰাই পূজা খোৱা ।" এই বুলি কৈ ব্ৰহ্মাই গণেশৰ গালত চিকুটি দিলে ।

তাৰ পাছত গণেশে লক্ষ্মী আৰু সৰস্বতীক প্ৰণাম কৰিলে । তেওঁলোকে গণেশক কোলাত লৈ আদৰ কৰিলে, গণেশৰ কপালত, গালত চুমা খালে । তাৰ পাছত তেওঁলোকে পাৰ্বতীক ক'লে, "ক'বলৈ গ'লে আমি তিনিও প্ৰায় একেদৰেই আহিছোঁ। গণেশৰ ওচৰে পাঁজৰেই আমাৰো

স্থান।" ক্ষীৰসাগৰৰ-পৰা উদ্ভৱ হ'ল লক্ষ্মীৰ। ব্ৰহ্মাৰ জিহ্বাৰপৰা সৃষ্টি হ'ল সৰস্বতীৰ। পোনতে দক্ষ-কন্যা সতীদেৱী, আৰু তাৰ পাছত হিমৱন্তৰ কন্যা পাৰ্বতীৰ আবিৰ্ভাৱৰ কথা ত্ৰিজগতে জানে। তাৰ পাছত হ'ল এই সিদ্ধিদাতা, বুদ্ধিদাতা গণেশৰ আবিৰ্ভাৱ। এতিয়া, মহাগণাধিপতি গণেশৰ সহধৰ্মিণী কোন হ'ব সেয়ে মন কৰিবলগীয়া কথা।

লক্ষ্মীদেৱীয়ে ক'লে, "গণেশক যিসকলে মনে-প্ৰাণে বিশ্বাস কৰে মই তেওঁলোকৰ ওচৰত থাকোঁ। সিদ্ধি-স্বৰূপিণী জয়লক্ষ্মী হ'ল মোৰেই অংশ; আৰু জয়লক্ষ্মীয়েই গণেশৰ ভাবী পত্নী।"

লক্ষ্মীদেৱীৰ কথা শেষ হোৱাৰ লগে লগেই সৰস্বতীয়ে ক'লে, "বিঘ্নেশ্বৰ হ'ল বিজ্ঞানৰ আকৰ। আখৰৰ জ্ঞান লাভ কৰাৰ আগতে গণেশক পূজিব লাগে। গণেশৰ প্ৰীতি অৰ্জন কৰিহে অ আ ক খ আৰম্ভ কৰা উচিত। মোৰেই অংশ বিদ্যাৱতী হ'ল গণেশৰ প্ৰিয়তমা।"

তেতিয়া গণেশে সকলোটিলৈ অসহায় ভাৱে চাই মিঠাকৈ হাঁহি মাৰি ক'লে, "কেনে অদ্ভুত সিদ্ধান্ত! মোক এইবোৰ একো নালাগে, মই লাইলেঠীয়া হৈ শান্তিৰে জীৱনযাপন কৰিবলৈ বিচাৰোঁ।"

বিষ্ণুৱে ক'লে, "নহয় নহয়, সেই কথা বাদ দিয়া। তুমি অৱশ্যেই বিয়া কৰাবা। তোমাৰ পত্নীয়ে তোমাক সেৱা-যত্ন কৰিব। এগৰাকীয়েই যথেষ্ট নহ'ব, কমেও আঠ গৰাকী পত্নীয়ে তোমাক সেৱা-যত্ন কৰিলেহে ঠিক হ'ব। এয়ে আমাৰ কাম্য।"

লগে লগে গণেশে টপটপাই ক'লে, "হয়নে? ভাল বাৰু, তেনেহ'লে ময়ো কৈ থওঁ, কৃষ্ণাৱতাৰৰ কালত তুমিও হ'বা আঠগৰাকী নাৰীৰ পতি। তেওঁলোকক লৈ তুমি আনন্দৰ সাগৰত উটি ফুৰিবা।"

বিষ্ণুৱে হাঁহি মাৰি ক'লে, "তোমাৰ মুখৰ কথা ফলিবই। পিছে--তেনেহ'লে ময়ো কওঁ মোৰ আঠজনী হ'লে তোমাৰ হ'ব কমেও দহজনী।"

গণেশে হো হোৱাই হাঁহি মাৰি ক'লে "ভৱিষ্যতৰ প্ৰবাদবাক্য হ'ব --বিঘ্নেশ্বৰৰ বিবাহত সহস্ৰ বিঘ্ন। মোৰ বিবাহত আন কোনেও বিঘ্ন সৃষ্টি কৰিবলৈ নাহে, গতিকে মোৰ বিয়াত মই নিজে নিজেই সহস্ৰ বিঘ্ন সৃষ্টি কৰিম।"

"সহস্ৰ কিয়--এককোটি বিঘিনিয়ে দেখা দিলেও তোমাৰ বিবাহ কোনেও বন্ধ কৰিব নোৱাৰিব।" ব্ৰহ্মাৰ সৈতে একমত হৈ সকলোৱে সমস্বৰে ক'লে।

তেতিয়া নাৰদে ক'লে, "হে বিঘ্নেশ্বৰ, তোমাৰ কথাৰ ধাৰ বুজি মই খেও দিব নোৱাৰিম; যদিও বিবাহ নকৰাকৈ জীৱনধাৰণ কৰাতো কাৰো পক্ষে সম্ভৱ নহয় । মই সংসাৰ-সাগৰত সাঁতুৰিব নোৱাৰা বাবেহে মুনিৰ ভেশ লৈ টাংগুটি বাই ফুৰিছোঁ । হে বিঘ্নে-শ্বৰ ! বিবাহ আৰু কৰ্তব্যকৰ্ম পুৰুষমাত্ৰেই কৰিব লাগে । বিবাহ নকৰিলে সৃষ্টি, স্থিতি আৰু লয়ৰ আৱৰ্তন কেনেকৈ ঘটি থাকিব ? বিশ্বব্ৰহ্মাণ্ডৰ এই বিৰাট কৰ্মযজ্ঞত তুমি বা মই নগণ্য নিমিত্তমাথোন। গতিকে--বিয়া নকৰি তুমি নোৱাৰিবা ।"

"বাহ্ বাহ্ ! তুমি দেখিছোঁ বিয়া পগলা বুঢ়া ! কোনো স্বয়ম্বৰ সভালৈ গৈছিলানেকি সদ্যহতে ?" গণেশে ক'লে ।

নাৰদে ক'লে, "মোক ত্ৰিজগতে ত্ৰিকালজ্ঞ বুলি জানে আৰু মানে । তুমি দেখিছোঁ অনন্তকালজ্ঞ । কথা পিন্ধোৱাত তুমি বৰ কাজী । সকলোৰে কোষ্ঠী তোমাৰ হাতত । তোমাক ফাঁকি দিয়া কাৰো কৰ্ম নহয়। তোমাৰ সৈতে তৰ্কবাদত লিপ্ত হ'লে অনন্তকাললৈকে সেই তৰ্ক চলি থাকিব । আটাইতকৈ ডাঙৰ অসুবিধা হ'ল এয়ে যে--তুমি হ'লা পূৰ্ণজ্ঞানী । আমাৰ দৰে অৰ্ধজ্ঞানীসকলে তোমাৰ সৈতে তৰ্ক কৰে কেনেকৈ ? তোমাকনো কোন জনে আঁটে? তুমি মায়াৰ অতীত । তুমি সিদ্ধিদাতা । তোমাক যিসকলে বৰণ কৰিবলৈ বিচাৰে তেওঁলোকে অনতিপলমে তোমাক বৰণ কৰক । শ্ৰীৰস্তু, শুভমস্তু, শীঘ্ৰকল্যাণ সিদ্ধি ৰস্তু--এই ধ্বনি শীঘ্ৰে উচ্চাৰিত হওক।" এই বুলি নাৰদে তম্বুৰা বজাই তাৰপৰা ওলাই গ'ল ।

তাৰ পাছত দেৱতাসকলো গ'লগৈ । পাৰ্বতী আৰু শিৱয়ো তেতিয়া পুত্ৰ গণেশক লৈ ৰংমনে কৈলাসলৈ গুচি গ'ল ।

নাৰদ পোনে পোনেই বজ্ৰদন্তৰ ওচৰলৈ গ'ল । এই মূষিকাসুৰ বজ্ৰদন্তৰ নেগুৰত ধৰি শূন্যত পাক মাৰি গণেশে দলিয়াই পেলাইছিল। সিদিনা বজ্ৰদন্তই যি আঘাত পাইছিল সেই আঘাতজনিত বেদনাৰ তেতিয়ালৈকো উপশম হোৱা নাছিল । ধৱলাই স্বামীৰ সেৱা-যত্ন কৰি আছিল । নাৰদক দূৰৰপৰা দেখা পায়েই ধৱলাই ভাবিলে :আকৌ মোৰ স্বামীক নিশ্চয় কিবা বিপদত পেলাব এওঁ । এই কথা ভাবি ধৱলা ঘৰৰ ভিতৰলৈ গ'লগৈ ।

নাৰদে মূষিকাসুৰ বজ্ৰদন্তক ক'লে, "তোমাক যিগৰাকী গণেশে বেয়াকৈ পৰাজিত কৰিছিল, তেওঁ দেখোন এতিয়া

সৰ্বলোকত পূজ্য । গতিকে তুমি --"

"মই নো আৰু কি কৰিম, নাৰদ ?" আমনি পাই বজ্ৰদন্তই ক'লে ।

নাৰদে হাঁহি মাৰি ক'লে, "ব্ৰহ্মাই এতিয়াও বৰ দিয়ে । হীৰাৰে হীৰা কাটিব লাগে । প্ৰতিশোধ লোৱা, প্ৰতিশোধ । এটা গজমুৱাই বিঘ্নেশ্বৰ বোলাই পূজা খাই আছে আৰু তুমিনো এনেকৈ সহি থাকিবানে ?" এই বুলি কৈয়েই নাৰদমুনিয়ে তম্বুৰাৰ ঝংকাৰ তুলি তাৰপৰা তৎক্ষণাৎ ততা তৈয়াকৈ গুচি গ'ল ।

মহাশ্বেতা নামধাৰী ধৰলাই বহুপ্ৰকাৰে নিষেধ কৰা সত্বেও বজ্ৰই আঁকোৰগোজালি কৰি ক'লে, "চোৱাঁ মহাশ্বেতা, তোমাৰ পুণ্যৰ বলতে মই যে জীয়াই থাকিম সেই কথা মই ভালকৈ জানো । আন যিয়েই নহওক, গণেশে মোক যেনেকৈ অপদস্থ কৰিছিল মই তাৰ হোৱে নোতালালৈকে শান্তি নাপাওঁ ।" এই বুলি কৈ বজ্ৰদন্ত তপস্যা কৰিবলৈ গুচি গ'ল আৰু ব্ৰহ্মাৰ কৃপা প্ৰাৰ্থনা কৰি ঘোৰ তপস্যাত মগ্ন হ'ল ।

অৱশেষত ব্ৰহ্মা আহিল আৰু বজ্ৰদন্তক সুধিলে, "তোমাক কি লাগে কোৱাঁ ।"

"মোক বিঘিনি ঘটাবপৰা ক্ষমতা লাগে আৰু মই অজ্ঞানৰ অধীশ্বৰ হ'বলৈ বিচাৰোঁ ।" বজ্ৰদন্তই ক'লে ।

ব্ৰহ্মাই হাঁহি মাৰি ক'লে, "তোমাৰ কথা শুনি মই অবাক হৈছোঁ । তাৰ মানে--তুমি প্ৰতিটো কামতে বিঘ্ন সৃষ্টি কৰিব খুজিছানেকি? অজ্ঞতা হ'ব তোমাৰ সমল । বিঘ্নৰ ৰূপ হ'ব অতি ক্ষুদ্ৰ । অজ্ঞতাৰ প্ৰৱেশ অতি সূক্ষ্মভাৱে ঘটে । অজ্ঞতাই কোনো সৎকাৰ্য্য কৰিব নোৱাৰে । ভাল, তোমাৰ প্ৰাৰ্থিত বৰ তোমাক দান কৰিলোঁ । এতিয়া, সেই বৰ লৈ তুমি কি কৰিবা ভাবি চোৱা ।" এই বুলি কৈ এটি ক'লা ক্ষুদ্ৰ প্ৰাণীক বজ্ৰদন্তৰ আগত থৈ ব্ৰহ্মা তৎক্ষণাৎ অন্তৰ্হিত হ'ল ।

মূষিকাসুৰ বজ্ৰদন্তই সেই প্ৰাণীটোক ক'লে, "তুমি মহাগজাসুৰৰ ৰূপ ধাৰণ কৰি গণেশক বিনাশ কৰাগৈ যোৱা ।"

'বিঘ্ন' নামৰ এইপ্ৰণীটিয়ে হস্তীৰ দেহ, হস্তীৰ পদ আৰু ভয়ংকৰদৰ্শন ক্ষুদ্ৰ মস্তক আৰু ক্ষুদ্ৰাতিক্ষুদ্ৰ চকুৰে গজাসুৰৰ ৰূপ ধাৰণ কৰি এক বিৰাট ধুমক'লা পৰ্বতৰ দৰে আকাশলৈ উৰা মাৰিলে । এইদৰে উৰি উৰি সি কৈলাসলৈ গ'ল ।

সেই ঠাইত স্বয়ং বিশ্বকৰ্মাই সাজি দিয়া সুৰম্য গৃহত গণেশ আছিল শিৱ-পাৰ্বতীৰ সৈতে । বিঘ্ন তাতে নামিল আৰু সুন্দৰভাৱে



মন্মথৰ ৰূপ ধাৰণ কৰি গণেশৰ সমুখত থিয় হ'লগৈ ।

গণেশে বিঘ্নক ক'লে, "কথানো কি ? দৃষ্টিয়ে যাক মনিব নোৱাৰে তাকনো দেখি আছোঁ কেনেকৈ ? চোৱাঁ, মোৰ ওপৰত যাদুমন্ত্ৰ নকৰিবা । মই নাবালক ।"

মন্মথই সবিনয়ে মূৰ দোঁৱাই ক'লে, "দেৱাদিদেৱ মহাদেৱে মোক যেনে ধৰণৰ বৰ দান কৰিছিল, তাৰে মই মন কৰিলেই দৃশ্যমান হৈ ঠিব পাৰোঁ । আপোনজনৰ ওচৰত নিজক লুকোৱাৰ কি প্ৰয়োজন ? তাত একো মহত্ব নাই । তুমি ষাঁড়ৰ পিঠিত উঠি ফুৰা শিৱৰ পুত্ৰ--আৰু মই হ'লো চিলাৰ পিঠিত উঠি ফুৰা বিষ্ণুৰ পুত্ৰ । শিৱই এবাৰ মোক ভস্ম কৰি পুনৰ্জীৱিত কৰি তুলিছিল আৰু শিৱই তোমাৰো মূৰ কাটি পেলাইছিল । মোৰ বাহন হ'ল চৰাই, আৰু তোমাৰ বাহন হ'ল এন্দুৰ। মন কুমলিয়াই যিহঁতে কাৰ্য্যোদ্ধাৰ কৰিব পাৰে সিহঁত হ'ল মোৰ অস্ত্ৰ । আৰু তোমাৰ অস্ত্ৰ হ'ল বিভিন্ন বিধৰ । তাৰকাসুৰক নিৰ্মূল কৰাৰ কাম এতিয়াও সমাপ্ত নাই হোৱা । তুমি মোক অনুগ্ৰহ কৰি কৈলাসলৈ প্ৰৱেশ কৰিবলৈ অনুমতি প্ৰদান কৰাঁ ।"

গণেশে ক'লে, ঠিক আছে, তোমাৰ এই সদ্ ইচ্ছা পূৰণ হওক ।"

অনুমতি লাভ কৰি মন্মথ কৈলাসলৈ সোমাল আৰু সুবিধাজনক ঠাইত খোপনি ল'লে । সেই ঠাইত বহি বিঘ্নই কৈলাসৰ সৌন্দৰ্য্য উপভোগ কৰিবলৈ ধৰিলে । অজস্ৰ নিজৰাৰ কলতানে সমগ্ৰ অঞ্চল মুখৰিত কৰি

আছিল আৰু বিভিন্ন ধৰণ আৰু বৰণৰ চৰাইৰ কূজনে চাৰিওদিশ ঝংকাৰিত হৈ উঠিছিল তেতিয়া ।

এনেতে আকাশ-বতাহ কঁপাই এটি ধ্বনি উঠিল : "গণেশ ক'ত ?"

চাওঁতে চাওঁতে গজাসুৰৰ ৰূপধাৰী বিঘ্ন গণেশৰ আগত থিয় হ'লহি আৰু ক'লে "মোৰ নাম গজাসুৰ । তোমাৰ কেৱল মুখখন হস্তীৰ মুখ । মোৰ গোটেই দেহ হস্তীৰ দেহ । মই তোমাক উচিত শিক্ষা দিবলৈ ইয়ালৈ আহিছোঁ ।" এই বুলি কৈ সি গৰ্জি থাকিল ।

গণেশে গজাসুৰৰ কথালৈ কাণসাৰ নকৰিলে । তেওঁ ক'লে, "এস্ ! এই কুঁহিয়াৰডাল ডোখৰ ডোখৰকৈ খাম বুলি ভাবিলোঁ, কিন্তু নহ'ল দেখিছোঁ । কুঠাৰখন একেবাৰে ভোটা ।" এই বুলি কৈ বিৰক্তিৰে গণেশে কুঠাৰখন দলি মাৰি দিলে আৰু তৎক্ষণাৎ কুঠাৰৰ আঘাতত গজাসুৰৰ ভৰি কটা গ'ল । সি মাটিত বাগৰি ছটফটাবলৈ ধৰিলে আৰু গণেশে তাৰ দেহৰ ওপৰত থিয় হৈ নাচি থাকিল ।

আৰ্তনাদ কৰি কৰি বিঘ্নই ক'লে, "হে মহাৰাজ ! মই গজাসুৰ নহওঁ, মই বিঘ্ন । মোক ব্ৰহ্মাই সৃষ্টি কৰিছিল । বজ্ৰদন্তৰ আদেশত মই গজাসুৰৰ ৰূপ লৈ আপোনাৰ বিৰুদ্ধে.... দয়া কৰি...দয়া কৰি এইবাৰলৈ মোক এৰি দিয়ক প্ৰভু !"

"তুমি যেনেকৈ বিঘ্ন, ময়ো তেনেকৈ বিঘ্নেশ্বৰ । বিঘ্নৰ বিনাশেই হ'ল মোৰ কৰ্তব্য। তুমি এতিয়া গজাসুৰৰ ৰূপ ধাৰণ কৰি আহিছা, ভালেই কৰিছা । তোমাৰ কপালত অলেখ দুখ আছে । তুমি কালীয় নাগৰ ভিতৰত থাকিবা । কৃষ্ণই তোমাক যথাসময়ত মৰ্দন কৰিব । কৃষ্ণই যেতিয়া তোমাৰ মস্তকোপৰি পদ স্থাপন কৰি মৰ্দন কৰিব তেতিয়াহে তোমাৰ পাপ খণ্ডিত হ'ব । তাৰ পাছৰপৰা তোমাৰ মূৰত কৃষ্ণৰ পদচিহ্ন পৰিলক্ষিত হ'ব ।" এই বুলি কৈ গণেশে গজাসুৰ তথা বিঘ্নক ছিন্ন-বিচ্ছিন্ন কৰি পেলালে।

অণুৰ ৰূপ ধাৰণ কৰি বিঘ্ন জীৱিত থাকিল। এইদৰে বিঘ্ন তথা গজাসুৰক বিনাশ কৰাত দেৱতাসকলে গণেশলৈ পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে ।



পৰিশ্ৰমৰ ফল মিঠা

বহুদিন আগৰ কথা । এখন গাঁৱত এজন কৃষকে বাস কৰিছিল । তেওঁ বৰ পৰিশ্ৰমী আছিল । তেওঁৰ পৰিয়ালটো অলপ ডাঙৰ আছিল । তেওঁৰ পিতা-মাতা, পত্নী, চাৰিটা সন্তান আৰু এজন সৰু ভায়েক, এয়ে আছিল পৰিয়ালৰ সদস্য । পৰিয়ালৰ আটায়ে খুব পৰিশ্ৰম কৰিছিল । কৃষকজনে সকলোকে পৰিশ্ৰম কৰিবলৈ উৎসাহ দিছিল । তেওঁ সদায় কৈছিল পৰিশ্ৰমৰ ফল মিঠা হয় ।

তেওঁৰ খেতিপথাৰৰ মাজত এডাল আম গছ আছিল । দুপৰীয়া তেওঁ গছডালৰ ছাঁত বহি জলপান খাইছিল । ঘৰত কোনো মাঙ্গলিক কাৰ্য্য হলে সেই আম গছৰ পাতেৰে তোৰণ সজাইছিল আৰু পদূলিমূৰত আমপাতৰ মালা দিছিল । আমৰ বতৰত পৰিয়ালৰ সকলো সদস্যই আম খাইছিল । এই আম গছডাল তেওঁলোকৰ বাবে কিমান যে উপকাৰী ।

সেই আম গছত এক বনদেৱী বাস কৰিছিল । তাই তাতে বহুবছৰ ধৰি আছে । খেতিৰ ফচলৰ পৰা যি অলপ লাভ হৈছিল সেই আয়েৰে কৃষকজনৰ অৱস্থা ভাললৈ আহিছিল । তথাপিতো তেওঁ কোনোদিন বিশ্ৰাম নলৈছিল । বনদেৱীয়ে এই সকলোবোৰ দেখি আহিছিল ।

এদিন বনদেৱীয়ে পৰিয়ালৰ সকলো লোকে খেতিপথাৰত মনপুতি কাম কৰা চাই আছিল । তাৰ পাছত তেওঁ ভাবিলে, "মানুহে দুখীয়া অৱস্থাতহে এনে হাড় ভঙা পৰিশ্ৰম কৰে । কিন্তু এই খেতিয়ক জনৰ অৱস্থা ভাললৈ অহা স্বত্বেও তেওঁ আৰাম কৰাৰ নামকে নলয় । সুখ ভোগ কৰাৰ ফালে তেওঁৰ দৃষ্টিয়ে নাযায় ।

সময় যোৱাৰ লগে লগে পৰিশ্ৰমৰ দ্বাৰা অৰ্জন কৰা ধনেৰে কৃষকজনে ওচৰৰে এক একৰ মাটিও কিনিলে । বনদেৱীয়ে এনে হ'ব বুলি প্ৰথমৰ পৰাই জানিছিল ।

নৱবৰ্ষৰ আৰম্ভণিতে শুভ দিন বাৰ চাই

প্ৰদীপ চৌহান

কৃষকজনে পথাৰত হাল বোৱা কাম আৰম্ভ কৰিলে । তেওঁ ইমান পৰিশ্ৰম কৰা দেখি কৃষকজনৰ প্ৰতি বনদেৱীৰ দয়া উপজিল ।

সেইদিনা সন্ধিয়া কৃষকজন যেতিয়া ঘৰলৈ গৈ আছিল বনদেৱীয়ে তেওঁৰ সন্মুখত দেখা দি নিজৰ পৰিচয় দি কলে, "আজি ইমান বছৰ ধৰি তুমি কঠোৰ পৰিশ্ৰম কৰা মই দেখি আহিছো । ৰ'দ বৰষুণক কেৰেপ নকৰি তুমি নিজৰ কাম কৰি গৈছা । তোমাৰ কষ্ট দেখি তোমাৰ প্ৰতি মোৰ দয়া উপজিছে । তোমাক যিমান ধন লাগে মই দিম । তুমি ইমান পৰিশ্ৰম কৰিবলৈ এৰি পেলোৱা । তোমাৰ কামবোৰ মজদুৰৰ দ্বাৰা কৰোৱা ।"

তেতিয়া কৃষকজনে বনদেৱীক প্ৰনাম কৰি কলে, "তুমি যদি মোৰ কষ্ট হোৱাতোকে সহ্য কৰিব নোৱাৰা, তেনেহলে মজদুৰৰ কষ্ট কেনেকৈ সহ্য কৰিব পাৰিবা ? তেওঁলোকোতো মোৰ দৰে ৰক্ত মাংসৰে তৈয়াৰী মানুহহে । নহয় নে বাৰু ?"

বনদেৱীয়ে কৃষকজনৰ কথা বেয়া নাপালে। তেওঁ কলে, "তেওঁলোকে পৰিশ্ৰম কৰে নিজৰ পেট পুৰাবৰ কাৰণে । কিন্তু মোৰ অনুমান হয় তুমি কষ্ট কৰিয়েই সুখ পোৱা আৰু তাৰ বাবেই যেন তুমি জীয়াই আছা । তোমাৰ এই স্বাভাৱৰ কাৰণে তোমাক মোৰ ভাল লাগে । কোৱা, তোমাক কিমান ধন লাগে ?"

কৃষকজনে আকৌ এবাৰ দেৱীক নমস্কাৰ কৰি কলে, "মই কষ্ট কৰো কাৰণে, মই কঠোৰ পৰিশ্ৰম কৰো কাৰণে তুমি মোক পচন্দ কৰা । মোক ধন দি তুমি সেই পচন্দৰ পৰা দূৰত ৰাখিব খুজিছা নেকি ? মোক ধন নালাগে । মই পৰিশ্ৰম কৰো কাৰণে তুমি যে মোক পচন্দ কৰা সেয়ে মোৰ বাবে অপাৰ ধনৰ সমান ।" এইবুলি কৈ কৃষকজন তাৰ পৰা গুচি গ'ল ।

দুদিন পিছত কৃষকজনে হালবাই থাকোতে নাঙলৰ ফালত কিবা বস্তু এটা লগা যেন পালে। সেই ঠাইখিনি খান্দি দেখিবলৈ পালে তাত এটা পিতলৰ কলহ আছে । কলহটো সোণ আৰু ৰূপৰ মুদ্ৰাৰে ভৰি আছে।

তেওঁ সেই কলহটো কান্ধত তুলি লৈ আম গছজোপৰ তললৈ আহিল । তাৰ পাছত তেওঁ বনদেৱীক সম্বোধন কৰি মাতিবলৈ ধৰিলে "মা বনদেৱী ।"

অলপ পিছতে দেৱীয়ে দেখা দি কলে,

"তুমি মোক মাতিছা নেকি ? কোৱা, কি কব খুজিছা ?"

কৃষকজনে কলহটোত থকা ধনখিনি দেখুৱা কলে, "এই কাম তুমিয়ে কৰিছা নেকি?"

দেৱীয়ে কলে, "তুমি কি কৈছা ? মই এই বিষয়ে একো নাজানো ।"

কৃষকজনে হাঁহি মাৰি কলে, "মই আজি ইমান বছৰ ধৰি এই খেতি পথাৰত খেতি কৰি আহিছো । পথাৰৰ কোনটো কোণত কি আছে মই ভালদৰে জানো । মই যাতে পৰিশ্ৰম নকৰো, কষ্ট নকৰো, মজদুৰৰ দ্বাৰা সকলো কাম কৰাও, তুমি সেইটোৱে বিচৰা নহয় নে? ঠিক আছে তাকেই কৰিম ।" ইয়াকে কৈ তেওঁ কলহটো লৈ ঘৰলৈ গ'ল ।

পিছদিনাখন কৃষকজনে দহজন মজদুৰ লৈ খেতিপথাৰলৈ আহিল । তাকে দেখি বনদেৱী আনন্দিত হ'ল । কিন্তু তেওঁৰ আনন্দ বেচি সময় স্থায়ী নহ'ল । কাম কৰিবলৈ যি মজদুৰ আহিছিল তাৰ ভিতৰত দুজন হে কাম কৰাৰ উপযুক্ত আছিল । বাকী কেইজন বুঢ়া আৰু কাম কৰিবলৈ অক্ষম আছিল ।

কৃষকজনে তেওঁলোকক বেলেগ বেলেগ কাম দিলে । তাৰপাছত তেওঁও তেওঁলোকৰ লগত কামত লাগি গ'ল । দুপৰীয়া কৃষকৰ পত্নীয়ে খোৱা জলপান লৈ আহিছিল । সকলোৱে আমৰ তলত বহি জলপান খালে।

তাৰপাছত তেওঁলোকে আধাঘন্টামান সময় সুখ দুখৰ কথা কলে । কৃষকজনে তেওঁলোকৰ দুখৰ কথা শুনি তেওঁলোকক উচিত পৰামৰ্শ দিলে । "এটা কথা ভালদৰে মনত ৰাখিবা । ভগবানে মানুহক হাত সাবতি বহি থাকিবলৈ সৃষ্টি কৰা নাই । যথাসাধ্যে পৰিশ্ৰম কৰি সুখ লাভ কৰিবলৈকে মানুহক সৃষ্টি কৰিছে । সেয়েহে আমি যিমান দিন জীয়াই থাকো সাধ্যমতে পৰিশ্ৰম কৰিব লাগে।" সূৰ্য্যাস্তৰ আগতে মজদুৰ সকলে কাম সমাপ্ত কৰিলে । কৃষকজন ওচৰৰে এটা জুপুৰি ঘৰলৈ সোমাই গল । বনদেৱীয়েও তেওঁৰ পিছে পিছে ঘৰৰ ভিতৰলৈ সোমাই গ'ল ।

কৃষকজনে কলহটোৰ পৰা কেইটামান মুদ্ৰা আনি মজদুৰসকলক উচিত পাৰিশ্ৰমিক দিলে ।

"এই কৃষকজনে পাৰিশ্ৰমিক দিয়াত কোনো কৃপনালী কৰা নাই । কিন্তু তেওঁ এই অক্ষম লোক সকলক কিয় কামত লগাইছে?" বনদেৱীয়ে নিজকে নিজে প্ৰশ্ন কৰিলে ।

মজদুৰবোৰ গুচি যোৱাৰ পিছত

কৃষকজনে বনদেৱীক সম্বোধন কৰি কলে, "দেখিলানে বাৰু, তুমি কোৱা অনুসাৰে খেতিৰ কামত মই মজদুৰ লগাইছো । এতিয়া তুমি আনন্দিত হৈছা নে ?"

"মই কিয় আনন্দিত হম ? তুমিতো এক মুহূৰ্ত্তৰ বাবেও বিশ্ৰাম লোৱা নেদেখিলো । তুমি যদি নিজে কামে কৰা মজদুৰ লগোৱাৰ কি লাভ ?" দেৱীয়ে সুধিলে ।

তুমি ঠিক কথাই কৈছা । আজি যিসকল মোৰ খেতি পথাৰত কাম কৰিবলৈ আহিছিল সিহঁত একেবাৰে এলেহুৱা, কামত ফাকি দিয়ে । সেয়েহে সিহঁতক কোনেও কামত লগাব নোখোজে । সিহঁতৰ লগত লাগি থাকি মই সিহঁতৰ পৰা কাম আদায় কৰিছো । তুমি যি ধন দিছিলা তাৰপৰাই মই সিহঁতক মজুৰী দিছো। এতিয়া কোৱা, মনত ভাল লাগিছেতো?" হাঁহি হাঁহি কৃষকজনে সুধিলে।

তেতিয়া বনদেৱীয়ে কলে, "তোমাৰ কথা শুনি সাঁচাকৈয়ে ভাল লাগিছে । এইটো জানি আৰু আনন্দ লাগিছে যে দেৱতাৰ মাজতো মোৰ দৰে জড়স্বৰূপ আৰু মানুহৰ মাজতো তোমাৰ দৰে দেৱতা আছে । তুমি এইদৰেই নিজৰ কাম নিজে কৰি থাকা । তোমাক যিমান ধন লাগে মই দি থাকিম ।

দেৱীৰ কথা শুনি কৃষকজনে প্ৰণাম কৰি কলে, "হে দেৱী মাতা, এনে নকৰিবা । এনেয়ে পোৱা ধন পাপেৰে পূৰ্ণ । ই বেচি দিন নাথাকে । নতুনকৈ কিনা মাটি ডোখৰত যদি ভাল খেতি হয় মজদুৰৰ পাৰিশ্ৰমিক মোৰ উপাৰ্জনেৰেই দিব পাৰিম । মই আৰু মজদুৰে তেতিয়া কাম কৰিবলৈ উৎসাহ পাম । আকৌ নতুনকৈ মাটি কিনিব পাৰিম । তুমি কেৱল এই গছৰ ওপৰত বহি মোক আশীৰ্বাদ দি থাকিবা । ইয়াতকৈ বেচি আৰু মোক একো নালাগে ।

বনদেৱীয়ে তেওঁৰ কথা অতি মনোযোগেৰে শুনিলে আৰু তেওঁৰ মুখমণ্ডলত ব্যাপ্ত আত্মাবিশ্বাস দেখি দেৱী আনন্দত আপ্লুত হৈ উঠিল ।

"ঠিক আছে । কষ্ট কৰি যোৱা । যিয়ে পৰিশ্ৰম কৰে তেওঁৰেই ইহলোক আৰু পৰলোকত সুখ লাভ কৰে ।" এইবুলি কৈ বনদেৱীয়ে কৃষকজনক আশীৰ্বাদ দি তাৰপৰা অদৃশ্য হৈ গ'ল ।

বজৰঙৰ সাহস

বজৰঙ বিলাসপুৰৰ নিবাসী আছিল। সেইদিনা তেওঁ সাধাৰণ অৱস্থাত নাছিল। খঙতে তেওঁ অগ্নিশৰ্মা হৈ আছিল। তেওঁ তৰোৱাল এখন উলিয়াই শানত ধাৰ কৰিব ধৰিলে। আগদিনা খেতিৰ বাবে বীৰবাহু আৰু বজৰঙৰ মাজত তীব্ৰ বাদানুবাদ হয়। আচলতে কথা ইমান ডাঙৰ নাছিল। কিন্তু চাওঁতে চাওঁতে সেই বাদবিবাদেই কাজিয়াৰ ৰূপ ললে। তেতিয়াই বজৰঙে উত্তেজিত হৈ কৈছিল, "এই বীৰবাহু মই তোমাৰ পেটত তৰোৱাল সুমুৱাই তোমাক যদি শেষ কৰিব নোৱাৰো তেতিয়াহলে মোৰ নাম বজৰঙেই নহয়। তুমি নাজানানেকি, এই অঞ্চলত মই-বিখ্যাত ভীমৰ বংশধৰ।" এই বুলি প্ৰতিজ্ঞা কৰি তেওঁ ঘৰলৈ আহিল।

বজৰঙে তৰোৱাল ধাৰ কৰাৰ লগতে বীৰবাহুকো গালি পাৰিব ধৰিলে। সিহঁত দুয়োৰে এই কথা গোটেই গাৱঁতে বিয়পি পৰিল। কিছুমান মানুহে তেওঁৰ এই দৃশ্য চাব ধৰিলে। গাঁৱৰ দুই তিনিজন বয়সীয়াল লোকে বজৰঙক কলে, "তোমালোক দুয়োৰে খেতি লগালগি। তোমালোক দুয়োৰে এজনক আনজনৰ সহায়ৰ আৱশ্যক হব। গতিকে মিছাতে দুয়োৰে মাজত এই শত্ৰুতা কিহৰ? তোমাৰ খং কমোৱা।"

কিন্তু বজৰঙে তেওঁলোকৰ কথা নুশুনিলে আৰু তৰোৱাল লৈ বীৰবাহুৰ ঘৰৰ ফালে যাবলৈ ধৰিলে। সৰু সৰু ল'ৰা-ছোৱালীৰেও তেওঁৰ পাছে পাছে যাব ধৰিলে। তেওঁ গৈ বীৰবাহুৰ ঘৰৰ সন্মুখ পোৱাত গম পালে যে বীৰবাহু ঘৰত নাই, খেতি পথাৰত আছে। বজৰঙে তৰোৱাল খন ওপৰলৈ দাঙি বীৰবাহুক গালি পাৰি পাৰি খেতি পথাৰৰ ফালে যাবলৈ ধৰিলে। তেতিয়ালৈকে গাঁৱৰ কিছুলোক তাত গোট খাইছিলেই।

বীৰবাহুৱে খেতিৰ কাষ তেই বহি দাঁত মাজি আছিল। তেওঁ বজৰঙক তৰোৱাল লৈ তেওঁৰ পিনে আহি থকা দেখিলে। কিন্তু তেওঁ অলপো লৰচৰ নকৰিলে। তেওঁৰ মুঠৈই ভয় লগা নাছিল। তেওঁ এবাৰ বজৰঙৰ পিনে চালে আৰু তাৰ পাছত নিজৰ কামত লাগি গ'ল।

বজৰঙে দীঘল দীঘল খোজ দি বতাহতে

সমীৰ মিশ্ৰ

তৰোৱালখন ঘূৰাই বীৰবাহুৰ ওচৰলৈ আহিলে আৰু খুব চিঞৰি চিঞৰি কলে, "এই, তুমি বোধহয় এতিয়াও মোক ভালদৰে দেখা নাই। মোৰ হাতত থকা তৰোৱাল খনলৈ মনোযোগেৰে চোৱা। অলপ আগতে এইখন মই ধাৰ কৰিছো। এই তৰোৱালখন তোমাৰ পেটত সুমুৱাই দিম, তোমাৰ গোটেই শৰীৰ মই টুকুৰা-টুকুৰ কৰি দিম।" এই বুলি কৈ বজৰঙে তৰোৱালখন ওপৰলৈ উঠালে।

মানুহবোৰে বুজি পালে যে বজৰঙে তেওঁক এনেয়ে ভয় খুওৱা নাই, বৰং সঁচাকৈয়ে বীৰবাহুক মাৰিব ওলাইছে। তেওঁলোকে বজৰঙক ধৰি দূৰলৈ লৈ গ'ল।

এনেকুৱা উত্তেজিত পৰিস্থিতি হোৱা স্বত্বেও বীৰবাহুয়ে কোনো হেতকেত নকৰি আগৰ দৰেই বহি থাকিল। তেওঁৰ ওপৰত ইয়াৰ কোনো প্ৰভাৱে নপৰিল। তেওঁ বজৰঙলৈ এবাৰো নাচালে। এনেতে শ্যাম নামৰ এজন লোক বীৰবাহুৰ ওচৰলৈ আহি কলে, "এয়া তুমি কি কৰিছা? এফালে বজৰঙে লম্বা তৰোৱাল লৈ তোমাক মাৰিব আহিছে আৰু আনফালে তুমি চুপচাপ বহি আছা! এনে ভাৱ দেখুৱাইছা যেন ইয়াতে একোয়ে হোৱা নাই! তেওঁৰ ফালে আনকি তুমি চোৱাও নাই। বাহ, তোমাৰ সাহসক প্ৰশংসা কৰিব লাগিব।"

ইয়াৰ মাজত বজৰঙে মানুহৰ মাজৰ পৰা নিজকে বচাব চেষ্টা কৰি কব ধৰিছে, "মোক এৰি দিয়া। আজিয়েই বীৰবাহুৰ জীৱনৰ শেষ দিন হব। তাক মই টুকুৰা-টুকুৰ কৰি দিম।"

মানুহৰ মাজৰ পৰা নিজকে বচাবলৈ চেষ্টা কৰি থকা বজৰঙক দেখুৱাই বীৰবাহুৱে শ্যামক কলে, "শ্যাম, এতিয়া তোমাক এটা দৃশ্য দেখুৱাম।



তুমি তালৈ গৈ যিসকলে বজৰঙক ধৰি আছে, তেওঁ লোকক লাহে কৈ কোৱা গৈ তাক এৰি দিবলৈ।"

শ্যামে বুজি নাপালে বীৰবাহুৱে কিয় বজৰঙক এৰি দিবলৈ কব দিছে। তেওঁটো জোৰে জোৰে চিঞৰি আছে, গালি পাৰিব ধৰিছে, তৰোৱাল নচুৱাই নচুৱাই বীৰবাহুক মাৰিব বুলি হুমকি দি আছে। বীৰবাহুৰ নিজৰ জীৱনলৈ অলপো চিন্তা নাই নেকি ? তেওঁৰ আকৌ কেনেকুৱা ধৈৰ্য্য ! এইবোৰ ভাবি ভাবি শ্যামে বজৰঙক ধৰি থকা মানুহবোৰৰ মাজলৈ আগবাঢ়ি যাব ধৰিলে। তেওঁ কি হব পিচলৈ এইটো জানিবলৈ বৰ উৎসুক আছিল। মানুহবোৰৰ মাজৰ পৰা এজনক তেওঁ মাতি আনি মনে মনে কলে, "বজৰঙক এৰি দিয়া।"

পিছমুহূৰ্ত্ততে মানুহবোৰে বজৰঙক মুক্ত কৰি দিলে। হঠাতে এনেকুৱা ঘটনা ঘটাত বজৰঙৰ খুব আচৰিত লাগিল। তথাপিও বীৰবাহুক তৰোৱাল দেখুৱাই সাৱধানেৰে বজৰঙ তেওঁৰ পিনে আগবাঢ়ি যাব ধৰিলে।

কিন্তু এইবাৰ তেওঁ বুজি পালে যে তেওঁক কোনোৱে বাধা দিবলৈ নাহে, সেয়ে এঠাইত থিয় হৈ বীৰবাহুক কলে, "এই বীৰবাহু, তোমাৰ জীৱনৰ আৰু কিছুদিন বাকী আছে, সেয়েহে তুমি ৰক্ষা পৰিলা। মই তোমাক ইমান মানুহৰ সম্মুখত মাৰি জেললৈ যাব নিবিচাৰো বা ফাঁচী কাঠতো ওলমিব নাযাওঁ। এই বুৰ্বকামী মই নকৰো। আজি নহয়, আন এদিন তোমাক মই চাই লম। সেইদিনা তোমাক মোৰ হাতৰ পৰা কোনেও বচাব নোৱাৰিব। মোৰ হাততেই তোমাৰ মৃত্যু লিখা আছে।" এই বুলি কৈ বজৰঙে তৎক্ষণাত ঘূৰি তাৰ পৰা গুচি গ'ল।

বজৰঙ গুচি যোৱাৰ পাচত তাত সমাবেত হোৱা ৰাইজক বীৰবাহুয়ে কলে, "আপোনা-লোকে দেখিলেনে, তাক এৰি দিয়াৰ লগে লগে তাৰ কেনেকুৱা অৱস্থা হ'ল। তেওঁ আগতেই জানিছিল যে আপোনালোকে মোক মাৰিব আহিলে তাক নিশ্চয় বাধা দিব। সি মাত্ৰ তৰোৱাল দেখুৱাই মোক ভয় খুৱাবৰ চেষ্টা কৰিছিল। মাৰিবলৈ অহা মানুহে কেতিয়াবা নিজৰ লগত ইমান মানুহ লৈ আহে নেকি ? বেচিকৈ ভুকা কুকুৰে কেতিয়াও নাকামোৰে। যি কুকুৰে কামোৰে সি কেতিয়াও নুভুকে। সঁচা কথা কৈছোনে মই -! এই কথাবোৰ তাৰ ক্ষেত্ৰত কিমান প্ৰযোজ্য নহয়নে বাৰু।

তেওঁৰ কথাৰ পৰা মানুহবোৰে বুজি পালে যে বীৰবাহুৰ ধৈৰ্য্যৰ কাৰণ কি আছিল।



মোৰ পিতা চিলিঙৰ ওপৰত নাই

দক্ষিণৰ সমুদ্ৰ পাৰত কাশ্যপ নামৰ এজন সৰু বেপাৰী আছিল । তেওঁ পত্নী আৰু তিনিবছৰীয়া পুত্ৰ এজনৰে সৈতে সুখেৰে দিন কটাইছিল । ল'ৰাটোৰ কথাবোৰ বৰ মৰম লগা আছিল আৰু সি দেখিবলৈও ধুনীয়া আছিল, সেয়েহে কাশ্যপে তাক খুব মৰম কৰিছিল । ঘৰলৈ অহা আত্মীয় তথা বন্ধু-বান্ধৱৰ লগত ল'ৰাজনক কথা পাতিব কৈছিল । তাৰ কথা শুনিবলৈ তেওঁলোকক জোৰ দি ধৰিছিল । ল'ৰাটোৰ কথাকোৱাৰ বেহৰূপ দেখি তেওঁ খুব আনন্দিত হৈছিল ।

কাশ্যপে কপাহ আৰু ইয়াৰ গুটি কিনি ৰাখিছিল আৰু অধিক দামত সেইবোৰ বিক্ৰী কৰিছিল । অলপতে অন্য এজন ব্যৱসায়ীৰ পৰা তেওঁ জানিব পাৰিলে যে ওচৰৰে চহৰ এখনত কম দামত বহুত পাৰিমাণৰ কপাহ পোৱা যায় । কিন্তু তেওঁৰ হাতত বেছিকৈ কপাহ কিনি থবৰ বাবে টকা নাছিল । সেয়েহে তেওঁ এজন মহাজনৰ ওচৰলৈ ধাৰ বিচাৰি গ'ল । তিনি মাহৰ ভিতৰতে টকা ওভতাই দিয়াৰ কথা দি পাঁচশ টকা ধাৰলৈ আনিলে । সেই টকাৰে তেওঁ কপাহ কিনিলে । "মই এতিয়া এই কপাহ বিক্ৰী কৰিব নাযাওঁ । যেতিয়া ইয়াৰ দাম বাঢ়িব তেতিয়াহে বেচিম আৰু অধিক লাভ কৰিম । তাৰ পাছত তুমি দেখিবা, আমি কিমান সুখত দিন কটাব পাৰিম !" এই বুলি তেওঁ তেওঁৰ পত্নীক কৈছিল।

পিছদিনাখন তেওঁ চহৰলৈ গৈ ডাঙৰ এটা গুদামঘৰ ভাড়ালৈ ললে । তেওঁ কপাহবোৰ তাত ৰাখিলে ।

এমাহ পাৰ হৈ গ'ল । বাৰিষা কাল পালে । অকাশখন মেঘে ঢালি ধৰিছে । টোপাটোপে বৰষুণ পৰিছে আৰু লাহে লাহে বতাহ বৰ

সুমিত্ৰা ভট্ট

ধৰিছে। চাওঁতে চাওঁতে ই ধুমুহালৈ পৰিবৰ্তন হ'ল। ধুমুহা বতাহত ডাঙৰ ডাঙৰ গছবোৰ উভালি পৰিছে। ইয়াৰ ফলত গুদামঘৰত পানী সোমাই তেওঁৰ কপাহবোৰ তিতি গ'ল।

কপাহবোৰ তিতি নষ্ট হোৱাত কাশ্যপৰ মূৰ ঘূৰি গ'ল। তেওঁ ইফালে সিফালে গৈ নিজে নিজে বকিবলৈ ধৰিলে, "এতিয়া মই কি কৰো? গুদামৰ মালিকক ভাড়া দিব লাগিব। মহাজনক মূলৰ লগতে সুত দিব লাগিব। তেওঁলোকতো মনে মনে থকা লোক নহয়!"

গিৰীয়েকৰ এই অৱস্থা দেখি ঘৈনীয়েকে পৰামৰ্শ দিলে, "এটা কাম কৰক, যেতিয়ালৈকে মহাজনক দিবলগীয়া টকা জমা কৰিব নোৱাৰে, তেতিয়ালৈকে আপুনি গাঁৱৰ পৰা বাহিৰত থকেক। উত্তৰ পাৰে আমাৰ আত্মীয় আছে, আপুনি ইচ্ছা কৰিলে তাত গৈ থাকিব পাৰে। সিহঁতৰ ঘৰলৈ আমি নাযাওঁ বুলি সদায় আপত্তি কৰে। তাত থাকোতে আপুনি সিহঁতৰ পৰা ধাৰলৈ টকা খুজিব। আমাৰ অৱস্থাৰ কথা বুজি পালে তেওঁলোকে নিশ্চয় সহায় কৰিব।"



"তুমি ঠিকেই কৈছা। দুই তিনিমাহৰ পাছত ঘূৰাই দিম বুলি কথা দি সিহঁতৰ পৰা টকা লৈ এই বিপদৰ পৰা কিজানি ৰক্ষা পাবিব পাৰোয়েই। মই আজিয়েই বাওঁনা হম" কাশ্যপে কলে।

যাবৰ সময়ত কাশ্যপে তেওঁৰ পুত্ৰক কলে, "বাচা, মই আলহীৰ ঘৰলৈ যাওঁ। আহিবৰ সময়ত তোমালৈ বহুত গাড়ী, পুতলা লৈ আহিম।"

তিনিমাহ সময় পাৰ হোৱাত মহাজন আহি কাশ্যপৰ বিষয়ে ঘৈনীয়েকক সুধিলে। কাশ্যপৰ ঘৈনীয়েকে কলে যে তেওঁ আত্মীয় এঘৰলৈ গৈছে, এসপ্তাহমান পাছত উভতিব।

"হয়, হয়, মোৰ পিতাই কৈছে আহোতে মোলৈ বহুত খেলা গাড়ী, পুতলা আনিব বুলি।" মাকৰ চাদৰত ধৰি থকা ল'ৰাটোৱে কলে। মহাজনে ল'ৰাটোলৈ চাই হাঁহিলে আৰু এসপ্তাহ পাছত আহিম বুলি কাশ্যপৰ ঘৈনীয়েকক কৈ গ'ল।

এসপ্তাহ পাছত সেই একেই উত্তৰ কাশ্যপৰ ঘৈনীয়েকৰ পৰা শুনাত মহাজনৰ খং উঠিল আৰু এসপ্তাহৰ ভিতৰত যিকোনো উপায়ে তেওঁৰ ধাৰ পৰিশোধ কৰিবলৈ কৈ মহাজন গুচি গ'ল।

পিছৰ সপ্তাহত কাশ্যপৰ ঘৈনীয়েকৰ পৰা সেই একেই উত্তৰ পোৱাত মহাজনৰ খঙে চুলিৰ আগ পালে। তেওঁ চিঞৰি চিঞৰি কবলৈ ধৰিলে তিনি দিনৰ ভিতৰত সুত সহ তেওঁৰ টকা ওভতাই নিদিলে চিপাহীৰ সহায় লব আৰু তেওঁ জোৰ জুলুমকৈ টকা আদায় কৰিহে এৰিব।

সেইদিনা ৰাতি মনে মনে কাশ্যপ ঘৰলৈ আহিছিল। ঘৈনীয়েকে টকা যোগাৰ হ'লনে তেওঁক সুধিলে। কাশ্যপে হোৱা নাই বুলি কলে। তেতিয়া তেওঁৰ পত্নীৰ খং উঠিল আৰু কলে, "মই নাজানো তুমি কি কৰিবা, কিন্তু এইটো সঁচা যে

তিনিদিনৰ ভিতৰত চিপাহীসহ মহাজন আমাৰ ঘৰলৈ আহিব ।''

কাশ্যপে আন কৰবলৈ যোৱাৰ কথা চিন্তা কৰিব ধৰিলে । কিন্তু মহাজনৰ মানুহে তেওঁৰ ঘৰত নজৰ ৰাখিব বুলি ভয় আছিল । ৰাতিপুৱাই তেওঁলোক আহি কাশ্যপৰ ঘৰৰ দুৱাবত খট্‌খটাব ধৰিলে । তেওঁ জানিছিল টকা উভতাই নিদিলে তেওঁলোকে যিকোনো কাম কৰিবলৈ সংকোচবোধ নকৰিব । কিজানি তেওঁক খুব মাৰধৰেই কৰে । কাশ্যপে ভাবিলে এইবাৰ তেওঁ জালত পৰিল, হাত সাৰাৰ উপায় নাই । কাশ্যপে কোনো উপায় নেদেখি ঘৈনীয়েকক কলে, "মই চিলিঙৰ ওপৰত উঠি লুকাই থাকো । তুমি এই বদমাছবোৰাক বুদ্ধি কৰি পঠাই দিয়া ।" এই বুলি কৈ কাশ্যপে লৰালৰিকৈ চিলিঙৰ ওপৰত লুকাই থাকিল ।

কাশ্যপৰ ল'ৰাজনে এই সকলোবোৰ ঘটনা মনোযোগেৰে চাই আছিল । মহাজনৰ লগত অহা অন্য লোকসকলৰ সহ্য শক্তিয়ে সীমা চেৰাই গৈছিল । সিহঁতে জোৰে জোৰে দুৱাৰত খট্‌খটাবলৈ ধৰিলে । কাশ্যপৰ পত্নীয়ে দুৱাৰ খুলি দি বাহিৰলৈ চাই কলে, "তোমালোক কোন ? ইমানজোৰেৰে কিয় দুৱাৰত খট্‌খটাইছা ?''

"আমাক সুধিছা, আমি কোন ? তোমাৰ গিৰীয়েৰাক মাতা । তেওঁৱেই কব" এজন চিপাহীয়ে ব্যঙ্গসুৰত কলে ।

"তেওঁ ঘৰত নাই । মোৰ কথা বিশ্বাস নহয় যদি ঘৰৰ ভিতৰলৈ আহি চোৱা" কাশ্যপৰ ঘৈনীয়েকে কলে ।

মহাজনৰ সৈতে সকলোৱে ভিতৰলৈ আহি কাশ্যপক বিচাৰিব ধৰিলে । কাশ্যপৰ ল'ৰাজনো সিহঁতৰ লগে লগে আছিল । তেওঁলোকে কাশ্যপক বিচাৰি উলিয়াব পৰা নাছিল । ল'ৰাটোৱে ভাবিছিল যে তাৰ পিতাকৰ লগত তেওঁলোকে লুকাচুৰি খেলিছে । সেয়েহে পিতাকক সহায় কৰাৰ উদ্দেশ্য সি হঠাৎ কৈ দিলে, "মোৰ পিতা চিলিঙত নাই ।"

মহাজনে এবাৰ চিলিঙলৈ চালে আৰু হাঁহি মাৰিলে । হাঁহি হাঁহি তেওঁ সেই সৰু ল'ৰাটোৰ গালত মৰম কৰি দিলে । তাৰ পাছত তেওঁ কাশ্যপৰ ঘৈনীয়েকক কলে, "প্ৰথমতে তুমি তোমাৰ পতিক তললৈ আহিব কোৱা । তেওঁক কোৱা টকা উভতাবৰ বাবে তেওঁক আকৌ এমাহ সময় বঢ়াই দিলো ।" এইবুলিকৈ মহাজন ঘৰৰ বাহিৰলৈ ওলাই আহিল । বাকীবোৰো তেওঁৰ লগে লগে বাহিৰলৈ আহিল ।



ঘৰৰ চৌহদ পাৰ হৈ যেতিয়া মহাজন আৰু চিপাহীবোৰ আলিবাটত উঠিছিল তেতিয়া সেই সৰু ল'ৰাটোৱে হাঁহি হাঁহি কবলৈ ধৰিলে, "মোৰ পিতা চিলিঙৰ ওপৰত নাই, মোৰ পিতা চিলিঙৰ ওপৰত নাই ।"

নিবেদন
অজেয় গৰুড়
13
চিত্ৰ: পাণি
ৰজাক অপহৰণ কৰি নিয়া কথাটো জানিব পাৰি চন্দ্ৰপুৰীৰ প্ৰজাসকল স্তম্ভিত হৈ গৈছিল । সেনাপতি নৰেন্দ্ৰদেৱে ৰজাৰ বিষয়ে আৰু অধিক জানিবলৈ তান্ত্ৰিক নাগবন্ধুক লগ ধৰিবলৈ পাহাৰলৈ গৈছিল । মহলৰ ৰক্ষক ৰবীন্দ্ৰদেৱৰ আদেশত
আদিত্যৰ বাসস্থানলৈ গৈছিল ।
ৰবীন্দ্ৰদেৱে আদিত্যক সুধিছিল যে, তেওঁক যেতিয়া মহল ৰক্ষকে বিচাৰি গৈছিল তেতিয়া তেওঁ ক'ত আছিল ।
মই নিজৰ কোঠাতে ধ্যান কৰি আছিলো । ৰক্ষকে মোক কিয় বিচাৰি গৈছিল ?
মই কৈছো তুমি নিজৰ কোঠাত নাছিলা । এতিয়া কোৱাচোন ৰজা ক'ত আছে ?
মই আপোনাক কব খোজো, এই কথাটো গোপনে ৰাখিবলৈ মই শপত খাইছো । মই ৰজাক প্ৰৱঞ্চনা কৰিব নিবিচাৰো ।
গোপনে ৰাখিবা ? এয়া তোমাৰ মুৰ্খামী । মই জানো তুমি কোনো ব্যক্তিগত উদ্দেশ্য পূৰণৰ বাবে ৰজাক লুকাই ৰাখিছো । তেওঁ আমাৰো ৰজা ।

ৰবীন্দ্ৰদেৱে নিজৰ তৰোৱালখন টানি উলিয়াই লৈ নিৰস্ত্ৰ আদিত্যক প্ৰত্যাহ্বান জনালে।
মই তোমাৰ দৰে লোকক কাবু কৰিব জানো।
আদিত্যই বিজুলী বেগেৰে ৰক্ষকৰ হাতৰ পৰা বৰ্শাপাত টান মাৰি ললে।
তৰোৱাল পলাই দিয়া।
আদিত্য, মোক নামাৰিবা!
আদিত্যই ৰবীন্দ্ৰদেৱৰ তৰোৱালখন তুলি ললে আৰু ৰক্ষকজনক ধমক দিলে। সি তাৰপৰা পলাই গল। আদিত্যই ভিতৰৰ পৰা দুৱাৰখন বন্ধ কৰি দিলে।

ৰবীন্দ্ৰদেৱ স্তব্ধ হৈ গ'ল । তেওঁ এনে ব্যৱহাৰ কেতিয়াও আশা কৰা নাছিল । তেওঁ অসহায় হৈ পৰিল ।
অনুগ্ৰহ কৰি মোক এৰি দিয়া । তুমি যিহকে কৰা মই তাকে কৰিম ।
ঠিক আছে, তোমাক আজি মই এৰি দিম । কিন্তু তোমাৰ দিন চমুচাপি আহিছে। তোমাৰ পিতাক কৰা যে ৰজাক ৰাজ্যচ্যুত কৰাৰ ষড়যন্ত্ৰৰ কথা প্ৰকাশ কৰি দিয়া হব ।
মহলৰ ৰক্ষকসকলক সাৱধান কৰি দিয়া হ'ল । তেওঁলোকে দুৱাৰখন ভাঙি খুলিবলৈ চেষ্টা কৰিলে।
ৰবীন্দ্ৰদেৱৰ মুখখন বন্ধ কৰি, এখন চকীৰেসৈতে বান্ধি থোৱাৰ পাছত ....
আদিত্যই হঠাতে দুৱাৰখন খুলি দি ৰক্ষক সকলক ভিতৰলৈ আহিবলৈ দিলে । তাৰপাছত তেওঁ দুৱাৰখন বাহিৰৰ পৰা বন্ধ কৰি থৈ ৰজাক দেখা কৰিবলৈ গুচি গ'ল ।

পাহাৰৰ মাজে মাজে দুদিন যাত্ৰা কৰাৰ পিছত নৰেন্দ্ৰদেৱ আৰু তেওঁৰ লগৰ মানুহ গৈ এক প্ৰাচীন মন্দিৰত উপস্থিত হ'ল।
তেওঁলোকে দেখিবলৈ পালে নাগবন্ধুৰ ভক্তলকলে নাগপঞ্চমী উৎসৱ উপলক্ষ্যে উপহাৰ লৈ শাৰীপাতি থিয় হৈ আছে।
তান্ত্ৰিকৰ এজন শিষ্য অপৰিচিত আগন্তুকৰ ওচৰলৈ গ'ল।
অনুগ্ৰহ কৰি ঘোঁৰাৰ পৰা নামি শাৰীপাতি থিয় হওঁক। আমাৰ গুৰুদেৱৰ অনুশাসনৰ বিষয়ত অতি কঠোৰ। তেওঁৰ আদেশ অৱশ্যেই পালন কৰা উচিত।
(ক্ৰমশঃ)

চিকাৰীৰ কুকুৰ

বনৰীয়া জীৱ-জন্তু আৰু পানীত থকা জীৱজন্তু চিকাৰ কৰা এজন আদিবাসী চিকাৰীয়ে এটা কুকুৰৰ দৰকাৰ অনুভৱ কৰিলে । তেওঁ বিচাৰিছিল যাতে সেই কুকুৰটোৱে তেওঁ চিকাৰ কৰা জীৱ-জন্তুবিলাক গছৰ তলৰ পৰা আৰু পানীৰ পৰা বাহিৰ কৰি আনি দিয়া কাম কৰে । তেওঁ বজাৰলৈ গ'ল আৰু এটা তজবজীয়া কুকুৰ কিনি আনিলে ।

ঘৰলৈ উভতি আহি থাকোতে তেওঁৰ মনলৈ এটা চিন্তা আহিল, কুকুৰটোৰ কিমান সামৰ্থ্য আছে তাক প্ৰমাণ কৰি চোৱাৰ । তেওঁ সৰোবৰত সাঁতুৰি থকা হাঁহ এজাকৰ ওপৰত শৰ নিক্ষেপ কৰিলে । শৰৰ আঘাতত এজনী হাঁহ উৰিব নোৱাৰি পানীত ছটফটাবলৈ ধৰিলে । আনবোৰ হাঁহ উৰি গুচি গ'ল ।

চিকাৰীজনে কুকুৰটোক হাঁহজনী দেখুৱাই দি আনিবলৈ তাক উচটালে । সি পানীত নামি গৈ মুখেৰে হাঁহজনী কামুৰী লৈ আহিল । তাকে দেখি চিকাৰীজনে থতমত খালে, কাৰণ তেওঁৰ কুকুৰটোৱে পানীৰেও যাব পাৰে । তেওঁ ভাবিলে এই আচৰিত কথাটো কাৰোবাক কলে বিশ্বাসটো নকৰিবয়ে বৰং মোকহে পাগল বুলি ভাবিব ।

তেওঁ এটা উপায় ভাবি উলিয়ালে । পিছদিনাখন দুজন অন্য চিকাৰী লগতলৈ সৰোবৰৰ ওচৰলৈ গ'ল। তেওঁ যেতিয়া দেখিলে আগদিনাৰ দৰে হাঁহ এজাক সৰোবৰত সাঁতুৰি আছে তেতিয়া তেওঁ হাঁহজাকৰ ওপৰত শৰ মাৰিলে । শৰৰ আঘাতত হাঁহ এজনী তাতে পৰি ৰ'ল আৰু বাকীবোৰ হাঁহ উৰি গুচি গ'ল । চিকাৰীজনে হাঁহজনী কুকুৰটোক দেখুৱাই দিয়াত সি পানীলৈ গ'ল আৰু হাঁহজনীক গলত কামুৰী লৈ আহিল ।

চিকাৰীৰ বন্ধুদুজনে তাকে দেখি কলে, "আৰে, বজাৰত তোমাক কোনোবাই ঠগিলে নেকি । কেনেকুৱা কুকুৰ এটা কিনিলা তুমি ? ইটো সাঁতুৰিবয়ে নাজানে ।"

- শৈলেশ

বাকাত প্ৰকাশ কৰা

ফটো নামকৰণ প্ৰতিযোগিতা





কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা।

ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা,

৮২, ডিফেন্স অফিচাৰ্চ কলোনী, একাডুথাঙ্গাল, চেন্নাই - ৬০০ ০৯৭.

এই মাহৰ ২০ তাৰিখ ৰ ভিতৰত উত্তৰ পাব লাগিব। বিজয়ী প্ৰতিযোগিক ১০০ টকা পুৰস্কাৰ দিয়া হব। পুৰস্কাৰ পাওতা জনৰ নাম অহা সংখ্যাত প্ৰকাশ কৰা হব!

বিজয়ী বাক্য

থাকে থাকে সজাইছে পুতলা।
পাতিছে খেলনাৰ মেলা।

অভিনন্দন

মাৰ্চ সংখ্যাৰ পুৰস্কাৰ বিজয়ী
আকাশ নাৰায়ণ ডেকা
মাৰফৎ--মিন্টু ডেকা, বঙাইগাঁও টাউন
জিলা--বঙাইগাঁও, (অসম)

সাধাৰণ ডাকযোগে ভাৰতত ১২০.০০ টকা
বছৰেকীয়া বৰঙণি
Payment in favour of CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 600 026 on behalf of Chandamama India Limited, No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097. Editor : Viswam

CHANDAMAMA, MAY 2002
ENGLISH EDITION
FREE!
SACHET OF
RASNA
WORTH RS. 5/-
FREE!!*
COUPONS FOR
ARUN ICE-CREAMS
WIN!!*
DASH! WATCH
BY ANSWERING
A QUIZ
A PERFECT
COOL
SUMMER
ALL FOR
RS. 15/-
ONLY
EXCITING OFFERS MONTH AFTER MONTH
From May 2002, Chandamama becomes a 2-in-1 magazine.
IN A LARGER FORMAT
An 8 page
story cum activity
pull-out for tiny tots
JUNIOR CHANDAMAMA
GRAB YOUR COPY
TODAY!
* CONDITIONS APPLY

CHANDAMAMA (Assamese) MAY 2002 Regd. with Registered Newspaper of India No. 30278/76
Registered No. TN/Chief PMG-870/2001